# Assam Legislative Assembly Debates

## OFFICIAL REPORT

**FIRST SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA**

## BUDGET SESSION

## VOL. I

## No. 2

**The 22nd March 1978**

1978

PRINTED AT THE ASSAM GOVERNMENT PRESS

GAUHATI

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1978

( Budget Session )

Volume I

No: 2

Dated the 22nd March 1978

Contents. Page


| | | |
|---|---|---|
| 1. | Panel of Chairmen .. ... ... | 31 |
| 2. | Nomination of Members to Legislature Committees. .. | 31—32 |
| 3. | Laying of Reports .. .. .. | 33 |
| 4. | Presentation of Supplementary Demands for Grants and Supplementary Appropriation for the year 1977-78. .. | 33 |
| 5. | Motions for formation of Legislature Committees ... | 33—34 |
| 6. | Debate on the Governor's address ... | 35—82 |
| 7. | Adjournment .. .. ... | 82 |

Proceedings of the First Session of the Assam Legislative Assembly assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Wednesday, the 22nd March 1978 with the Hon. Speaker in the Chair, 12 (twelve) Ministers, 4 (four) Ministers of State, 4 (four) Parliamentary Secretaries and 105 (one hundred five) Members present.

Mr. Scapker: Under Rule 9 (1) of the Rules of Procedure and Conduct of Business in the Assam Legislative Assembly, I nominate the following members to constitute the Panel of Chairmen for the current Session of the Assembly—

(1) Shri Altaf Hossain Mazumder.

(2) Shri Santi Ranjan Das Gupta.

(3) Shri Narendra Nath Dutta.

(4) Shri Premodhar Bora.

## NOMINATION OF MEMBERS TO LEGISLATURE COMMITTEES

Under Rule 228 of the Rules of Procedure and Conduct of Business in the Assam Legislative Assembly, I hereby nominate the following members to constitute the Business Advisory Committee.

(1) Shri Dulal Chandra Barua, Minister, parliamentary Affairs.

(2) Shri Sarat Chandra Sinha.

(3) Shri Nagen Barua.

(4) Shri Bhadreswar Gogoi.

(5) Smti Syeda Anwara Taimur.

(6) Shri Noorul Huda.

The Speaker will be the Chairman of the Committee.

Under Rule 258 of the Rules of procedure and Conduct of Business in the Assam Legislative Assembly, I hereby nominate the following members to constitute the Rules Committee.—

(1) Shri Dulal Chandra Barua, Minister, Parliamentary Affairs.

(2) Shri Santi Ranjan Das Gupta.

(3) Shri Khagen Barbarua,

(4) Shri Rabindranath Choudhury.

(5) Shri Fakrul Islam.

(6) Shri Devananda Bora.

(7) Shri Golok Rajbangshi.

(8) Shri Promode Gogoi.

The Speaker will be the Chairman of the Committee.

The Committee will function for a term of one year.

Under Rule 312 of the Rules of Procedure and Conduct of Busines in Assam Legislative Assembly, I hereby nominate the following members to constitute the House Committee.

1. Shri Bhubaneswar Barman.

2. Shri Dipak Moormoo.

3. Shri Pratap Kalita.

4. Shri Md. Shamsul Huda.

5. Shri Nishith Ranjan Das.

6. Shri Romesh Chandra Saharia.

7. Shri Purna Chandra Bora.

8. Shri Mukut Sarma.

9. Shri Padam Bahadur Chouhan.

Under Rule 198 (1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I hereby appoint Shri Bhubaneswar Barman as Chairman of the said Committee.

The Committee will function for a term of one year.

শ্ৰীগোলাপ বৰবৰা মুখ্যমন্ত্ৰী ঃ—অধ্যক্ষ মহোদয়, মই সদনৰ টেবুলত ১৯৭৬-৭৭ চনৰ অসম খাদী আৰু গ্ৰাম্য উদ্যোগ বৰ্ডৰ বাৰ্ষিক প্ৰতিবেদন দাখিল কৰিলো।

শ্ৰীগোলাপ বৰবৰা মুখ্যমন্ত্ৰ ঃ—অধ্যক্ষ মহোদয়, মই সদনৰ টেবুলত ১৯৬৭-৬৮ চন আৰু ১৯৬৮-৬৯ চনৰ অসম লোক সেৱা আয়োগৰ বাৰ্ষিক প্ৰতিবেদন দাখিল কৰিলো।

Shri Zahirul Islam (Minister) : Mr. Speaker, Sir, I beg to lay the Annual reports of the Assam and Meghalaya Road Tranport Corporation for the years 1971-72 and 1972-73.

Mr. Speaker : The Secretary to lay the Thirty Forth Report of the Commitee on Estimates of the preceding Assembly. Secretary, A. L. A. : Sir, I beg to lay the Thirty-Forth Report of the Committee on Estimates of the Assam Legislative Assembly. This Report was presented to the Honourble Speaker of the proceeding House before its dissolution. The then Hon'ble Speaker ordered for printing and circulating the same to the Members of this New House.

## PRESENTATION OF SUPPLEMENTARY DEMANDS FOR GRANTS AND SUPPLEMENTARY APPROPRIATION FOR THE YEAR 1977-78

Shri Keshab Chandra Gogoi (Minister) : Sir, I beg to present the Supplementary Demands for Grants and Supplementary Appropriation for the year 1977-78.

## MOTIONS FOR FORMATION OF LEGISLATURE COMMITTEES

Shri Dulal Chandra Baruah (Minister): Sir, I beg to move that "this Assembly do elect nine members of the Assembly in accordance with the provision of Rule 242 of the Rules and Procedure and Conduct of Business in Assam Legislative Assembly to the Committee on Public Accounts to function from the date of formation for a term not exceeding thirty months".

(The Secretary will notify the date, time and place for holding elections, if necessary).

Mr. speaker: The Motion moved is that "this Assembly do elect nine members of the Assmbly in accordance with the provisions of Rule 242 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the Committee on Public Accounts to function from the date of formation for a term not exceeding thirty months".

(The Motion is Adopted)

Shri Dulal Chandra Baruah (Minister): Sir, I beg to move that "this Assembly do elect eleven members of the Assembly in accordance with the provision of Rule 244 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the Committee on Estimates to function for a period of thirty months from the date of constitution of the Committee.

(The Secretary will notify the date, time and place for holding election, if necessary).

Mr. Speaker: The motion moved is that " this Assembly do elect eleven members of the Assembly in accordance with the provisions of rule 244 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the Committee on Estimates to function for a period thirty months from the date of cons'itution of the Committee.

(The motion is adopted).

Shri Dulal Chandra Baruah (Minister): Sir, I beg to move that "this Assembly do elect nine members of the Assembly in accordance with the provisions of Rule 260 B of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the Committee on Public Undertakings to function from the date of formation for a term not exceeding thirty months".

(The Secretary will notify the date, time and place for holding the election, if necessary).

Mr. Speaker: The motion moved is that "this Assembly do elect nine Members of the Assembly in accordance with the provision of Rule 260 B of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the Committee on Public Undertakings to function from the date of formation for a term not exceeding thirty months".

(The motion is adopted).

Shri Dulal Chandra Baruah (Minister): Sir, I beg to move that "this Assembly do elect eleven Members of the Assembly in accordance with the provisions of Rule 260 D of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the Committee on the Welfare of Scheduled Castes and Scheduled Tribes to function from the date of formation for a term not exceeding thirty months".

(The Secretary will notify the date, time and place for holding the election, if necessary).

Mr. Speaker: The motion moved is that "this Assembly do elect eleven members of the Assembly in accordance with the provision of Rule 260 D of Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the committee on the Welfare of Scheduled Cast and Scheduled Tribes to function from the date of formation for a term not exceeding thirty months".

(The motion is adopted).

Now, debate on Governor's address, Shri Nagen Sharma.

শ্ৰীনগেন শৰ্ম্মা ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই জয় জয়তে ৰাজ্যপালৰ ভাষণৰ বাবে তেখেতক ধন্যবাদ জনাইছো; এই বাবেই যে, তেও অন্ততঃ প্ৰকাশ কৰিছে আৰু অনুভৱ কৰিছে যে, আজি এই পবিত্ৰ সদনত অসমৰ জনগণে চাই আছে, আকাংখ্যা কৰিছে যে, তেওঁলোকৰ আশা আকাংখ্যা আমি চৰকাৰৰ ওচৰত নিবেদন কৰিম, তেওঁলোকৰ আশা আকাংখ্যা ৰূপ দিবলৈ চেষ্ট কৰিম। মই এই ভাষণ সম্পৰ্কত, এই ভাষণৰ চৰিত্ৰ বিষয়ে কেইটামান কথা কব খুজিছো।

শ্ৰীগোলোক ৰাজবংশী ঃ—অধ্যক্ষ মহোদয় মই এটা কথা কব খুজিছো যে, আমাৰ বহুতো নতুন নতুন মেম্বাৰ আছে, গতিকে সময় ঠিক কৰি দিলে ভাল হব।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) ঃ—এদভাইচৰী কমিটি বহাৰ আগতে এইটো ঠিক কৰি লব লাগিব।

Mr. SPEAKER : I would request the leaders of the groups to discuss about these matters by the last hour to-day.

Shri PROMODE CHANDRA GOGOI:—Another point of order. We submitted amendment to the Motion of thanks but we have not received yet the copies of amendments and before beginning the debate on the Governor's address we ought to have the copies of the amendments of the motions.

Mr. SPEAKER:—These are being distributed and the honourable members will get them.

Shri PROMODE CHANDRA GOGOI:—These have not been distributed.

Mr. SPEAKER:—These are being distributed.

শ্ৰীনগেন শৰ্ম্মা ঃ— অধ্যক্ষ মহোদয়, মই পোনতে এই ভাষণৰ চৰিত্ৰৰ বিষয়ে কেইটামান কথা কব বিচাৰিছো। এই ভাষণত যোৱা বছৰৰ চৰকাৰৰ যি কাৰ্য্য, তাক দাঙি ধৰা হৈছে আৰু নতুন চৰকাৰৰ ভৱিষ্যত কাৰ্য্যসূচীৰবিষয়ে এটা প্ৰগতিশীল ইংগীত দিয়া হৈছে। খতিয়ান সম্পৰ্কে আমাৰ বহুতো কথা কব লগা আছে। যোৱা বছৰৰ যি চৰকাৰ সেই চৰকাৰৰ খতিয়ান সম্পৰ্কত মই কেইটামান কথা কব বিছাৰিছো। তেওঁলোকৰ যি দোষ ত্ৰুটি সেইবিলাক অকনমান এই ভাষণত স্বীকাৰ কৰা নাই, বা স্বীকাৰ উক্তি প্ৰকাশো হোৱা নাই।

এই ভাষণত যোৱা বছৰ কৰ্ম্মচাৰী সকলৰ ধৰ্মঘট আৰু আইন শৃংখলাৰ সম্পৰ্কে কৈছে যে, কৰ্ম্মচাৰী সকলৰ যি আন্দোলন হৈছিল, সেই আন্দোলন চৰকাৰে নিজে সমাধিব পাৰিছিল। কিন্তু আমি জানো যে, চৰকাৰৰ বাহিৰেও কেন্দ্ৰীয় চৰকাৰৰ নেতৃবৃন্দৰ সাহায্য আৰু আমাৰ সেই সময়ৰ বিৰোধি দলৰ সাহায্যতহে এই কৰ্ম্মচাৰী সকলৰ আন্দোলন শাম কাটিছিল। এই সম্পৰ্কত নতুন চৰকাৰক কব বিচাৰিছো যে, বিৰোধী দলে যিবোৰ সহায় সহযোগিতা কৰে তাক যাতে আমি স্বীকৃতি দিও আৰু ভৱিষ্যতেও চৰকাৰে যাতে স্বীকৃতি দিয়ে সেয়ে আশা কৰো। অতীতৰ চৰকাৰে এইটো কৰা নাছিল।

অৰ্থনীতিৰ সম্পৰ্কত মই আন এটা কথা কব খুজিছো ঃ ইয়াত সুস্পষ্ট ভাবে যিখিনি কথা লিখা হৈছে তাত আমি দেখিবলৈ পাইছো যে, ভিক্ষা আৰু দয়াৰ ওপৰত

ভিত্তি কৰিহে অসমৰ মানুহক চলোৱা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ পৰা কিমান কোটি টকা সাহাৰ্য্য পালে, চৰকাৰৰ তহবিলৰ পৰা কিমান টকা পোৱা হল সেইটো কোৱা হৈছে। আনহাতে আজি আমাৰ দেশৰ শতকৰা ৬০ ভাগ লোক দৰিদ্ৰতৰ সীমাৰেখাৰ তলত, তেওঁলোকৰ অৱস্থা বছৰে বছৰে কিমান উন্নত হৈছে সেই বিষয়ে এটা খতিয়ান দিয়া হোৱা নাই। দৰিদ্ৰ, ভোকাতুৰ, কাপোৰ পিন্ধিবলৈ নোপোৱা, থাকিবলৈ ঠাই নোহোৱা মানুহৰ দেশ। এইখন দেশত বছৰে বছৰে কিমান মানুহে খাবলৈ পাইছে, কিমান মানুহে থাকিবলৈ ঠাই পাইছে সেই বিষয়ে এটা খতিয়ান দিব লাগে। অকল ভিক্ষা কৰি মানুহে পোহ ৰখা এটা পালমৰ খতিয়ান দিলেই নহব এই খাবলৈ নোপোৱা দৰিদ্ৰ দেশৰ লোকসকলৰ বছৰে বছৰে কিমান উন্নতি হয় তাৰ বিষয়ে এটা খতিয়ান দাঙি ধৰিব লাগিব এই নতুন চৰকাৰে।

অৰ্থনৈতিক দিশত আন এটা কথা কবখোজো যে, প্ৰত্যেক দেশৰ জীৱন নিৰ্বাহৰ যিটো মানদন্দ, সেইটো জোখ মাফ কৰিবলৈ আজি বিজ্ঞান সম্মত ভাবে নানা ব্যৱস্থা ওলাইছে। বিজ্ঞান সম্মত পৰিসংখ্যা ব্যৱস্থাৰ দ্বাৰা সমগ্ৰ দেশৰ এটা চিত্ৰ দাঙি ধৰা হব বুলি আমি আশা ৰাখিছো। অৰ্থনৈতিক পৰিস্থিতিৰ লগতে আৰু এটা কথা উল্লেখ কৰিছে যে, বানপানীয়েহে যেন কেৱল আমাৰ অৰ্থনৈতিক অৱস্থা বেয়া কৰি ৰাখিছে। বানপানীৰ কথা উল্লেখ কৰোতে বিশেষকৈ নলবাৰী মহকুমাৰ কথা কোৱা হোৱা নাই। যিটো মহকুমাত হাজাৰ হাজাৰ গৰু মহ মৰিল, আলি পদূলি নষ্ট হল, ঘৰ দুৱাৰ ভাঙি গল; অথচ তাৰ কথা ইয়াত উল্লেখ কৰা হোৱা নাই। আনহাতে মঙ্গলদৈ মহকুমাৰ চিপাঝাৰ, হিন্দুঘোপা আদিত বহুতো ঘৰদুৱাৰ ভাঙিল, মানুহ মৃত্যুৰ মুখত পৰিল, সেই কথাৰ কোনো ইংগিত দিয়া হোৱা নাই। ডিব্ৰুগড় নগৰৰ কথা কোৱা হৈছে কিন্তু তাত গাঁৱত বাস কৰা মানুহৰ কথা কোৱা হোৱা নাই। দিহিং নদীৰ পাৰত থকা মানুহৰ বানপানীৰ কৰাল গ্ৰাসত কি দূৰ্দ্দশা গ্ৰস্ত অৱস্থা হৈছে তাৰ কথা কোৱা হোৱা নাই। গতিকে আমি আশা কৰিছো যে, নতুন চৰকাৰে গঞা ৰাইজৰ প্ৰতিও নজৰ দিব আৰু মনকান দিব।

বানপানী নিয়ন্ত্ৰনৰ অৱস্থাটো বৰদৈখলগা হৈ আছে। বি, এফ, চি হোৱাৰ পিচতো আমাৰ কোনো উন্নতি হৈছে বুলি আমি নাভাবো। ব্ৰহ্মপুত্ৰৰ তলি খান্দি দ কৰিবলৈ ডাঙৰ জাহাজ অনা হৈছিল, কৰ টকা কেনেকৈ কত খৰছ কৰা হল সেই বিষয়ে আমি একো নাজানো। আশাকৰো আমাৰ নতুন চৰকাৰে বাননিয়ন্ত্ৰনৰ ক্ষেত্ৰত নতুন ব্যৱস্থা গ্ৰহন কৰিব। যোৱা ৩০ বছৰে আমাৰ অসমত বানপানীৰ সমস্যাটো সমস্যা হৈয়ে ৰল। অৱশ্যে বানপানী নিয়ন্ত্ৰৰ ক্ষেত্ৰতকেইটামান কথাকব লাগিব। আজিকালি বহুতো বিভাগ হল বি, এফ, চি হল, ইৰিগেচনহল কিন্তু আজি এই বিভাগ বিলাকৰ মাজত কোনো সহযোগিতা নাই। মই নিৰ্বাচনৰ পিচতে মহকুমাৰ বিভিন্ন বিষয়াৰ লগত গাই-গোটিয়া ভাবে আলোচনা কৰিছিলো আৰু তাৰপৰা বুজি পালো যে, তেওঁলোকৰ মাজত কোনো সহযোগিতা নাই। দেখা গৈছে যে এটা বিভাগৰ লগত আন এটা বিভাগৰ কোনো সহযোগিতা নাই। আজি ইৰিগেচন বিভাগে কিবা এটা কাম কৰিবলৈ ললে বাননিয়ন্ত্ৰন বিভাগে সহযোগ নকৰে।

গড়কাপ্তানি বিভাগৰ লগত সহযোগ নকৰাৰ ফলত জলসিঞ্চন বিভাগ ফেইল কৰিছে। এনেকুৱা ঘটনা উত্তৰ মঙ্গলদৈৰ বিভিন্ন অঞ্চল আৰু কামৰূপৰ বিভিন্ন অঞ্চলত হৈছে। পৰথিমাৰী নৈৰ দাইক অলপতে চাই আহিছো। উত্তৰ কামৰূপৰ পিনে কোনো কোনো ঠাইত পথাৰতকৈ সাত ফুট ওপৰলৈ নদী উঠি গৈছে। ইয়াৰ ফলত বিভিন্ন সময়ত বানপানী হয় আৰু মথাউৰী ভাঙিযায়। বাননিয়ন্ত্ৰন বিভাগে ব্যৱস্থা লব নোৱাৰে। আনহাতে গড়কাপ্তানি বিভাগৰ বহুত ৰাস্তা-পদূলি বিধস্ত হৈছে। আমি আশা কৰিছো বাননিয়ন্ত্ৰনৰ ন্যায়মত বেলেগ বিভাগ কৰাৰ লগে লগে তেওঁলোকৰ মাজত যাতে বিভিন্ন সহযোগ থাকে তাৰ ব্যৱস্থা কৰিব লাগে।

বাৰ্ষিক পৰিকল্পনাৰ কথা কোৱা হৈছে। ইয়াত দেখা পাইছো যে কেৱল টকাৰ হিচাব, অন্য একো নাই। এই পৰিকল্পনাৰ জৰিয়তে কি কৰিব বিচৰা হৈছে? যোৱা ৩০ টা বছৰে টকা খৰছ কৰিলো। চাৰিটা পৰিকল্পনা শেষ কৰি দিলো। আমি কিমান আগবাঢ়িলো কৰ নোৱাৰো। আমাৰ ৰাজ্যপালৰ ভাষণত অন্ততঃ এই পৰিকলপনাৰ জৰিয়তে আমাৰ অৰ্থনৈতিক মানদণ্ড, সামাজিক মানদণ্ড আৰু অন্যান্য মানদণ্ড কিমান উন্নত হৈছে সেই বিষয়ে এটা পৰিস্কাৰ ছবি থাকিব লাগে। তাৰ ওপৰিও কোন দিশত কিমান উন্নত কৰা হব সেই বিষয়ে কিছু কথা থাকিব লাগে।

কৃষি ক্ষেত্ৰত কোনো নতুন বিশেষ ধৰণৰ কথা পোৱা নাই। ইতিমধ্যে আমাৰ যিটো কৃষি বিভাগ আছে সেইটো বিভাগ এডভাইজৰী বৰ্ডলৈ ৰূপান্তৰিত হৈছে। কৃষিৰ শিতানত অনেক টকা খৰছ হৈছে। মই অলপতে বিষয়া সকলৰ লগত কথা পাতি যিটো গম পালো যে উপদেশ দিয়াৰ বাহিৰে কৃষি বিভাগৰ কোনো কাম নাই। মাজে মাজে ডেমনষ্টেচন কৰে। কৃষি বিভাগৰ পৰা সাৰ যোগান ধৰা কামটো উলিয়াই নিয়া হৈছে। সেই বিলাক কাম বেলেগ বিভাগত লোৱা হৈছে। কৃষি বিভাগত খৰছ কৰা হৈছে উপদেশ দিয়াৰ বাবে অৱশ্যে জনতা দলৰ কৃষি পৰিকল্পনা আমি আশা কৰা মতে যদি কাৰ্য্যকৰী কৰা হয়, তেনেহলে নিশ্চয় আমি উপকৃত হম। এটা এতিয়া বিজ্ঞপ্তি হৈছে যে পৰিকল্পনা বিলাক কাৰ্য্যকৰী কৰিবৰ বাবে গ্ৰামসেৱক সকলৰ ব্লকৰ পৰা লৈ অহাৰ দিহা কৰা হৈছে। নতুন গ্ৰাম্যসেৱক সৃষ্টি কৰাৰ প্ৰয়াস কৰা হৈছে, ব্লকটো উঠাই দিয়া নাই। এই ক্ষেত্ৰত ৰিচানেলাইজেচনৰ প্ৰয়োজন হৈছে বুলি ভাবো। ব্লকৰ লগত ইৰিগেচনৰ লগত কৃষি বিভাগৰ সংযোগ লাগে। লগতে সমবায়ৰ সংযোগ হব বুলি আশা কৰিছো। কৃষি বিভাগটো উপদেশ দিয়া বিভাগ কৰি নাৰাখি উন্নয়ণত সংক্ৰিয় ভাবে অংশ গ্ৰহণ কৰিব পৰা কৰক।

শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী :— সমৰ্থন কৰিছে নে বিৰোধিতা কৰিছে?

শ্ৰীনগেন শৰ্ম্মা :— সমৰ্থন কৰি কৈছো। আমি ৩০ বছৰে ধৈৰ্য্য ধৰিলো, মাননীয় সদস্য জনে অলপ ধৈৰ্য্য ধৰিলে ভাল পাম।

অধ্যক্ষ মহোদয়, ভূমি সম্পৰ্কত কিছু কথা কব লাগিব। যোৱা ৩০ বছৰে ভূমি সম্পৰ্কত যিবিলাক আইন হল, সেই আইন বিলাক কি ৰূপত আছে আমি ইতিমধ্যে উপলব্ধি কৰিছো। যোৱা ৩০ বছৰে কিছুমান মানুহক নজল-নাথল অৱস্থাত থৈ দিয়া হৈছে। চৰকাৰী মাটি দখল কৰিছে তামোল-পান বৰ্‌ঢ়া হৈছে, কিন্তু পট্টন দিয়া হোৱা নাই।

তেওঁলোকক পট্টন নিদিয়াৰ কাৰণ—যাতে তেওঁলোকে ভয়ত সেই সময়ত প্ৰশাসনত থকা যিটো দল, সেইটোক ভোট দিয়ে। মই তেনেকুৱা সুস্পষ্ট উদাহৰণ দাঙি ধৰিব পাৰো। মঙ্গলদৈ মহকুমাৰ উত্তৰ অঞ্চলত কোনো লোকক স্থায়ী ভাবে পট্টন দিয়া হোৱা নাই। আনকি একচনীয়া পট্টা ও দিয়া হোৱা নাই। দখল কৰা চাৰ্টিফিকেট দিয়া নাই। এইটো কৰাৰ কাৰণ হল যাতে ভীত হৈ শাসনত অধিষ্ঠিত দলক ভোট দি থাকে। এই ব্যৱস্থা নতুন চৰকাৰে ততালিকে নাইকীয়া কৰিব বুলি আশা কৰো।

আমি দেখা পাইছো যে বহু ক্ষেত্ৰত ৰাজনৈতিক কাৰণত ভি, জি, আৰ, আৰু পি, জি, আৰ বিলাকত পৰোক্ষ ভাবে দখল কৰিবলৈ দিয়া হৈছে আৰু দখলকাৰীক ভোটৰ কৰি ভোট দিয়াৰ ব্যৱস্থা কৰা হৈছে। বাহিৰত কোৱা হৈছে তেওঁলোকক দখল কৰিবলৈ দিয়া হোৱা নাই। মঙ্গলদৈ মহকুমাৰ ঝাৰগাঁও, পানবাৰী অঞ্চলত ভূমি সম্পৰ্কত দুৰাৰোগ্য ব্যাধি ভূগি আছে। উত্তৰ কামৰূপত তেনেকুৱা বহুত ঠাই আছে। ঠিক তেনে ভাবে

ভূমি সমষ্টিকৰণ আইন একেবাৰে কাৰ্য্যকৰী হোৱা নাই। চিলিং আইনৰ অনেক মেৰপাক আছে। সকলো মেৰপাকৰ যাতে নিৰ্ম্মূলকৰণ হয় তাৰ বাবে নতুন চৰকাৰৰ ওচৰত অনুৰোধ জনাও। দহ বিঘা মাটি থকা লোকক খাজনা ৰেহাই দিয়া হৈছে। আনহাতে ১৯৭২ চনৰ ভূমি ৰাজহৰ ওপৰত শতকৰা ত্ৰিশ ভাগ কৰ স্থগিত ৰখা হৈছে তাৰ বাবে নতুন চৰকাৰক অভিনন্দন জনাও।

জলসিঞ্চন ব্যৱস্থাৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ আঁচনি আমি যোৱা ত্ৰিশ বছৰে দেখি আহিছো। এতিয়া নতুন চৰকাৰে কিছু প্ৰগতিশীল আচনি লব খুজিলে এই ক্ষেত্ৰত কেইটামান কথা কব খোজো। প্ৰথম কথা হল জলসিঞ্চন আচনি লওতে কেনে ধৰণে আঁচনি ৰাইজক সংযোজিত কৰিব পাৰি তালৈ লক্ষ্য কৰিব লাগিব। সংযোজিত নকৰাৰ ফলত ঠিকাদাৰ ইঞ্জিনিয়াৰে কাম কৰি থৈ আহে লাখ লাখ টকাৰ প্ৰজেক্ট একেবাৰে কামত নলগা হৈছে। উদাহৰণ স্বৰূপে মঙ্গলদৈ মহকুমাৰ বিষয়ে কব খুজিছো : পৰ্বথমাৰী অঞ্চলত চন্দন নদীৰ ওপৰত বহু লাখ টকা খৰচ কৰি বন্ধদিয়া হৈছে; দুটা কেনেল খন্দা হৈছে; দুৰ্ভাগ্যবশত: তাৰ পানী নাই আৰু পানী দিব পৰা নাই। পানীৰ চৰ্চ্চা নাই। আনহাতে সেই মহকুমাত আন দুটা প্ৰজেক্ট আছে দিমিলা আৰু কালপানী খৰালি মহীয়া পানী নাপায়। বাৰিষাও প্ৰয়োজন অনুযায়ী পানী নাপায়, অকামিলা হৈ আছে এতিয়া মঙ্গলদৈ মহকুমাত ধনশিৰী প্ৰজেক্ট চলি আছে। তাত তিনিজন একজিকিউটিভ ইঞ্জিনিয়াৰ আছে। এক নংদোঙত এটা, দুই নংদোঙত এটা আৰু মূল বান্ধটোত এটা। সেই কামত আমাৰ যথেষ্ট সন্দেহ আছে। ইতিমধ্যে শুনিবলৈ পাইছো বান্ধৰ বহুত ভাঙিব লগা হৈছে। লাখ লাখ টকাৰ বান্ধ বেয়া হৈ গৈছে। তাৰ বাবে যি সকল দায়ী কাকো শাস্তি বিহা নাই তবে পৰা জল-সিঞ্চনৰ ক্ষেত্ৰত যিটো শ্ৰমিক বাহিনী আছে তেওঁলোকক কাম কৰিবলৈ ভালকৈ সুযোগ দিয়া নাই। এই শ্ৰমিক বাহিনী কাৰ্য্যকৰী কৰিব পাৰিলে নিশ্চয় কাম হলহেতেন। কিন্তু বিভিন্ন কাৰণত এই শ্ৰমিক বাহিনীক সুষ্ঠ ভাবে কামত লগোৱা হোৱা নাই। এই শ্ৰমিক বাহিনীক যাতে সুষ্ঠ ভাবে কামত লগোৱা হয় আৰু সংযোজিত কৰা হয় তাৰ বাবে নতুন চৰকাৰক অনুৰোধ জনাওঁ।

বনাঞ্চল আৰু ভূমি সংৰক্ষণৰ বিষয়ে কব বিচাৰিছো যে অসমৰ মাটিৰ যিটো পৰি-স্থিতি সেইটো বৈজ্ঞানিক পদ্ধতিমতে শতকৰা ৩৩ ভাগ বননি আছিল কিন্তু এতিয়া সেইটো কমি গৈ মাত্ৰ শতকৰা ৯ ভাগহে বননি আছে। ইয়াৰ ফল স্বৰূপে ভূমিস্কলন বেছি হৈছে। গতিকে বনাঞ্চল বৃদ্ধিৰ কাৰণে আমাৰ নতুন চৰকাৰে উপযুক্ত ব্যৱস্থা লব বুলি আশা ৰাখিলো। তাৰোপৰি অধিক মুকলি ভাবে বিশেষকৈ বিভিন্ন অঞ্চলত কেনেকৈ লাগতিয়াল বননি সৃষ্টি কৰিব পাৰি তাৰ কাৰণে অধিক প্ৰচেষ্টা চলাব বুলি আশা ৰাখিলো।

আনহাতে চৰকাৰে ভূমিস্কলন প্ৰতিৰোধৰ বাবে বিভিন্ন কাম কৰিছে কিন্তু সেইবিলাক মনঃপুত হোৱা নাই। মই উদাহৰণ স্বৰূপে মঙ্গলদৈ মহকুমাৰ বালিপাৰা অঞ্চলৰ এটা প্ৰজেক্টৰ কথা কব বিচাৰিছো। তাত কামো চলি আছে কিন্তু উলটাখণ্ডা প্ৰতিৰোধ কৰিবৰ বাবেও চেষ্টা চলাই আছে। সেইটো প্ৰধানকৈ জনজাতীয় লোকৰ এলেকা। কিন্তু তাত কি কথা হৈছে এতিয়াও ভালদৰে ধৰিব পৰা নাই। প্ৰত্যেক কামেই আধা কৰা হৈ থাকে। এটা কাম দুইবাৰ কৰা স্বত্বেও আধা কৰা হৈয়েই আছে অথচ অনুমান হয় তাত যেন বহুত লাখ টকা খৰচ হৈছে। কাগজ-পত্ৰৰ ওপৰতেই কাম কৰি আছে। ভূমি সংৰক্ষণ হব লাগে কাৰণ খেতিয়কৰ মাটি নোহোৱা হৈছে। গতিকে যাতে ভূমিৰ স্কলন নহয় তাৰ কাৰণে দৃঢ়ভাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। তাৰোপৰি অকল জনজাতীয় অঞ্চলতেই এই কাম আবদ্ধ নাৰাখি অন্ততঃ অজনজাতীয় অঞ্চল বিলাকলৈকো এই কাম সম্প্ৰসাৰণ কৰিব লাগে।

আনহাতে চপাই, চিনাকোনা মৌজ আৰু কপাতি অঞ্চলত ভূমি স্কলন যথেষ্ট পৰিমাণে আৰম্ভ হৈছে। এই গোটেই অঞ্চলটোত খেতিয়ক সকল যাতে ৰক্ষা পৰে তাৰ কাৰণে দৃঢ়ভাৱে কাম হাতত লবলৈ মই নতুন চৰকাৰলৈ নিবেদন জনাইছো।

স্বাস্থ্য সম্পৰ্কে কবলৈ গলে অলপ দুখ লাগে যে বিগত কেইটামান বছৰত আমাৰ স্বাস্থ্য বিভাগে স্বাস্থ্যৰ প্ৰতি মন-কণ নকৰা কথা আমাৰ বহুতো মাননীয় সদস্যই নিশ্চয় জানে আৰু এই স্বাস্থ্য বিভাগে কেনেকৈ মানুহ কমাব পাৰে তাৰ কাৰণেহে যথেষ্ট চেষ্টা চলাইছে— এই কথা বহুবাৰ বহুঠাইত আলোচনা বিলোচনা হৈ গৈছে। তথাপি কওঁযে স্বাস্থ্য বিভাগত যিটো কেৰোণ সোমাইছে— সেই কেৰোণ উভালিবৰ কাৰণে যথেষ্ট প্ৰচেষ্টা চলাব লাগিব। মই স্বাস্থ্য বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক জনাব বিচাৰিছো যে চিকিৎসালয় বিলাকত বিছনা থকা স্বত্বেও ৰোগী নাথাকে-সেই বিচনাবোৰ থাকে ডাক্তৰ, নাৰ্চ, কম্পাউণ্ডাৰ, চৌকিদাৰ আদিয়েহে ব্যৱহাৰ কৰে। মই উদাহৰণ স্বৰূপে কব বিচাৰিছো যে যোৱা নিৰ্ব্বাচনৰ পিচত খৈৰাবাৰী অঞ্চলত এখন বজাৰত জনই লগাত তাত কেৱাজনো মানুহ পুৰিল ফলত ওচৰতে থকা চিকিৎসালয়লৈ মানুহবিলাক অনা হল। কিন্তু দুখৰ কথা তাত কাগজে-পত্ৰই ছয়খন বিচনা আছে। আচলতে মানুহ থাকিব পৰাকৈ এখনো নাই। মই ইয়ালৈ আহিবৰ আগদিনাও তাত চাই আহিছো যে এতিয়াও এখনো বিচনা তাত দিব পৰা নাই। আনফালে তাত ৰোগীৰ নামত খাদ্য যোগান চলি আছে। বহুতো টকা খৰচ কৰি আছে-অথচ ৰোগীক এখনো বিছনা দিব পৰা নাই। মই মহকুমা মেডিকেল অফিচাৰ জনক মঙ্গলদৈত লগ ধৰি কথাটো কওঁতে— তেওঁ কয়, উপায় নাই। সেইকাৰণে মই কব বিছাৰিছো যে আজি এনে অৱস্হা অকল খৈৰাবাৰীতেই নহয় অসমৰ বিভিন্ন ঠাইত থকা চিকিৎসালয় বিলাকতো ৰোগী থকাৰ ব্যৱস্হা থকা স্বত্বেও ৰোগী নাৰাখে। ৰোগীৰ নামত বিভিন্ন মানুহে খাদ্য খাই আছে। ৰোগীৰ বিছনাত কোনোবা ভাল মানুহে শুই আছে।

মাতৃ মঙ্গল কেন্দ্ৰ আছে, কিন্তু তাত চেনিটেৰী লেট্ৰিন নাই। আও-পুৰণি বুটিছ যুগৰ ঘৰত সেই মাতৃ মঙ্গল কেন্দ্ৰ চলি আছে-কিন্তু চেনিটেৰী লেট্ৰিন নাই। ৰান্ধনী ঘৰত মাতৃ মঙ্গল কেন্দ্ৰ পাতিছে। তাত দুৱাৰ আছে কিন্তু খিৰিকি নাই ভেন্টিলেচন নাই। গতিকে মই আশা ৰাখিছো স্বাস্হ্যৰ বিষয়ে আমাৰ নতুন চৰকাৰে নতুন ধৰণে কাম আৰম্ভ কৰিব আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰিকল্পনা অনুযায়ী ৰাজ্যত নতুন বাতাবৰণৰ সৃষ্টি কৰিব।

শিক্ষা সম্পৰ্কে নতুন চৰকাৰে এটা প্ৰগতিশীল ব্যৱস্হা হাতত লৈছে তাৰ বাবে নতুন চৰকাৰক ওলগ জনাইছো। কিন্তু যিটো ব্যৱস্হাৰে শিক্ষা নীতি চলি আছে বা যোৱা ৩০ বছৰে যি ব্যৱস্হাৰে চলি আহিছে সেইবিষয়ে কব বিচাৰিছো যে তাক অনতিপলমে নতুন চৰকাৰে সংশোধন কৰি লব বুলি আশা ৰাখিলো। মই নিজে গাঁৱৰ অতি ভিতৰুৱা ঠাইৰ পৰা নিৰ্ব্বাচিত হৈ আহিছো। তাৰ যিবোৰ স্কুলত গাঁৱৰ লৰাছোৱালীয়ে পঢ়ে বোধ হয় গুৱাহাটীত থকা মানুহে সেইটো দেখিলে গা জিকাৰ খাই উঠিব। বহুতো লৰা-ছোৱালী আছে-চাল-বেৰ নোহোৱা ঘৰত বহি পঢ়ে, গছৰ তলত বহি পঢ়ে আৰু নাম ঘৰত পঢ়ে। চৰকাৰে চাকৰিয়াল বা শিক্ষক সকলক চৰকাৰী কৰণ কৰিলে। কিন্তু নতুন চৰকাৰক মই কব বিচাৰিছো যে মানুহক চৰকাৰী কৰণ কৰিলেই নহয়-তাৰ লগতে অসমৰ গাঁৱত থকা সকলো পাঠশালাকে নিজৰ হাতলৈ অনাৰ ব্যৱস্হা কৰক। আন আন চৰকাৰী স্কুলৰ দৰে সেইবিলাককো গঢ়ি তোলক। মই আশা কৰিছো আজি ৩০ বছৰৰ পাছত যি নতুন চৰকাৰ গঠিত হৈছে সেই নতুন চৰকাৰে অন্ততঃ আমাৰ ভৱিষ্যত পুৰুষ সকলে যাতে এনে আচহুৱা ধৰণৰ শিক্ষা লাভৰ দুৰ্যোগ ভোগ নকৰে। এই বছৰএই বাজেটত নতুন চৰকাৰে অন্ততঃ সমগ্ৰ অসমৰ সকলো প্ৰাইমেৰী স্কুল বিলাক নিজৰ হাতলৈ আনি তাৰ ঘৰ-দুৱাৰ বিলাক পুনৰ নিৰ্ম্মাণৰ ব্যৱস্হা কৰে।

বিশেষকৈ এম, ই, আৰু এম, ভি স্কুল বিলাকৰ অৱস্থা অতি শোচনীয়। তাত যিবিলাক শিক্ষক আছে-সেই সকলে আজি বহুত দিন ধৰি দৰ্ম্মহাই পোৱা নাই, কিছুমানৰ মঞ্জুৰীয়েই নাই। হিন্দী গ্ৰাণ্টৰ ক্ষেত্ৰত হিন্দীক ভাৰতৰ ৰাষ্ট্ৰীয় ভাষা হিচাবে লোৱা হৈছে। কিন্তু কিছুমান স্কুলত হিন্দীৰ গ্ৰাণ্টেই হোৱা নাই। বহুতো হিন্দী শিক্ষকে বিশেষকৈ আমাৰ মঙ্গলদৈ অঞ্চলত হিন্দীৰ শিক্ষক সকলে অবৈতনিক হিচাবে কাম কৰি আছে। তেওঁলোকৰ বাবে কোনো স্থায়ী ব্যৱস্থা কৰা হোৱা নাই। এম, ভি স্কুলত থকা ইংৰাজী শিক্ষকৰ ক্ষেত্ৰতো নানা ত্ৰুটি বিচ্যুতি আছে। মই আশা কৰিছো হাইস্কুল বিলাক যেনেকৈ চৰকাৰে চৰকাৰীকৰণ কৰিছে মই নাজানো নতুন চৰকাৰে এই ব্যৱস্থা ৰাখে নে বাতিল কৰে কিন্তু মই কৈছো চৰকাৰী কৰণ কেৱল মানুহক কৰিলেই নহয়-তাৰ লগতে স্কুল বিলাকো কৰিব লাগিব।তথাপি মই কব বিচাৰিছো যে শিক্ষাৰ ক্ষেত্ৰত ভয়ংকৰ এটা অৱস্থাৰ সৃষ্টি হৈছে। বৰ্ত্তমান যিটো অৱস্থাত চলি আছে-তাত দেখা যায় যে বহুতো স্কুলতেই কিছুমান সৰু সৰু সা-সৰঞ্জাম পোৱা নাই। একোটা সৰু দাস্তাবৰ কাৰণে, চকমাটিৰ কাৰণে, চিয়াহীৰ কাৰণে বা এখন ব্লেকবোৰ্ডৰ কাৰণে দৌৰ মাৰি গুৱাহাটীলৈ আহিব লাগে।

অৰ্থাত শাসন ব্যৱস্থা কেন্দ্ৰীভূত কৰা হৈছে। এলিমেণ্টৰি এডুকেচন বিভাগৰ পৰা অত্যাৱশ্যকীয় বস্তুবিলাক কিনি ইয়াৰ পৰা পাৰ্চেল কৰি পঠাই দিয়া হয় অথচ সেই বস্তু বিলাকো নিম্ন মান বিশিষ্ট। ফলত একো কাম-কাজত নালাগে। দুই তিনি মাহৰ ভিতৰতে নষ্ট হয়, ডাষ্টাৰ একোডাল এমাহতে নষ্ট হয়। বেঞ্চ-ডেস্ক আদিৰ কাৰণেও দিশপুৰলৈ আহিব লাগে। ইয়াৰ ফলত অযথা সময় আৰু ধন খৰচ হৈ আছে। এই বস্তু বিলাক মহকুমা বা চাৰ্কোল পৰ্য্যায়তে দিয়াৰ ব্যৱস্থা কৰি সামগ্ৰিক ভাৱে এই ব্যৱস্থা বিকেন্দ্ৰীকৰণ কৰিবলৈ মই নতুন জনতা চৰকাৰক আহবান জনাইছো।

চাহবাগানৰ পণ্ডিত সকলৰ কথা যিয়ে উপলব্ধি কৰিব পাৰে নিশ্চয় বুজিব পাৰিছে। আজিও আমাৰ দেশত এনে এচাম লোক আছে যিচাম পুঁজিপতিয়ে খাতি খোৱা মানুহৰ ল'ৰা ছোৱালী শিক্ষা-দীক্ষা লৈ আগবাঢ়ি যোৱাটো মুঠেই পচন্দ নকৰে। তেনে ক্ষেত্ৰত পৰোক্ষ ভাৱে হলেও তেওঁবিলাকে হেচা দিয়ে। ইয়াৰোপৰি দশম মান শ্ৰেণীলৈকে বিনামূলীয়া শিক্ষা ঘোষণা কৰাৰ পিচত এদুহকু বেঁচিচত নতুনকৈ খুলিব লোৱা স্কুল বিলাকৰ ক্ষেত্ৰত এক বিজুতিয়ে দেখা দিব। সেই কথাও এতিয়াই চিন্তা কৰাৰ সময় হৈছে। আজি আমাৰ এই বিধান সভালৈ কলেজৰ শিক্ষক বা হাইস্কুলৰ পৰা বহু কেইজন মাননীয় শিক্ষকেই বিধায়ক হিচাবে নিৰ্বাচিত হৈ আহিছে। স্কুল কলেজৰ সংক্ৰান্তত থকা আসোঁৱাহ সমূহ দূৰ কৰাত সুস্থিৰ চিন্তাধাৰাৰে সিসকলে সহায় কৰিব পাৰিব। তেনেকৈয়ে কাৰিকৰী বিদ্যালয় বা অনুষ্ঠান সমূহৰ পৰাও বিধায়ক হিচাবে ইয়ালৈ অহাৰ সুযোগ সুবিধা থাকিলে সেই সকল বিশেষজ্ঞৰ পৰাও কাৰিকৰী বিষয়সমূহত যথেষ্ট মূল্যাবান পৰামৰ্শ পোৱা যাব। মই নতুন চৰকাৰক অনুৰোধ জনাইছো যাতে সেই সকলৰ মাজৰ পৰাও বিধায়ক নিৰ্বাচন কৰাৰ ব্যৱস্থা কৰি বিধান সভাত তেনেকুৱা কাৰিকৰী বিশেষজ্ঞৰো দল একোটা হত কৰিব পৰা যায়। বিশ্ববিদ্যালয়ৰ স্বায়ত্বশাসন পূৰ্ব্বৰ চৰকাৰৰ দিনত যথেষ্ট পৰিমাণে খৰ্ব কৰি চৰকাৰী বিভাগ এটাৰ নিচিনা ব্যৱহাৰ কৰা হ'ল যদিও এতিয়া নতুন চৰকাৰে বিশ্ববিদ্যা-লয়ৰ বাতাবৰণ সুস্থিৰ আৰু পৱিত্ৰ ৰাখিবলৈ আৰু শিক্ষাৰ ক্ষেত্ৰত আহুকালৰ সৃষ্টি নহবলৈ বিশ্ববিদ্যালয়ক সম্পূৰ্ণ স্বায়ত্বশাসন দিয়াৰ ব্যৱস্থা কৰিব লাগে।

উদ্যোগৰ ক্ষেত্ৰত ক্ষুদ্ৰ উদ্যোগৰ জৰিয়তে গ্ৰামাঞ্চলত গ্ৰাম্য ঔদ্যোগীকৰণৰ গাঁথনিগত সা-সুবিধাৰ সৃষ্টিৰ অৰ্থে এক বিস্তৃত অঞ্চলত গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনি গ্ৰহণ কৰাৰ যি প্ৰতিশ্ৰুতি দিছে তাৰ পৰিপ্ৰেক্ষিতত উদ্যোগৰ ক্ষেত্ৰত বিজ্ঞানসন্মত অধ্যয়ন হোৱা নিতান্ত

উচিত বুলি ভাবো। আশাকৰো নতুন চৰকাৰে এই ব্যৱস্থাকে নতুন দিশৰ প্ৰথম পদক্ষেপ বুলি আগবাঢ়ি আহিব। নিবনুৱা সকলক বনুৱা কৰা, ৰাইজৰ প্ৰকৃত উপকাৰত অহা আৰু প্ৰত্যেকজন ব্যক্তিকে কামত খটুৱাব পৰা ব্যৱস্থা কৰিব পাৰিলেহে এই ক্ষেত্ৰত প্ৰকৃত প্ৰতিশ্ৰুতিৰ মূল্যায়ণ কৰা হব।

পৰিবহনৰ ক্ষেত্ৰত কবলৈ বাধ্য হৈছো যে প্ৰথম দ্বিতীয় আৰু তৃতীয় পৰিকল্পনাত সম্পূৰ্ণ কৰা আলিবাটবোৰ মেৰামতি কৰিবলৈও এতিয়া কোনো ব্যৱস্থা নোলেৱাৰ ফলত বহুত ঠাইত বাচ চলাচল পৰ্য্যন্ত বন্ধ হৈ আছে। উদাহৰণস্বৰূপে মঙ্গলদৈ মহকুমাৰ কলাইগাঁও-হাৰিশিঙা-ওদালগুৰিৰ ৰাষ্টা আৰু ৰঙামাটি-বেঙবাৰী ৰাস্তা। মই ইঞ্জিনিয়ৰৰ লগত কথা পাতিছো আৰু ৰাস্তাৰ দূৰৱস্থাৰ কাৰণেই বাচ-চলাচল কৰিব পৰা নাই বুলি জনাইছে অথচ ৰাস্তা মেৰামতি কৰিবলৈ হেনো টকা নাই। কোনো ঠাইত ৰাস্তা অলপ ভাল থাকিলেও বানপানীয়ে দলং উঠাই নিয়াৰ পিচতো কোনো ব্যৱস্থা কৰা নাই।

Shri DHANIRAM RONGPI:—Mr. Speaker, Sir, I want to draw your attention to a certain matter. One Hon'ble Member sitting in front of the Hon'ble Member presently speaking on 'Governor's address' is going out and coming in crossing the line between the Hon'ble Speaker and the Hon'ble Member who is on his feet.

Shri DULAL CHANDRA BARUA (Minister) :

Sir, he is a new Member and it will take sometime for him to adjust himself to the rules and regulations. Such things happened in the past also. However, I am thankful to the Hon'ble Member for pointing out the lapse.

Shri DHANIRAM RONGPI: I am just bringing it to the notice of the Hon'ble Speaker.

Mr. Speaker:—I take note of it. Shri Sarma is to continue.

শ্ৰীনগেন শৰ্ম্মা ঃ—অধ্যক্ষ মহোদয়, আপুনি অৱগত আছে যে একোটা আলিবাটৰ ক্ষেত্ৰত কিছুমান তথ্য-পাতি ডাঙি ধৰিলে বহু কথাই ওলাই পৰিব, বহু লক্ষ্য টকা আলিবাট বন্ধাৰ নামত খৰচ হৈ গৈছে কিন্তু সেইবিলাক ঠাইত হয়তো এটা শিলগুটিও পৰা নাই, মই মাত্ৰ এটা উদাহৰণ দিব বিচাৰিছোঁ সেইটো হ'ল এই যে বাইহাটা চাৰিআলিৰ পৰা উত্তৰ লক্ষীমপুৰলৈ যিটো আলিবাট আছে সেইটো যোৱা বছৰ ঠায়ে ঠায়ে একেবাৰে বিধ্বস্ত হৈ গৈছে কিন্তু সেই ৰাস্তাৰ মেৰামতিৰ নামত বহু লক্ষ্য টকা খৰচ হৈ গৈছে এই বিষয়ে বৰ্ত্তমান পি, ডাব্লিউ, ডিৰ মন্ত্ৰী ডাঙৰীয়াই গম পায়। থিক তেনে ধৰণে বহু লক্ষ্য টকা পেক্ৰ তৈয়াৰৰ নামত খৰচ হৈ গৈছে। নতুন চৰকাৰে যাতে এইবিলাক কথাৰ প্ৰতি বিশেষ চকু দিয়ে তাৰ বাবে অনুৰোধ জনালো। এতিয়া নতুন চৰকাৰে ব্ৰহ্মপুত্ৰৰ ওপৰত যি তিনিখন নতুন দলংৰ কথা কৈছে সেইটো আমাৰ বাবে আশাসূচক প্ৰস্তাব আৰু তাৰ কাৰণে আমি নতুন চৰকাৰৰেক অভিনন্দন জনাইছোঁ। কিন্তু এই দলং যাতে আগৰ চৰকাৰে আশা দি কৰিব নোৱাৰা অৱস্থা নহয় তাৰ বাবে আমি নতুন চৰকাৰক সকিয়াই দিব বিচাৰিছোঁ।

নগৰ আৰু গাঁও পৰিকল্পনাৰ নামত যোৱা ৩০ বছৰে কি হৈ গ'ল সেই বিষয়ে নকলেও হব, কৰ্ণাচলৰ ওচৰত কিছুমান ঘৰ বান্ধিছে সেই বিলাক মাত্ৰ ২।৩ বছৰৰ ভিতৰতে প্ৰায় ধ্বংস প্ৰাপ্ত হৈছে আৰু সেই ঘৰ বিলাক বান্ধোতে যিমান টকা খৰচ হৈ গৈছে তাতোকৈ

বহুত বেচি পৰিমাণে মেৰামতি কৰোতে খৰচ হৈছে। আকৌ পাণ্ডুৰ ওচৰত অভাৰ ব্ৰীজৰ সিফালে এটা কলোনি গঢ়ি উঠিছে তাত কিছুমান হোম-গাৰ্ড জাতীয় মানুহ আছে তাত যিবিলাক ঘৰ বান্ধিছে সেইবিলাক নগৰ পৰিকল্পনা বিভাগ আৰু হাউচিং বোৰ্ডে বান্ধিছে, সেই ঘৰ বিলাকত যিবিলাক টিং দিয়া হৈছে সেইবিলাক গেলভেনাইজদ নহয় আৰু সেই কাৰণেই ঘৰবিলাক মাত্ৰ ডেৰ বছৰৰ ভিতৰতে নষ্ট হৈ গৈছে আৰু সেই ঘৰবিলাকৰ টিং বিলাক এবছৰ ভিতৰতে সলনি কৰিব লগীয়া হ'ল। ইয়াত কোৱা হৈছে ৮ খন নগৰৰ মাষ্টাৰ প্লেন কৰা হৈছে আৰু এই বিষয়ে আমি বহুত দিনৰে পৰাই শুনি আছো, নগাঁওত এই নগৰ পৰিকল্পনাৰ নামত বহুত লক্ষ্য টকা খৰচ হৈ গ'ল। আকৌ কৰ্ণাচলত বোৰ্ডে যি ১২ লাখ টকাৰ ঘৰ বন্ধোৱা আঁচনি লৈছিল তাত কোনো টেণ্ডাৰ দিয়া হোৱা নাছিল ইয়াত ৰাজনৈতিক উদ্দেশ্য নিহীত থকা যেন অনুমান হয়। যিবিলাক কণ্ডিশ্যন ফুলফিল হব লাগে সেইবিলাক ফুলফিল নকৰাকৈ কামটো কৰা হ'ল, গতিকেই নতুন চৰকাৰে যাতে এই বিষয়ে চকু দিয়ে আৰু এটা অনুসন্ধান চলায়।

নগৰ আৰু গাওঁ বিলাকৰ আৰু এটা অসুবিধাৰ কথা মই কব বিচাৰিছোঁ সেইটো হ'ল খোৱা পানীৰ অভাব ,যোৱা ৩০ বছৰে খোৱা পানীৰ ব্যৱস্থাখিনিয়ো কৰা হোৱা নাই,‍ মঙ্গলদৈৰ মানুহে আজিও পুখুৰীৰ পানী খাই দিন নিয়াইছে অথচ এই পানী যোগানৰ ক্ষেত্ৰত বছৰে বছৰে টকা খৰচ হৈ আছে। মই গাওঁৰ পৰাই আহিছোঁ আৰু গাৱৰ কথ ভালদৰে জানো, মাননীয় সদস্য সকলে যি খোৱা পানী অভাৱৰ কথা কৈছে আৰু বিলৰ পানী খোৱা কথা কৈছে সেইটো সচাঁ, মই আশা ৰাখিছোঁ নতুন চৰকাৰে, কেন্দ্ৰীয় চৰকাৰে যি খোৱা পানী যোগানৰ আঁচনি লৈছে সেই বিষয়ে যাতে যত্নপৰ হৈ পানী খিনি অন্তত সময় মতে দিব। তাৰোপৰি সেই সমগ্ৰ অঞ্চলটো মেলেৰীয়া অধ্যুশিত অঞ্চল গতিকে তাত খোৱা পানী টোপাৰ অন্তত ব্যৱস্হা খিনি কৰিব বুলি আশা কৰিলো। এই ক্ষেত্ৰত মঙ্গলদৈ নগৰত ৫ লাখ মান টকা দ্বিতীয় পৰিকল্পনাতেই এনেয়ে খৰচ হৈ গ'ল এতিয়া আকৌ হৈ আছে কিন্তু পানী যোগানৰ ব্যৱস্হা হলে নহল। গতিকে মই আশা ৰাখিছো যাতে এই খোৱা পানী টোপাৰ ব্যৱস্হা ততালিকে কৰে।

প্ৰশাসন যন্ত্ৰৰ সংস্কাৰৰ ক্ষেত্ৰত মই সুস্পষ্ট ভাবে কও যে এই শাসন যন্ত্ৰটোৰ এটা আমূল পৰিবৰ্ত্তন আনিব লাগে, এই শাসন যন্ত্ৰটো এটা অচল টকা, কিয়নো ভাৰতবৰ্ষৰ শতকৰা ৭০ ভাগ মানুহে আৰু তাতোকৈ বেচি ভাগ মানুহে এই শাসন যন্ত্ৰটো বুজি নাপায় আৰু কেনেদৰে এই শাসন যন্ত্ৰটো চলিছে সেই বিষয়ে একো ভুকে নাপায়, গতিকেই ইয়াক অচল টকা বুলিছে। বৃটিছৰ উপনিবেশ ৰাজত্ব ৰাখিবলৈ যি ব্যৱস্হা কৰা হৈছিল থিক তেনে ধৰণৰ শাসন ব্যৱস্হাই ইয়াত চলি আছে। গতিকেই এই শাসন ব্যৱস্হা একেবাৰে অচল হৈ গৈছে, অকল চৰকাৰ পৰিবৰ্ত্তন কৰিলেই নহব শাসন ব্যৱস্হাটো পৰিবৰ্ত্তন কৰিব লাগিব। এই শাসন ব্যৱস্হাই আজি ৰাইজৰ কুশল কৰা না কেৱল ৰাইজক শোষন কৰিছে। গতিকেই এই শাসন ব্যৱস্হাৰ দ্বাৰা আমাৰ সমস্যা কেতিয়াও সমাধান নহয়। আমি বিচাৰো যাতে আমাৰ শাসন ব্যৱস্হাত সৰ্বসাধাৰণ ৰাইজে অংশ গ্ৰহণ কৰিব পাৰে আৰু বুজি পায়। আমাক এটা নতুন ব্যৱস্হা লাগে যিটো ব্যৱস্হা ৰাইজে নিজেই আনি দিব কেৱল আমি ৰাইজৰ কাৰণে দুৱাৰ খন খুলি দিব লাগে। গতিকে মই আশা ৰাখিছোঁ যাতে ৰাইজক এই দুৱাৰ খন খুলি দিয়া হয় আৰু নতুন চৰকাৰে যাতে নতুন অৰ্থনৈতিক সামাজিক শাসন ব্যৱস্হা গ্ৰহণ কৰে।

মই এইখিনি কথা কৈয়েই ৰাজ্যপালৰ ভাষণৰ সম্পৰ্কত মোৰ ধন্যবাদ সূচক প্ৰস্তাৱটো এই পবিত্ৰ গৃহত উথাপন কৰিলো।

শ্ৰীনগেন বৰুৱা ঃ—মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণ উত্থাপন কৰি যি ধন্যবাদ সূচক প্ৰস্তাৱ উত্থাপন কৰিছে তাৰ সমৰ্থনত কেইটামান কথা মই সদনৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো। আজি ৩০ বছৰৰ পাচত সদনৰ পৰিবৰ্ত্তন হল। এই পৰিবৰ্ত্তন কি কাৰণে হল প্ৰস্তাৱৰ উত্থাপক ডাঙৰীয়াই কৈছে। আমাৰ সদনত পৰিবৰ্ত্তন, আমাৰ দেশৰ ৰাজনৈতিক, সামাজিক আৰু অন্যান্য দিশৰ পিচপৰা অৱস্থা লৈ চাই জৰ্জৰিত হৈ ৰাইজে এই পৰিবৰ্ত্তন আনিছে আৰু এই পৰিবৰ্ত্তন হৈছে ৰাজনৈতিক পৰিবৰ্ত্তন। এই ক্ষেত্ৰত আমাৰ জনসাধাৰণেও সহায় আৰু সমৰ্থন দিছে। তাৰ বাবে ৰাইজলৈ ধন্যবাদ জনাইছো।

অসমৰ ৰাইজে যি উদ্দেশ্য প্ৰনোদিত হৈ ৰাজনীতি পৰিবৰ্ত্তন আনিলে সেই উদ্দেশ্য সাফল্য মণ্ডিত কৰিবলৈ নতুন চৰকাৰে সম্পূৰ্ণ দায়িত্ব বহন কৰিব লাগিব। আমি বুজিব লাগিব আমাৰ ৰাজ্যৰ পৰিবৰ্ত্তনৰ মূল দাবী কি আৰু সেই দাবীলৈ লক্ষ্য ৰাখি আমাৰ চৰকাৰে কাৰ্যকৰী ব্যৱস্থা হাতত লৈ তাক কাৰ্যত ৰূপান্তৰিত কৰিবলৈ যত্ন কৰিছে। আমাৰ শতকৰা ৮০ ভাগ মানুহেই খেতিয়ক। আমাৰ অসমত দুই এখন ঠাইত বিজুলিবাতি আৰু দুই এখন দোকান থাকিলেও নগৰ বুলি কোৱা হয়। সাধাৰণ ভাবে কবলৈ গলে সমগ্ৰ অসমতে এটা গাৱলীয়া পৰিবেশ বিদ্যমান। কাৰণ ইয়াৰ শতকৰা ৮০ জন লোকেই খেতিয়ক। উদ্যোগ বৰ কম। ডিব্ৰুগড় শিৱসাগৰ আৰু লক্ষীমপুৰ জিলাত চাহ উদ্যোগ আছে। নগাওঁ দৰং-কামৰূপ জিলাত, দুই এখন চাহ উদ্যোগ আছে। তাৰ বাহিৰে অন্য উদ্যোগ আৰু নহল। যোৱা ৩০ বছৰে বনজ আৰু প্ৰাকৃতিক সম্পদ উদ্ঘাটনৰ যি পৰিমানৰ উদ্যোগৰ প্ৰয়োজন আছিল সেই প্ৰয়োজনলৈ লক্ষ্য ৰাখি উল্লেখ যোগ্য কোনো আঁচনি কৰিব নোৱাৰিলে। এনেকৈ পিচ পৰি ৰোৱা অসমৰ বিকাশৰ কথালৈ লক্ষ্য কৰি আজিৰ এই পৰিবৰ্ত্তন অনা হৈছে। কিন্তু বৰ দুখৰ কথা এই যে অসমত যোৱা নিৰ্বাচনৰ পূৰ্ববৰ্ত্তী কাল ছোৱাত ইয়াৰ উদ্যোগিক বিকাশৰ ক্ষেত্ৰত, অসমৰ অৰ্থনৈতিক বিকাশৰ নামত ইয়াত থকা প্ৰাকৃতিক সম্পদ ৰাজি ধ্বংস কৰাৰ হে ব্যৱস্থা কৰা হৈছিল। বনজ সম্পদৰে চহকী অসম ঋণ আৰু ইয়াৰ সম্পদ ৰাজি সংৰক্ষণ নকৰি নামত পাৰ্মিট দি আগৰ চৰকাৰে মূল্যবান গছ-গছনি বিলাক কাটি যিটো কোটি কোটি টকাৰ অপচয় ঘটালে তাৰ এটা ন্যায়িকতদন্ত হব লাগে। ইয়াৰ বাহিৰেও ৰাজনৈতিক স্বাৰ্থ পূৰণৰ কাৰণে আগৰ চৰকাৰে যিবিলাক জনবিৰোধী কাৰ্য্য কৰিছিল সেই বিলাকৰো এটা তদন্তৰ প্ৰয়োজন যাতে ভৱিষ্যতে এনে কোনো জন স্বাৰ্থৰ বিৰোধী কাম কৰাৰ প্ৰয়াস কৰিব নোৱাৰে।

আজি আমাৰ অথনৈতিক বিকাশৰ ক্ষেত্ৰত, নতুন চৰকাৰে কেইটামান নতুন পন্থা হাতত লব। সেই কেইটাৰ আভাষ, ৰাজ্যপালৰ ভাষণত ইতিমধ্যে কোৱা হৈছে। ইয়াৰ ভিতৰৰে এটা সমস্যা হৈছে-ভূমি সমস্যা। এই সমস্যা টো জটিলৰ পৰা আৰু জটিল হৈ পৰিছে বাহিৰৰ পৰা অহা লোকৰ কাৰণে। বিশ্লেষণ কৰি চালে দেখা যায় ১৯৬২ চনত যিটো জন সংখ্যাৰ হাৰ আছিল, তাতকৈ বহুতো সংখ্যা এতিয়া বাঢ়িলে। দৰং জিলা, শিবসাগৰ জিলা, গোৱালপাৰা জিলা, কামৰূপ জিলা আদিত যিটো জন সংখ্যা আছিল, ১৯৭১ চনত পোৱা পিয়লৰ হিচাব মতে তুলনামূলক ভাবে আগৰ হিচাবতকৈ বহু গুণে বাঢ়িলে। গোৱালপাৰা জিলাত ১৯৬২ চনৰ তুলনাত ১৯৭১ চনত ১২ লাখৰ ঠাইত ২২ লাখ পৰ্য্যন্ত হল। সেই হিচাবে, ১৯৬১ চনত কামৰূপ জিলাত থকা ১৮ লাখ জনসংখ্যাৰ ঠাইত ১৯৭১ চনত ২৮ লাখ হল গৈ। সেই দৰে দৰং জিলা আৰু নগাওঁ জিলাতো বাঢ়িছে। কিন্তু শিবসাগৰ জিলাত মাত্ৰ এক লাখ হে বাঢ়িছে। শিবসাগৰ জিলাত চাহবাগিছাৰ পিচপৰা লোক সকলো আছে। যদি জন্মৰ কাৰণে এই জনসংখ্যাৰ হাৰ বাঢ়িছে তেনেহলে সকলো ঠাইতে একেদৰে বৃদ্ধি হব লাগিছিল। যি ক্ষেত্ৰত শিবসাগৰ জিলাত মাত্ৰ একলাখ মানুহ বৃদ্ধি হয় তেনে অৱস্থাত, উল্লেখ কৰা অন্যান্য জিলা বিলাকত এই হাৰ কেনেকৈ বৃদ্ধি পালে ? এই ক্ষেত্ৰত বহিৰাগতৰ সোত

প্ৰতিৰোধ কৰিবৰ কাৰণে যি ব্যৱস্থাৰ প্ৰয়োজন আছিল সেই ব্যৱস্থা খিনি লোৱা নহল। তাৰেই ফল স্বৰূপে এই দুৰ্যোগ অৰ্থাৎ অৰ্থনৈতিক দুৰ্যোগ ঘটিল। ইতিমধ্যে ভূমি ক্ষেত্ৰত চৰ এলেকা, হাবি জংঘল আদি সকলোতে নিবৰ্বাবাদে বহিৰাগত সকলে বহিবলৈ আৰম্ভ কৰি দিছে। জৰুৰী কালীন অৱস্থাত লাখ লাখ মানুহক, লাখ লাখ বিঘা মাটি বিতৰণ কৰা হল বুলি যিটো অতিৰঞ্জিত টো উঠিছে দৰা চলতে সেইটো নহয়।

**শ্ৰীঅতুল চন্দ্ৰ গোস্বামী** ঃ— যিমান মাটি দিয়া বুলি কলে তিমান দেখোন মাটিয়েই নাই।

**শ্ৰীনগেন বৰুৱা** ঃ— মাটি সমস্যাটো আজি এটা সচাকৈ জটিল সমস্যা হৈ উঠিছে। মুখ্য মন্ত্ৰীয়ে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ সময়ত, প্ৰকাশ্যে আৰু দৃঢ় কণ্ঠে এই সমস্যা দূৰীকৰণৰ কাৰণে দায়িত্ব চৰকাৰে লৈছে বুলি ঘোষণা কৰিছে। সেই দায়ীত্ব সোনকালে পালন কৰিব লাগিব। পূৰ্ব্ববৰ্ত্তী চৰকাৰে মাটিহীনক মাটি আৰু গৃহ হীনক গৃহ দিয়া ব্যৱস্থাৰ যিবিলাক কথা কৈছিল সেই বিলাক সম্পূৰ্ণ ৰাজনৈতিক স্বাৰ্থ প্ৰণোদিত কৌশল আছিল। জৰুৰী অৱস্থাৰ কুৰ্কৃত্তি বিলাক লুকুৱাই ৰাখিবৰ কাৰণেই এই বিলাক বিষয়ত কিছুমান ভুল প্ৰচাৰৰ ব্যৱস্থা কৰা হৈছিল। ইয়াৰ দ্বাৰাই সেই সমস্যা বিলাক সমাধান কৰাৰ দূৰৰ কথা বৰং সেই সমস্যা আৰু অধিকতৰ জটিল কৰিহে তুলিলে।

তাৰ পিছত আন এটা সমস্যা, নিবনুৱা সমস্যাৰ ক্ষেত্ৰত কেইআষাৰমান কওঁ। অসমত যি বিলাক নিবনুৱা আছে তাৰ ভিতৰত নিয়োগ বিনিময় কেন্দ্ৰত নাম ৰেজিষ্টাৰ কৰা প্ৰায় ১৫ লাখ মানুহৰহে পৰিসংখ্যা চৰকাৰৰ হাতত আছে। কিন্তু যি বিলাক মানুহ গাৱঁত আছে, যি বিলাকৰ থাকিবলৈ ঘৰ নাই, খেতিকৰিবলৈ মাটি নাই, সেইবিলাকৰ পৰিসংখ্যা হলে আমাৰ চৰকাৰৰ হাতত নাই। গতিকেই এই সকল নিবনুৱাৰো পৰিসংখ্যা সোনকালে লোৱাৰ ব্যৱস্থা কৰিব লাগে। নিবনুৱা সমস্যা সমাধান কৰিব লাগে। অসমৰ শতকৰা ৭৫ ভাগ মানুহ আজি দৰিদ্ৰতাৰ সীমা ৰেখাৰ তলত বাস কৰিছে। এইটো অংক আজি চৰকাৰৰ দৃষ্টিগোচৰ হৈছে আৰু এইটো সমস্যা আজি সমাধান হোৱাটো বাইজে বিচাৰিছে। কোন বিলাক পথ অৱলম্বন কৰিব লাগিব তাৰো এটা ইংগিত নতুন চৰকাৰৰ ফালৰ পৰা দিয়া হৈছে। সৰু সৰু ক্ষুদ্ৰ কুটিৰ শিল্প বিলাক আমাৰ চৰকাৰে গ্ৰামাঞ্চল বিলাকত স্থাপন কৰিব লাগিব। তাৰ লগে লগে যি পৰিমাণৰ খেতি কৰা মাটি আমাৰ খেতিয়ক সকলৰ হাতত আছে সেইখিনিত যাতে বছৰৰ সকলো সময়তে খেতি কৰিব পাৰি তাৰ কাৰণে খেতিৰ নিত্য প্ৰয়োজনীয় দুটা ব্যৱস্থা — সাৰ আৰু পানী যোগানৰ ব্যৱস্থা চৰকাৰে কৰিব লাগিব। এইবিলাক কৰিব পাৰিলেহে আমাৰ মানুহৰ বিশেষকৈ গাৱঁলীয়া মানুহখিনিৰ যিটো ক্ৰয়শক্তিহীনতা সেইটো আঁতৰিব। সেইকাৰণেই নতুন চৰকাৰৰ আৰু নতুন দল যিটো আজি শাসনাধিষ্ঠিত হৈছে সেই দলৰ নিৰ্বাচনী ইস্তাহাৰতো এই কথা উল্লেখ কৰা হৈছে। খেতিয়কৰ সাৰ আৰু পানীৰ যোগান দিবপাৰিলে খেতিয়কৰ শতকৰা ৯০ ভাগ সমস্যা সমাধান হব। কেন্দ্ৰীয় চৰকাৰেও ঘোষণা কৰিছে সাৰৰ দাম কমা বুলি। গতিকে এক্দৰা মাটিতে বছৰৰ বাৰেও মাহ খেতি কৰিবৰ কাৰণে সাৰ আৰু পানীৰ যোগান ধৰিবপাৰিলে উৎপাদন বঢ়াৰ লগে লগে আমাৰ খেতিয়কৰ অৰ্থনৈতিক অৱস্থাই নহয় ৰাজ্যখনৰো অৰ্থনীতি উন্নত হব।

আজি গাৱঁৰ পৰা নগৰলৈ মানুহৰ সোঁত কিয় বব ধৰিছে? গাওঁ বিলাকত কোনো সংস্থানৰ উপায় নোহোৱাৰ কাৰণেই এই অৱস্থাটো ঘটিবলৈ পাইছে। উৎপাদন কৰা বস্তুখিনিও গাৱঁত ভালদৰে বেচিব পৰাৰ অৱস্থা নাই। ভাতৰান্ধনীৰ পৰা আৰম্ভ কৰি হোটেলত ভাতৰন্ধা, ৰিক্সাচলোৱালৈকে কাম কৰিবলৈ গাৱঁৰ পৰা সম্বল হীন লোক সকল আহিবলগীয়া হয়। গতিকে গাৱঁৰ মানুহ গাৱঁত ৰাখিবৰ কাৰণে গাওঁবিলাকৰ বিকাশ

কৰিবলাগিব। ইয়াৰ আগৰ চৰকাৰে যে'ৰা ত্ৰিশবছৰে গাওঁবিলাকৰ অৱস্থা এনেকৈ ৰাখিলে যে, সেইবিলাক ঠাইলৈ বাৰিখা যোৱা দূৰৰ কথা খৰকালিও যাব নোৱাৰা অৱস্থা। পূৰ্ব্ববৰ্ত্তী চৰকাৰে 'মিনিমাম্ নিড্‌ছ'ত কেইটামান ৰাস্তা কৰিলে। গড়কাপ্তানী বিভাগৰ চিডিউল মতে এক কিলোমিটাৰ ৰাস্তা কৰিবলৈ ৩০ হেজাৰ টকাৰ প্ৰয়োজন হয়। কিন্তু তাৰ চিডিউল বঢ়াৰ লগে লগে ৩০ হেজাৰৰ ঠাইত ৬০ হেজাৰ টকালৈকে উঠিল। তাৰোপৰি দলং, পোল, 'কালভাৰ্ট' আদি থাকিলে বেছি। যোৱা ছবছৰত ৰাস্তাঘাটৰ ক্ষেত্ৰত যি অলপ অচৰপ কাম হল, কোনো সমষ্টিত ৫ কিলোমিটাৰতকৈ বেছি ৰাস্তা নহল। ছবছৰ যদি এইটো নমুনা হয় তেতিয়াহলে, যে'ৰা ৩০ বছৰত কি হৈছিল সেইটো সহজেই অনুমেয়। গাঁৱলীয়া ৰাস্তাঘাট বিলাক এনেকৈ উন্নত কৰিবৰ কাৰণে নতুন চৰকাৰে দৃষ্টি নিক্ষেপ কৰিছে। আৰু তালৈ যাতে আমাৰ মানুহ সদায়েই অহাযোৱা কৰিব পাৰে। তালৈ দৃষ্টি ৰাখিছে ৰাষ্ট্ৰীয় পথ গাৱঁত নেলাগে। যি বিলাক পঞ্চায়তী ৰাস্তা আছে সেইবিলাককে উন্নত কৰাৰ কাৰণে ব্যৱস্থা লবলাগে। তাৰ কাৰণে আমাৰ নতুন চৰকাৰে আঁচনি লৈছে। এই আঁচনি বিলাক কাৰ্য্যকৰী কৰিবৰ কাৰণে প্ৰসাশনত তথা সংশ্লিষ্ট বিভাগত যিবিলাক কেৰোণ আছে সেইকেৰোণ বিলাক নিৰ্মূল কৰিবৰ কাৰণে নতুন চৰকাৰে দৃঢ়তাৰে ব্যৱস্থা লবলাগিব। প্ৰশাসন সবল নহলে কেতিয়াও এই কাম বিলাক নহব। আঁচনিবিলাকত যি পৰিমাণৰ টকা খৰচ কৰা হৈছিল সেইবিলাক টকাৰ সদ্ব্যৱহাৰ হোৱা হলে এতিয়া যিবোৰ কাম হৈছে তাতকৈ আৰু অধিক কাম হলহেঁতেন। ইয়াৰ কাৰণে বিভাগীয় কৰ্ম্মচাৰী সকলৰ মনতো অনুপ্ৰেৰণাৰো সৃষ্টি কৰিব লাগিব। চৰকাৰীকৰ্ম্মচাৰী সকলৰ বিভিন্ন স্তৰত যি বিলাক অভাৱ অভিযোগ আছে সেইবিলাক দূৰীকৰণৰ ক্ষেত্ৰতো চৰকাৰে উচিত আৰু ন্যায় বিচাৰ কৰিব লাগিব। কিয়নো বিভিন্ন স্তৰৰ কৰ্ম্মচাৰী বিলাকৰ মাজত পে-স্কেল আদিৰ ক্ষেত্ৰত থকা সমতাৰ অসোঁৱাহ বিলাক থকাৰ কাৰণেই কৰ্ম্মচাৰী বিলাক অসন্তুষ্ট আৰু সেই-বিলাকৰ কাৰণেই পূৰ্ব্ববৰ্ত্তী চৰকাৰৰ দিনত 'ষ্ট্ৰাইক' আদি সঘনেই হৈ আছিল। উন্নয়ণ-মূলক কামবিলাক কৰিবলৈ যাওঁতে প্ৰশাসনৰ দুৰ্ব্বলতা আতৰাই 'পজিটিভ্ এছপেক্ট' এটা সংযোজন কৰিবলাগিব। এনে ধৰণৰ বহু ক্ষেত্ৰত আমাৰ নতুন চৰকাৰে যথোচিত ব্যৱস্থা কৰাৰ আশা কৰিব পাৰিছো।

আন এটা কথা হল, আমাৰ মাটিৰ ক্ষেত্ৰত ১০ বিঘা লৈকে মাটিৰ খাজনা ৰেহাই দিয়াৰ ব্যৱস্থা কৰিছে যদিও আজি অসমত আমাৰ সৰ্ব্বসাধাৰণ খেতিয়কক ১০ বিঘালৈকেই মাটি নাই। আৰু তেনে লোকৰ সংখ্যা শতকৰা প্ৰায় ৮০ জন হব। গতিকে এই লোক সক-লক খাজনা ৰেহাই দিয়াটো সুচিন্তিত ব্যৱস্থা হৈছে। আৰু তাৰ কাৰণে মই আমাৰ নতুন চৰকাৰক ধন্যবাদ দিছো। আজি দেখা গৈছে যে, আমাৰ অন্যান্য উপাৰ্জনকাৰী সকলক ১০ হাজাৰ টকালৈকে ইনকামটেক্সৰ পৰা ৰেহাই দিয়া হৈছে কিন্তু আমাৰ খেতিয়ক সকলে গড় হিচাবে দিনে ৩ অনাকৈহে উপাৰ্জন কৰে। তেওঁলোকক এই খাজনাখিনি ৰেহাই দিয়াৰ ওপৰিও অন্যান্য উদ্যোগ আদিৰ জৰিয়তে তেওঁলোকক উপাৰ্জনক্ষম কৰি তেওঁ-লোকৰ পূৰ্ণবিকাশৰ সুবিধা দিব লাগে। অকল খেতিয়কৰ পৰা ৰাজহ লৈ আমাৰ চৰকাৰী পুঁজি টনকীয়াল কৰিব নোৱাৰি। গতিকে যিমান পৰা যায় এই খেতিয়ক সকলক অৰ্থ সমস্যাৰ পৰা ৰেহাই দি উৎসাহ উদ্দীপনা দিয়াৰ দিহা এই চৰকাৰৰ ফালৰ পৰা হব।

আজিলৈকে শিক্ষাৰ ক্ষেত্ৰত বেমেজালিৰ ওৰ পৰা নাই। আজিলৈকে যিখিনি বিত্তী আদি ছাত্ৰ সকলক দিয়া হৈছে তাকো সম্প্ৰদায়িক ভিত্তিত ধাৰ্য্য কৰাৰ কাৰণে প্ৰকৃততে ৰাজ্যৰ গৰীব ছাত্ৰ হিচাবে তেওঁলোকে কোনো লাভবান হোৱা নাই। বৰ্ত্তমানে ছাত্ৰ-ছাত্ৰী সকলকে ধৰ্ম্ম সম্প্ৰদায় নিৰ্ব্বিশেষে এই সুবিধা পাব এই ব্যৱস্থাৰ কাৰণে মই চৰকাৰক ধন্যবাদ দিছো। ইয়াৰ ওপৰিও আমাৰ দুখীয়া ছাত্ৰ-ছাত্ৰী সকলক আৱশ্যক মতে আৰু বেছি সুবিধা দিব লাগে। যেনে স্কুল ইউনিফৰ্ম, আৰু মধ্যাহ্ন ভোজন আদিৰ সা-সুবিধা

নিম্ন খাপৰ স্কুল বিলাকত সম্ভৱ হলে দিয়াৰ ব্যৱস্থা কৰিব লাগে। এই মধ্যাহ্ন ভোজনৰ ব্যৱস্থা অৱশ্যে কেইখনমান নিৰ্দ্দিষ্ট স্কুলত সৰু সৰু শিশুসকলক দিয়া হৈছিল কিন্তু এই ব্যৱস্থা সদৌৰ গাওঁলৈ প্ৰসাৰিত হোৱা নাই।

আমাৰ স্বাস্থ্যৰ ক্ষেত্ৰত বৰ্ত্তমান আমাৰ ৰাজ্যত বহুতো দুৰৱস্থা হৈছে। আমাৰ ৰাজ্যত তিনিখন মেডিকেল কলেজ হৈছে, কিন্তু এতিয়ালৈকে সাধাৰণ লোকৰ চিকিৎসাৰ কাৰণে সুব্যৱস্থা কৰিব পৰা নাই। কৃষক সকলৰ সমস্যাৰ ভিতৰত স্বাস্থ্য ৰক্ষাৰ ব্যৱস্থা গুৰুতৰ হৈছে ঠায়ে ঠায়ে কিছুমান 'চাব চেণ্টাৰ' কৰি দিছে যদিও তাত 'ডাক্তৰে' নাই 'নাৰ্চও' নাই আৰু ঔষধৰো যোগান ব্যৱস্থা কৰিব পৰা নাই। গতিকে প্ৰতি খন গাৱঁত বৰ্ত্তমানে একোটাকৈ কেন্দ্ৰ খুলি তাত এজন ডাক্তৰ, এগৰাকী নাৰ্চ আৰু চকিদাৰ এজনকৈ দিয়াৰ ব্যস্থা কৰিব লাগে। এই বিলাক নোহোৱাৰ ফলত আমাৰ মেডিকেল কলেজ হস্পিতাল বিলাকত ৰোগীৰ সংখ্যা অতিকৈ বাঢ়িছে ইয়াৰ উপৰিও কেনচাৰ আৰু টি, বি, ৰোগ দিনক দিনে বৃদ্ধি পাইছে। কেনচাৰ ৰোগৰ আৰোগ্যৰ চিকিৎসা ব্যৱস্থা নিগাজিকৈ ওলোৱা নাই যদিও টি, বি, ৰোগ নিয়ন্ত্ৰ আৰু চিকিৎসা ব্যৱস্থা আছে। প্ৰধানকৈ এই ৰোগটো দুখীয়া দুৰ্বল শ্ৰেণীৰ মাজতে অধিক। আজি আমাৰ ৰাজ্যত দুবেলা দুমুঠি খাবলৈ নাপায় বহুসংখ্যকলোকে নিজক পাহৰি থাকিবলৈ চুলাই মদৰ আশ্ৰয় লৈছে। সেই বিলাক মানুহেই এই বেমাৰত আক্ৰান্ত হোৱা দেখা যায়। গতিকে টি, বি, বেমাৰৰ প্ৰতিশোধক আৰু সেই বেমাৰ নিৰ্ম্মূল কৰিবলৈ গৰীব শ্ৰেণীৰ মাজত খাদ্যৰ ব্যৱস্থা কৰিব লাগে। এই সম্বন্ধে আমি প্ৰতিশ্ৰুতি দি আহিছো আৰু সেই প্ৰতিশ্ৰুতি আমি পালন কৰিব লাগে। এই কথা খিনিকে উল্লেখ কৰি আমাৰ নতুন নীতি সমূহৰ সমৰ্থনত মাননীয় ৰাজ্যপাল মহোদয়ে দিয়া ভাষণৰ ওপৰত অনা ধন্যবাদ সুচক প্ৰস্তাৱটো সমৰ্থন কৰি সামৰণি মাৰিছো।

* শ্ৰীশৰৎ চন্দ্ৰ সিংহ ঃ—মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্য পালৰ ভাষণত উল্লেখ কৰা বিষয় বিলাকৰ কাৰণে মাননীয় ৰাজ্যপালক ধন্যবাদ দি আমাৰ মাননীয় নগেন শৰ্ম্মা ডাঙৰীয়াই যি প্ৰস্তাৱ উতথাপন কৰিছে আৰু যি প্ৰস্তাৱটো শ্ৰীনগেন বৰুৱা ডাঙৰীয়াই সমৰ্থন দিছে তেখেত সকলৰ কথা শুনি

Voices : He must move the amendment first and then speak

মই মোৰ বক্তৃতা প্ৰসংঙ্গত শংশোধনী প্ৰস্তাবটো উতথাপন কৰিম। তেখেত সকলৰ কথা শুনি আমাৰ এগৰাকী দুৰ্ভাগ্য অনাথ ব্যক্তিৰ কাৰণে মই বৰ দুখিত হৈছো। সেই জন অন্য ব্যক্তি নহয়, ৰাজ্যপাল নিজেই। তেখেতে যিটো ভাষণ দিছে সেইটো তেখেতৰ নিজা মতামত নহয়। সেইটো চৰকাৰৰ পক্ষৰ পৰা লিপিবদ্ধ কৰা চৰকাৰী নীতি ৰাজ্যপালে মাত্ৰ এই সদনত পঢ়ি দিছে। নিয়ম মতে এনে ভাষণৰ দুটা বিষয়ে উল্লেখ থাকে।

HONOURABLE SPEAKER:—You may move the amendment.

Shri SARAT CHANDRA SINHA:—Another member also may move the amendment.

Shri BANESWAR SAIKIA:—Mr. Speaker Sir, I think there is a proceedure to move the amendment. The honourable member should may be allowed to speak like this.

Shri DULAL CHANDRA BARUA:—(Minister)Mr. Speaker Sir, As was done previously (kindly) allow the leader of the opposition to move the a nendment first. This is the pro edure.

HONOURABLE SPEAKER:—I am following the proceedure.

Shri PROMODE GOGOI:—First amendment can be moved by the leader of the Congress Party. Generally we move the amendment first. After moving the amendments we will have to speak That is the prec edure. (interruption).

Shri SARAT CHANDRA SINHA:—That at the end of the Motion of thanks moved by Shri Nagen Sarma M. L A. on the Governor's Address, the following be added.

"But regraets that the Governor's address has failed to mention and provide solution of the basic problems of the people of the Stat ".

অধ্যক্ষ ডাঙৰীয়া, এই সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰি মাননীয় সদস্য শ্ৰীনগেন শৰ্ম্মা ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদ সূচক প্ৰস্তাৱ আনিছে আৰু তাক মাননীয় সদস্য শ্ৰীনগেন বৰুৱাই সমৰ্থন কৰিছে তাত আমি আচৰিত হৈছো আৰু স্তম্ভিত হৈছো। এগৰাকী মহান ব্যক্তি ৰাজ্যপালক তেখেতসকলে যি আদৰ্শ দেখুৱাইছে তাক মই দুৰ্ভগীয়া আৰু অনাথবুলি কৈছো। ৰাজ্যপালে ভাষণ দিছে-ৰাজ্যপালৰ ভাষণত সাধাৰণতে তেখেতৰ চৰকাৰে কি কাম কাজ কৰিছে যোৱা বছৰত কি কৰিছে আৰু পৰবৰ্ত্তী বছৰত কি কাম কৰিব তাৰ উল্লেখ থাকে আৰু ৰাজ্যপালে তেখেতৰ ভাষণত চৰকাৰৰ মূলনীতি ঘোষণা কৰে। আগতে কি কাম-কাজ কৰিছিল আৰু ভৱিষ্যতে কি কৰিব তাৰ আভাষ পোৱা যায়। কিন্তু সেই ভাষণৰ ওপৰত যি ধন্যবাদসূচক প্ৰস্তাৱ আনিছে তাৰ কাৰণে নিন্দাহে কৰা হৈছে। সেই কাৰণে মই সদনৰ দৃষ্টি আকৰ্ষণ কৰিলো। ৰাজ্যপালে চৰকাৰ পক্ষৰ হৈ ভাষণ দিছে তেখেতক চৰকাৰ পক্ষই সমৰ্থন জনাব লাগিব কিন্তু তাৰ সলনি নিন্দা কৰিছে। আমি বিৰোধীপক্ষৰ মানুহ আমি সমৰ্থন নকৰো বিৰোধীতাহে কৰিম। (সদনত হাহাকাৰ হয়) শুনিবৰ ধৈৰ্য্য থাকিলে শুনিব।

শ্ৰীনুৰুল হুদা ঃ—গত বছরতো আপনারাই সরকার চালিয়েছেন। সেই সময় আপনারা কি করেছিলেন ? আপনাদেরও তীব্র নিন্দা করা হবে। কাউকেই ছেড়ে দেবনা।

——(গোলমাল)——

ধৈর্য্য ধরুন, অনেক বাকি আছে। অনেক কিছু বলা হবে।

——(গোলমাল)——

শ্ৰীশরৎ চন্দ্র সিংহ ঃ—রাজ্যপালের ভাষণে গত সরকারের কার্যকলাপ সন্নিহিত করা হয় নাই। সেটা রাজ্যপালের ভাষণে সন্নিহিত করা উচিত ছিল। যদি রাজ্যপালের ভাষণে তা উল্লেখ থাকতো তাহলে গত সরকারর কার্য্যকলাপ নিয়ে সমালোচনা করা সমিচীণ হতো। তাই বলছি,—রাজ্যপাল মহোদয় একজন অনাথ, ———

——(গোলমাল)——

আগৰ চৰকাৰে যদি কিবা বেয়াও কৰিছিল সেই কথাও ভাষণত উল্লেখ কৰা প্ৰয়োজন আছিল, সেই কথাটোৰহে মই সদনৰ দৃষ্টি আকৰ্ষণ কৰিছো। যোৱা বছৰত কি কাম কাজ হৈছিল আৰু বৰ্ত্তমানে কি কি কৰিবলৈ লৈছে সেই বিষয়ে ৰাজ্যপালৰ ভাষণত উল্লেখ থকা হলে কব লগা নাছিল কিন্তু ভাষণত সেই ধৰণৰ কথা নাই। (হাহাকাৰ) অধ্যক্ষ মহোদয়, ধৈৰ্য্যৰে যদি নশুনে, বাকবোধ কৰিব বিছাৰে তেনেহলে তাৰ কাৰণে আপুনি আমাক ৰক্ষা কৰিব লাগিব। আমাৰ কথা হৈছে ৰাজ্যপালৰ ভাষণত ৰাজ্যখনৰ এখন প্ৰতিচ্ছবি দাঙি ধৰিব লাগে। ৰাজ্যখনত চলা কাম-কাজৰ ৰাজ্যপালৰ ভাষণৰ জৰিয়তে ফুটি উঠিব লাগে। সেই ক্ষেত্ৰত যদি আগৰ চৰকাৰে কিবা দোষো কৰিছিল তাক শুনিবলৈ প্ৰস্তুত আছো। কিন্তু ৰাজ্যপালৰ নিচিনা এজন মহান ব্যক্তি তেওঁ ইয়াত ভাষণ দি গ'ল তাৰ পিচত আলোচনা বিলোচনা হব আৰু সেইখিনিক ৰক্ষনা-বেক্ষন দিবলৈ ৰাজ্যপাল নাহে চৰকাৰ পক্ষই দিব লাগিব। কিন্তু তৰ সলনি নিন্দাসূচক প্ৰস্তাৱহে লোৱা হৈছে। চৰকাৰী পক্ষই যদি সমৰ্থন নকৰে বিৰোধী পক্ষই তাক সমৰ্থন নকৰে। সেই কাৰণে তেখেতৰ ভাষণটো দুৰ্ভগা আৰু অনাথ হৈ পৰিছে।

* শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ(সংবাদী পৰিক্ৰমা মন্ত্ৰী) ঃ—অধ্যক্ষ মহোদয়, ইয়াৰ আগতে যেতিয়া তেখেত এইফালে আছিল তেতিয়াও এই সমালোচনাৰ সন্মুখীন হৈছিল। তেখেত এজন পুৰণা সদস্য আৰু বিৰোধীদলৰ নেতা হিচাবে ধৈৰ্য্য সহকাৰে আদৰ্শ দেখুৱালে নতুন সদস্য সকলে ভাল পাব। কিন্তু তাকে নকৰি তিৰোতাৰ বিয়াৰ পিচতে স্বামী মৰি বিধবা হোৱাৰ নিচিনাকৈ বিননী নকৰাই ভাল। তেখেতে এটা আদৰ্শ দাঙি ধৰিব লাগে।

**শ্ৰীঅতুল চন্দ্ৰ গোস্বামী** ঃ—চাৰ নম্ৰভাবে কোৱা উচিত————

**শ্ৰীধনী ৰাম ৰংপী** ঃ—চাৰ আমি আগতে দেখিছো বিৰোধীদলৰ দলপতি জনে কবলৈ উঠিলে কোনেও দিস্তাৰ্ব নকৰে কিন্তু এইবাৰ অলপ বেলেগ দেখিছো। (হাহাকাৰ, একো শুনা নাযায়)

* শ্ৰীশৰৎ চন্দ্ৰ সিংহ ঃ—মই বিধবা নহয় আৰু বিলোপো কৰিবলৈ অহা নাই। মই বিনীতভাবেই কৈছো মাননীয় মন্ত্ৰী শ্ৰীদুলাল চন্দ্ৰ বৰুৱা দেৱে কোৱাৰ দৰে মই বিনীতভাবেই, বিনম্ৰভাবেই কৈছো ৰাজ্যপালৰ ভাষণখনত ৰাজ্যখনৰ প্ৰতিচ্ছবি থাকে।

মই কৈছো যে ৰাজ্যপালৰ ভাষণত যোৱা বছৰৰ কাম-কাজৰ প্ৰসংশৰ কথাহে আছে নিন্দা সূচক কথা নাই।

শ্ৰীগোলক কাকতী ঃ—সেই একেবোৰ কথাকেই বাৰম্বাৰ কৈ আছে।

শ্ৰীযোগেন গগৈ ঃ—অধ্যক্ষ মহোদয়, এই একেবোৰ কথাকেই কৈ থাকিলে আমাৰ পিচলৈ সময়ৰ নাটনি হব। জনসাধাৰণে আমাক কাম কৰিবলৈ পঠিয়াইছে।

* শ্ৰীশৰৎ চন্দ্ৰ সিংহ ঃ—সেই কাৰণে প্ৰস্তাৱটোত ৰাজ্যপালৰ ভাষণৰ বিৰোধিতা কৰাৰ কাৰণে মই ৰাজ্যপালক দুৰ্ভগীয়া আখ্যা দিছো।

অধ্যক্ষ ডাঙৰীয়া, ৰাজ্যপালৰ ভাষণৰ ওপৰত আলোচনা কৰাৰ আগেয়ে মই এটা ৰাজনৈতিক কথাৰ অৱতাৰণা কৰিব খুজিছো। অৰ্থাত ৰাজ্যপালৰ ভাষণত যি স্বৰূপ দাঙি ধৰিছে সেই কথা কব বিচাৰিছো। বৰ্ত্তমান চৰকাৰে নিৰ্বাচনত জিকি আহিছে। কিন্তু চাব লাগিব তেওঁলোকে ৰাইজৰ পৰা কিমান ৰায় পাইছে। এই চৰকাৰে মুঠ ভোটৰ মাত্ৰ শতকৰা ২৭ ভাগহে পাইছে। অসমৰ ইতিহাসত ইমান কম সংখ্যক ভোট পাই কোনো চৰকাৰে গঠন হোৱা নাই। মাত্ৰ এইবাৰহে হৈছে। ১৯৫২ চনৰ নিৰ্বাচনত চৰকাৰে ৫৩ দশক ৰায় পাইছিল, ১৯৫৭ চনৰ নিৰ্বাচনত ৫২ দশক, ১৯৬২ চনত ৪৮ দশক ৰায় পাইছিল। সেইদৰে ১৯৬৭ চনত পাইছিল ৪৩ দশক আৰু ১৯৭২ চনৰ নিৰ্বাচনত পাইছিল ৫৩ দশক ৰায়। আগৰ চৰকাৰ বিলাক দেখিলেই সহজে ধৰিব পাৰি যে ইমান কম সংখ্যক ভোট পোৱা নাছিল। মই অসমৰ কথাহে কৈছো। এইবাৰ কোনো দলেই সংখ্যা-গৰিষ্ঠতা নাপালে। সংখ্যা গৰিষ্ঠতা নোপোৱাৰ কাৰণে অন্য দলৰ লগত সহযোগ কৰি কোৱালিচন চৰকাৰ গঠন কৰিব লগা হৈছে। যিবিলাক দলে সমৰ্থন আগবঢ়াইছে তেওঁ-লোকৰ কাৰ্য্যপদ্ধতি আৰু আদৰ্শও জনতা চৰকাৰৰ লগত একে নহয়। সংখ্যা গৰিষ্ঠতা নোপোৱাকৈয়ে যেতিয়া তেওঁলোকে অন্য দলৰ সহযোগত চৰকাৰ গঠন কৰিব খুজিছে সেই বাবে তেওঁলোকৰ ভিতৰত কি বুজা পৰা হৈছে এই বিষয়ে জনাৰ প্ৰয়োজন হৈছে।

সেই কাৰণে আমি আশা কৰো মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিভিন্ন দলৰ লগত কি বুজাপৰাত চৰকাৰ গঠন কৰিছে সেইটো আমি জনা উচিত। কাৰণ কিছুমান বিৰোধী কথা ইয়াত সোমাই আছে। যেনে পি, টি, চি, য়ে উদয়াচল নামৰ এখন বেলেগ ৰাজ্যৰ দাবী কৰি আহিছে।

**শ্ৰীভুৱনেশ্বৰ বৰ্ম্মন** :—আপুনিও একসময়ত কমতাপুৰ ৰাজ্যৰ দাবী কৰিছিল।

* **শ্ৰীশৰৎ চন্দ্ৰ সিংহ** :—মই নাজানো চৰকাৰে সেই দাবী মানি লৈছে নে তেওঁলোকে সেই দাবী প্ৰত্যাহাৰ কৰিছে। এই কথা বিলাক জনসাধাৰণে ভালকৈ জনা দৰকাৰ। চৰ-কাৰে নিজকে সংখ্যা গৰিষ্ঠতা কৰিবৰ কাৰণে এগৰাকী মন্ত্ৰীয়ে গৈ অন্য দলৰ দুজন সদস্যক দলত্যাগ কৰাই সংখ্যা গৰিষ্ঠতা কৰাৰ ব্যৱস্থা কৰিছে।

(এই খিনিতে কেবাজনো সদস্যই এক লগে কয়)

**শ্ৰীনুৰুল হুদা** :— দলত্যাগর উপর কংগ্রেস সরকার প্রতিষ্ঠিতছিল। এ সম্বন্ধে আপনার বলার অধিকার নেই। কংগ্রেস দলের কোননৈতিক অধিকার নেই।

**শ্ৰীশরত চন্দ্র সিংহ** :— আছে। দল ত্যাগ সম্বন্ধেও বলার অধিকার আমার আছে।

***Shri DULAL CHANDRA BARUA** (Minister) : Hon'ble Speaker, may I draw your attention Sir. He was Chief Minister for a long time for 6 years and he is a matured man. In the Governors' address we cannot give the details of everything. Simply we hinted to the policy matters. Now we have given the past policy and also the present policy underlined in the address of the Governor. We cannot give details now. The detailed would be given in the budget speech of the Finance Minister.

(interruptions)

**Mr. SPEAKER**:– Please no interruption.

* শ্ৰীনৰেণ দত্ত ঃ—অতীতৰ জঘন্য ইতিহাসৰ কথা দাঙি নধৰাই ভাল । যোৱা ৩১ বছৰে জনতাই এই ইতিহাস দেখি আহিছে ।

* শ্ৰীশৰৎ চন্দ্ৰ সিংহ ঃ—অধ্যক্ষ ডাঙৰীয়া, ইয়ালৈ বিভিন্ন ৰাজনৈতিক দল আহিছে আৰু তেওঁলোকৰ আদৰ্শ আৰু দৰ্শনৰ বিষয়ে আলোচনা নিশ্চয় হব । এই বিষয়ে মুখ্য-মন্ত্ৰীৰ পৰা স্পষ্টিকৰণ হোৱাটো দৰকাৰ ।

অধ্যক্ষ ডাঙৰীয়া, ৰাজনৈতিক দুৰ্নীতিৰ পিচতে আন এটা কথা কব খুজিছো মন্ত্ৰী সভা সম্পৰ্কে । কাম আৰু কাজ, কথা আৰু কথা ৰখা কৰা এই দুটা সম্পৰ্কে । চৰকাৰ গঠন হোৱাৰ পিচতে মুখ্যমন্ত্ৰী শ্ৰীবৰবৰাই নিজেই ঘোষ্ণা কৰিছিল শতকৰা ১০ ভাগ সদস্যৰ মন্ত্ৰীসভা গঠন কৰা হব। কিন্তু মুখ্য মন্ত্ৰীয়ে সেই ঘোষণা ৰক্ষা নকৰিলে।

* শ্ৰীনগেন বৰুৱা ঃ—অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী ডাঙৰীয়াই সৰু মন্ত্ৰী সভাৰ কথাহে কৈছিল ।

* শ্ৰীশৰৎ চন্দ্ৰ সিংহ ঃ—বাৰ্তাৰ কাকতত ওলোৱা কথাহে মই কৈছো । তাত কৈছে—

The Chief Minister designate Shri Golap Borborah who returned from New Delhi to-day after holding discussion with the central Janata leaders said that the strength of the ministry would be keeping with the 10 percent norm set by the Adminstrative Reforms Committee Anyway the new Janata Government in the State would be much different from the one found during the Congress regime.

* Mr. SPEAKER—Hon'ble member should confine himself to the Governover's address,

* Shri ALTAF HUSSAIN MAZUMDAR—On a point of order Mr. Speaker Sir. The Hon'ble member who was the Chief Minister went to Delhi and said Mohendra Mohan Choudhury's ministry was a big ministry—that was the criticism. What was his number let him tell first.

Shri SARAT CHANDRA SINHA—This is not a fact.

Mr. SPEAKER—Hon'ble member should confine himself to the Governor's address.

*Shri DULAL CHANDRA BARUA (Minister)—Sir, may I be permitted to clarify one point. Sir, the hon'ble member is trying to misinterpret the whole thing. The percentage and the size of the Ministry has been fixed on the strength and on the basis of the strength of the membership of the entire House.

* শ্ৰীবীৰেন্দ্ৰ নাথ চৌধুৰী ঃ—অধ্যক্ষ মহোদয়, মাননীয় সদস্যজন একালত অসমৰ মুখ্যমন্ত্ৰী আছিল । তেখেতে তেতিয়া চমক প্ৰদ ভাষাত প্ৰকাশ কৰিছিল যে তেখেতৰ মন্ত্ৰী সভাখন আটাইতকৈ সৰু, কিন্তু তেখেতে অবাধে তেখেতৰ মন্ত্ৰী সভাৰ সদস্যৰ সংখ্যা ২৫ জনলৈ বৃদ্ধি কৰিছিল ।

(হুলস্থুল)

* Speech not corrected

* শ্ৰীশৰৎ চন্দ্ৰ সিংহ ঃ—অধ্যক্ষ ডাঙৰীয়া, মন্ত্ৰী সভাৰ সদস্য পোনতে ১২ জন হল, তাৰ পিছত চাৰিজন ৰাজ্যিক মন্ত্ৰী আৰু চাৰিজন সংসদী সচিব, সকলো মিলি মঠ কুৰিজন হল। আগৰ মন্ত্ৰী সভাৰ সদস্যৰ সংখ্যা আছিল ২৫ জন, কিন্তু দলৰ সংখ্যা আছিল ৯৫ জন অৰ্থাত এক পঞ্চমাংশ।

* শ্ৰীনবরূল হুদা ঃ—তখন বিধান সভায় সদস্য সংখ্যাছিল ১১৪। একথাটা আমাদের মাননীয় সদস্য এবং প্ৰাক্তন মুখ্যমন্ত্ৰী মহোদয় মনে রাখলে আমরা বাধিত হবো, তাছারা সে সময়ে তার মন্ত্ৰী সভার সদস্য সংখ্যা ছিল ২৫ জন ।

* শ্ৰীনগেন বৰুৱা ঃ—অধ্যক্ষ মহোদয়, মই মাননীয় সদস্যজনৰ পৰা জানিব বিচাৰিছো যে সংসদী সচিব কেইজন কাউন্সিল অৱ মিনিষ্টাৰৰ ভিতৰতে পৰেনে ? যদি পৰে মন্ত্ৰী সভাৰ ভিতৰৰ লোক বুলি গণ্য কৰা হয় নে নহয় ?

* শ্ৰীশৰৎ চন্দ্ৰ সিংহ ঃ—অধ্যক্ষ মহোদয়, মন্ত্ৰী সভাখন ৰাখিবৰ কাৰণে দলৰ সদস্যৰ সংখ্যাৰ ওপৰত নিৰ্ভৰ কৰে।

(গণ্ডগোল)

মই যিদৰে কথাটো উত্থাপন কৰিব খুজিছো সেইদৰে শুনি ললে ভাল হয় এতিয়া সদস্যৰ সংখ্যাৰ ফালৰ পৰা কথাটো ভাবিলে এনে হয় যে প্ৰতি তিনি জনৰ ভিতৰত এজন মন্ত্ৰী পৰে।

অধ্যক্ষ ডাঙৰীয়া, কথাটো যিদৰে ঘোষণা কৰা হৈছিল সেইদৰে কাম কৰা নহল। যদি সংসদী সচিব সকল মন্ত্ৰী, ৰাজ্যমন্ত্ৰী আদিৰ পৰ্য্যায়ত যদি নপৰে তেন্তে আকৌ তেখেত সকল কোন পৰ্য্যায়ত পৰে ? চৰকাৰৰ দলটো ৰাখিবৰ কাৰণে সেই সকলক সংসদী সচিব বুলি কোৱা হয়।

(গণ্ডগোল)

অধ্যক্ষ ডাঙৰীয়া, কথাকোৱাৰ তেখেত সকলৰ অধিকাৰ আছে, তেখেত সকলে কব পাৰে আৰু আমিও শুনিব পাৰো, ধৈৰ্য্য আছে। মই অনুৰোধ কৰিছো কথাবোৰ শুনাৰ পিচত যেন তেখেত সকলে কয়।

অধ্যক্ষ ডাঙৰীয়া, মই এতিয়া ৰাজ্যপালৰ ভাষণৰ ওপৰত দুআষাৰ কথা নিবেদন কৰিব খুজিছো।

(ধ্বনী-সত্ৰীয়া ভাওনাৰ নান্দী চলিল, এতিয়াহে আচল আৰম্ভ হব ।)

প্ৰত্যেক কথাৰে প্ৰস্তাৱনাৰ প্ৰয়োজন আছে। সেইকাৰণে ময়ো প্ৰস্তাৱনা ব্যাখ্যা কৰিলো। এতিয়াহে ভাষণ শুনক। চৰকাৰে যি নীতিৰ কথা ঘোষণা কৰিছিলে সেই নীতিৰ কথা ৰাজ্যপালৰ ভাষণত থাকিব লাগিছিল, কিন্তু সেয়া আমি নাপালো। মাননীয় সদস্য সোণেশ্বৰ বৰাই ঘোষণা কৰিছে যে মৌজাদাৰী প্ৰথা উচ্ছেদ হব লাগে, যোগেন মন্ত্ৰীয়ে ঘোষণা কৰিছে যে মচুৰ দাইল তিনি টকা দৰত দিব। এইদৰে যিবিলাক নীতি ঘোষণা কৰিছে সেই নীতিৰ কথা যদি বিধান সভাত ঘোষণা কৰিলেহেতেন তেন্তে ভাল আছিল। তেখেত সকলে ঘোষণা কৰা কোনো নীতিৰ কথাই ৰাজ্যপালৰ ভাষণত উল্লেখ নাই । সোনেশ্বৰ বৰা ডাঙৰীয়া যেতিয়া বিৰোধী দলত আছিল আৰু ৰাজ্যপালে যেতিয়া ইংৰাজী ভাষাত ভাষণ পাঠ কৰিছিল তেতিয়া প্ৰায় আধা ঘণ্টা সময় ধৰি তীব্ৰ প্ৰতিবাদ কৰিছিল।

কিন্তু অদৃষ্টৰ আজি কি পৰিহাস, সেইজন সদস্য চৰকাৰী পক্ষত থকা অৱস্থাতে ৰাজ্যপালে ইংৰাজীতে ভাষণ দিব লগা হল। ৰাজ্যপালে অসমীয়াতেই যে ভাষণ দিব লাগিব সেই কথা মই নকওঁ আৰু যি ভাষাতেই নিদিয়ক তাত মোৰ আপত্তি নাই। কিন্তু কথা হল যে তেখেত সকলে যি নীতিৰ কথা ঘোষণা কৰিছিল সেই নীতিৰ কথা ৰাজ্যপালৰ ভাষণত থাকিব লাগিছিল।

শ্ৰীনগেন বৰুৱা ঃ—আপুনি সাহিত্য কৰাই ভাল।

* শ্ৰীশৰৎ চন্দ্ৰ সিংহ ঃ— মই সাহিত্য কৰোঁ, কবিতা লিখোঁ, প্ৰবন্ধ লিখোঁ আৰু এইদৰেই সাহিত্যৰ সৃষ্টি কৰি বিপ্লৱৰ সৃষ্টিকৰিব লাগিব।

অধ্যক্ষ মহোদয় ৰাজ্যপালৰ ভাষণ সমৰ্থণ কৰোতে শ্ৰীনগেন বৰুৱা ডাঙৰীয়াই মাটিৰ কথা উল্লেখ কৰিছিল। অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত মাটিৰ কথা উল্লেখ নাই, খাজনাৰ কথাহে উল্লেখ আছে ১০ বিঘালৈকে মাটি খাজনা মাফ দিব, এইটো ভাল কথা, তাৰ কাৰণে চৰকাৰক উলগ জনাইছো। কিন্তু আজি যি সকল লোক মাটিহীন হৈ আছে সেই সকলৰ কথা কি ভাবিছে? সকলোকে মাটি দিয়া হৈছে বুলি কোৱা নাই। মাটিহীন মানুহ আজিও বহুত আছে। এই সংক্ৰান্তত নতুন চৰকাৰৰ স্পষ্টভাবে উল্লেখ থাকিব লাগিছিল। আজি তেখেত সকলৰ যি নিৰ্বাচনী প্ৰতীক 'হলধৰ', সেই 'হলধৰৰ' কথা ইয়াত উল্লেখ নাই। এই বিলাক কথা স্পষ্টভাবে উল্লেখ থাকিব লাগিছিল কিন্তু এই বিলাক ইয়াত উল্লেখ নাই। নিৰ্বাচনী ইস্তাহাৰত দিয়া প্ৰতিশ্ৰুতি বোৰ পালন কৰোতে বিলম্ব নহব বুলি মুখ্যমন্ত্ৰী মহোদয়ে কৈছে। কিন্তু নিৰ্বাচনী ইস্তাহাৰত দিয়া প্ৰতিশ্ৰুতিৰ কথা ৰাজ্যপালৰ ভাষণত উল্লেখ থাকিব লাগিছিল। কিন্তু সেই বিলাকো নাই গতানুগতিক ভাবে দুই এটা কথা আছে যদিও নিৰ্বাচনী ইস্তাহাৰত থকা গোটেই বিলাক প্ৰতিশ্ৰুতিৰ কথা ইয়াত নাই। নিৰ্বাচনী ইস্তাহাৰত বস্তুৰ মূল্য ৰোধ কৰাৰ যি বিলাক কথা আছিল সেই বিলাক ব্যৱস্থাৰ কথা ৰাজ্যপালৰ ভাষণত নাই। এখন তামোলৰ দাম ৫ পইচাৰ পৰা ৮ পইচা পালেগৈ। এই বিলাকৰ দাম ৰোধ কৰাৰ কাৰণে যি ব্যৱস্থা ৰাজ্যপালৰ ভাষণত থাকিব লাগিছিল সেই বিলাক ব্যৱস্থাৰ কথা নাই। আমাৰ ৰাজ্যখনত যি বিলাক লোক অনুন্নত হৈ আছে, যিবিলাক জনজাতীয় লোক আছে, যি সকল তপশীল ভুক্ত লোক আছে সেই বিলাকৰ উন্নয়নৰ কাৰণে যি বিলাক প্ৰতিশ্ৰুতি দিছিল সেই প্ৰতিশ্ৰুতি বিলাকৰ কথা ৰাজ্যপালৰ ভাষণত নাই। বস্তুৰ মূল্য সম্পৰ্কত কোনো ৰকমৰ উল্লেখ ইয়াত নাই। ইয়াত বস্তুৰ মূল্য কমাৰ পৰা ব্যৱস্থাৰ কথা উল্লেখ নাই। ১০ বছৰৰ ভিতৰত নিবনুৱা সমস্যা সমাধান, দৰিদ্ৰ লোক সকলক সহায় কৰাৰ কথা নিৰ্বাচনী ইস্তাহাৰত যি বিলাক আছে সেই বিলাকৰ উল্লেখ ৰাজ্যপালৰ ভাষণত নাই। ১০ বছৰৰ কাৰণে যি কাম আৰম্ভ কৰিব লাগিব সেই বিলাক কামৰ কথা ইয়াত থাকিব লাগিছিল। ১০ বছৰৰ ভিতৰত যি নিবনুৱা সমস্যা সমাধান কৰিবলৈ লৈছে সেই কাম এতিয়াও আৰম্ভ হোৱা নাই। এই ১০ বছৰীয়া কামটো কোন সময়ৰ পৰা আৰম্ভ হব সেই বিলাক কথাও ৰাজ্যপালৰ ভাষণত নাই। এই বিলাক কাৰণতেই মই এই সংশোধনী প্ৰস্তাৱ উত্থাপন কৰিছো। কাৰণ আমাৰ যি বিলাক মৌলিক সমস্যা এই মৌলিক সমস্যা বিলাক সমাধান কৰাৰ কাৰণে যি বিলাক ব্যৱস্থা লব লাগে সেই বিলাক ব্যৱস্থা লোৱাৰ কথা উল্লেখ নথকাত মই দুখ প্ৰকাশ কৰিছো। আগতে যি জন প্ৰস্তাৱকে প্ৰস্তাৱটো সমৰ্থণ কৰিছিল তেখেতেও দুখ প্ৰকাশ কৰিছিল। ময়ো তেখেতৰ লগতে সেই ধৰণেই দুখ প্ৰকাশ কৰিছো।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ ঃ—আমাৰ সংশোধনী বিলাক ললে ভাল হয়।

**Mr. Speaker** : Yes, yes, I will come to that.

* **Shri Giasuddin Ahmed** : Sir, there is a convention followed in this House that the members from different groups are serially asked to Speak..........

***Shri Promode Chandra Gogoi** : Sir, a Point of order. There are about 6 or 7 amendments which should be allowed to be moved first. Unless these are moved the members of the ruling party can be allowed to participate in the debate ?

**Mr. Speaker** : Yes, I allow you to move that.

**Shri Promode Chandra Gogoi** : Sir, I beg to move that " at the end of the Motion of Thanks moved by Shri Nagen Sarma, M.L.A. on the Governor's address, the following be added:—

"But regret to state that the Governor has failed to mention in his address the burning problems of land reform, distribution of lands to the landless, rising price of essential commodities, industrialisation based on natural resources and all round socio-economic progress of the Stats"

মাননীয় অধ্যক্ষ মহোদয়, এই সংশোধনী উত্থাপন কৰি ৰাজ্যপালৰ ভাষণত মই কব বিচাৰিছো যে ৰাজ্যপালে আৰম্ভনীতে যোৱা ফ্রেব্রুৱাৰী মাহত হৈ যোৱা নির্বাচনৰ কথা উল্লেখ কৰিছে। আৰু তেখেতে অসমৰ নির্বাচনী মণ্ডলীয়ে শান্তিপূর্ণ ভাবে নির্বাচন পাতি, নির্বাচিত কৰাৰ কাৰণে ধন্যবাদ জনাইছে। আৰু ময়ো আমাৰ দলৰ পক্ষৰ পৰা অসমৰ নির্বাচন মণ্ডলীক ইয়াৰ কাৰণে ধন্যবাদ জনাইছো। কাৰণ এই নির্বাচনৰ যোগেদি অসমত এটা নতুন ৰেকর্ড সৃষ্টি হৈছে। এই নির্বাচনত দৰাচলতে কংগ্রেছ পার্টিৰ সমর্থণ কমাই নহয়, যি জনতা দলে চৰকাৰ গঠণ কৰিছে এই জনতা দলে যোৱা লোকসভাৰ নির্বাচনত অসমত যিমান সমর্থণ পাইছিল এই নির্বাচনত সমর্থণ বহুদ পৰিমাণে কমিছে। যোৱা লোকসভাৰ নির্বাচনত অসমৰ জনতা পার্টিয়ে ৩৫·৭৮ ভোট পাইছিল। কিন্তু যোৱা বিধান সভাৰ নির্বাচনত জনতা পার্টিয়ে ২৭·৫৬ ভাগ ভোট পাইছে।

**শ্রীগোলাপ বৰবৰা (মূখ্যমন্ত্রী)** :—৭৫ ভাগ নহয় ৩৫ ভাগহে হব।

শ্রীপ্রমোদ চন্দ্র গগৈ :—হয়, ৩৫ ভাগ।

ঠিক তেনেকৈ কংগ্রেছ দলে লোকসভাৰ নির্বাচনত ৫০·৫৬ ভাগ ভোট পাইছিল। আৰু এই বাৰ বিধান সভাৰ নির্বাচনত দয়োটা কংগ্রেছে একেলগে ধৰি ৩২·৪৬ ভাগ ভোট পাইছে। আনহাতে এইবাৰ অসমৰ নির্বাচনী মণ্ডলীয়ে এইটো ৰায় দিছে যে অসম এখন সমস্যা বহুল ৰাজ্য। কংগ্রেছে যেনেকৈ সমস্যা সমাধান কৰিব পৰা নাই। জনতা দলৰ ওপৰত যোৱা লোকসভাৰ নির্বাচনৰ সময়ত যিটো ৰাইজৰ আস্থা আছিল সেই আস্থা ক্রমান্বয়ে কমিছে। আনহাতে অসমৰ যি কেইটা বামপন্থী দল সেই কেইটাই নিজৰ ভিতৰত কোনো বুজা পৰা নোহোৱা স্বত্বেও নিজৰ মাজতে প্রতিদ্বন্দিতা কৰা স্বত্বেও এই দলে অসমৰ ১২৬ খন আসনত গোটেই কেইখনতে প্রতিদ্বন্দিতা কৰা নাছিল।

মাত্ৰ ৫৫।৬০ খন আসনত প্ৰতিদন্দিতা কৰিছিল। এই ৫৫।৬০ খন আসনত প্ৰতি-দন্দিতা কৰি অসমৰ ৰাইজে নিৰ্বাচনৰ জৰিয়তে এই দলক বিধান সভাত ২৪ খন আসন দিছে।

অধ্যক্ষ মহোদয়, এই কথা আমি কব পাৰো যে ৬০ টা সমষ্টিত প্ৰতিদান্দিতা কৰিও আৰু নিজৰ মাজতে কনটেষ্ট হওঁতেও আটাইকেইটা বামপন্থী দলে ১৪·৩০ ভোট পাইছে। অসমৰ জনসাধাৰণৰ যিটো কথা, আজি যি সমস্যাই ৰাজ্যৰ মাজত দেখা দিছে, আজি জনসাধাৰণৰ মাজত যি সমস্যা দেখা দিছে সেই সমস্যা দূৰ কৰিবৰ কাৰণে এটা বিকল্প ব্যৱস্থা লব লাগে। আৰু দুৰ্ভাগ্য কথা যে, আমাৰ অসমৰ বামপন্থী দলবিলাকে জনসাধাৰণৰ আশা আকাংখ্যাৰ সুযোগ লব নোৱাৰিলে। অসমত জনতা দলে চৰকাৰ কৰিলেও এই দলটো প্ৰকৃততে এটা সংখ্যা লঘিষ্ঠ চৰকাৰ। জন সমৰ্থনৰ ফালৰ পৰা আৰু বিধান সভাৰ শাসনৰ ফালৰ পৰা এই দলটো সংখ্যা লঘিষ্ঠ চৰকাৰ। কিন্তু তথাপি প্ৰধান ৰাজনৈতিক দল হিচাবে এই দলে নিৰ্বাচনৰ সময়ত ৰাইজক যিবিলাক আশ্বাস দিছিল সেই আশ্বাস বিলাক কাৰ্য্যকৰী কৰাৰ কাৰণে তেখেতসকলে যি সুযোগ গ্ৰহণ কৰিছে, সেই সময়তে এই আশ্বাস বিলাক কাৰ্য্যকৰী কৰিবলৈ চেষ্টা কৰিব লাগে। আৰু তেখেত সকলৰ কাম কাজৰ ওপৰত নিৰ্ভৰ কৰিব এই চৰকাৰৰ ভৱিষ্যত সম্ভাৱনা। অধ্যক্ষ ডাঙৰীয়া, এই কথা মই কব বিছাৰিছো যে ৰাজ্যপালৰ ভাষণত ৰাজনৈতিক দৃষ্টি ভংগীৰ কথা উল্লেখ কৰিছে। আজি ভাৰতবৰ্ষৰ সকলেবিলাক ৰাজ্যতে বিধানসভাৰ নিৰ্বাচন হৈ গল। ২২ খন ৰাজ্যত নিৰ্বাচন হৈ গল, এই নিৰ্বাচনত দেখা গল জনতা দলে সংখ্যা গৰিষ্ঠতা পোৱা নাই। ২২ খন ৰাজ্যৰ ভিতৰত মাত্ৰ দহ খন ৰাজ্যতহে জনতা দলে চৰকাৰ কৰিছে। ১২ খন ৰাজ্যত অজনতা চৰকাৰ গঠণ কৰিছে। অসম চৰকাৰৰ কাম-কাজ সম্পৰ্কে এতিয়া আমি সমালোচনা বেচিকৈ কৰিব খোজা নাই। এই কাৰণেই যে, এই চৰকাৰে ৰাজ্যপালৰ ভাষণত চৰকাৰৰ যি বিলাক নীতি ঘোষণা কৰিছে আৰু বাজেট বক্তৃতাত তেখেতসকলৰ আৰু নীতি ঘোষণা কৰিব। কিন্তু এটা কথা মই বিচাৰো যে এই চৰকাৰ অসমত নতুন হলেও জনতা দলৰ নতুন নহয়। ইতিমধ্যে যোৱা লোকসভাৰ নিৰ্বাচনত কেন্দ্ৰত চৰকাৰ গঠণ কৰিছে আৰু ভাৰতবৰ্ষত দহ খন ৰাজ্যত জনতা দলে চৰকাৰ চলাইছে। ইয়াৰ ফলত দেখা যায় যে নিৰ্বাচনৰ সময়ত যিবিলাক প্ৰতিশ্ৰুতি ৰাইজক দিছিল সৰ্বভাৰতীয় ভাবে, সেই প্ৰতিশ্ৰুতি কিমান দূৰ ৰক্ষা কৰিব পাৰিছে ? প্ৰথমতে তেওলোকৰ প্ৰতিশ্ৰুতি আছিল যে জনতা দলে চৰকাৰ পোৱাৰ লগে লগে সকলোবিলাক নিবিচাৰে আটক ৰখা আইন প্ৰত্যাহাৰ কৰা হব। মিছা আইন প্ৰত্যাহাৰ কৰা হব, পি, দি, এক্ট প্ৰত্যাহাৰ কৰা হব। কিন্তু আজি সেইবিলাক আইন প্ৰত্যাহাৰ কৰা হোৱা নাই। বৰং নতুন ভাবে নতন নামাকৰণ দি, পি. দি. এক্ট ভাৰতবৰ্ষত ৰখাৰ কাৰণে চেষ্টা চলাইছে। অধ্যক্ষ ডাঙৰীয়া, আপোনালোকে দেখিছে যে, জনতা দলৰ সদস্য সকলে তেখেত সকলৰ দলীয় সভাত আৰু পাৰ্লিয়ামেন্টৰ মজিয়াত জনতা দলে নিৰ্বাচনৰ সময়ত বিশেষকৈ পি, দি, এক্ট আৰু মিছা আইন প্ৰত্যাহাৰ কৰাৰ আশ্বাস দিছিল তাক ৰক্ষা কৰিব নোৱাৰাটো শাসক দলৰ চৰকাৰক কঠোৰ ভাবে সমালোচনা কৰিছো। শ্ৰমিক সকলৰ স্বাৰ্থ ৰক্ষাৰ ক্ষেত্ৰত শ্ৰমিকৰ স্বাৰ্থ ৰক্ষা কৰাৰ কাৰণে আশ্বাস দিয়া হৈছিল কিন্তু যোৱা এবছৰে শ্ৰমিকৰ স্বাৰ্থ বিৰোধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

(ভইচ : এটা কথা কব বিচাৰিছো যে তেখেত কংগ্ৰেচৰ লগৰ———)

শ্ৰীপ্ৰমোদ গগৈ :— আপোনাৰ সময়ত আপুনি কব।

অধ্যক্ষ ডাঙৰীয়া, আপুনি জানে যে, উত্তৰ প্ৰদেশৰ স্বদেশী কটন মিলত এঘাৰ জন শ্ৰমিকক মৰা হল, হাৰিয়ানাৰ ট্ৰেড ইউনিয়নৰ ধৰ্মঘট বেআইনী কৰা হল। পুলিচৰ দ্বাৰা অত্যাচাৰ কৰা হল। আনকি দিল্লী মহানগৰীত সকলো ধৰণৰ ধৰ্মঘট কিছুদিনৰ কাৰণে বন্ধ কৰি দিয়া হল।

অধ্যক্ষ মহোদয়, আজি গৰীব কৃষক সকলৰ ক্ষেত্ৰত, যি সকলে মাটিৰ অধিকাৰ পাইছিল, যি সকল দুখীয়া কৃষকক মাটি দিয়া হৈছিল, এই ৰাজনৈতিক পৰিবৰ্ত্তন হোৱাৰ লগে লগে সেই ৰায়ত সকলক বলপূৰ্বক ভাবে উচ্ছেদ কৰা হৈছে। সে কথা প্ৰত্যেক দিনৰ বাৰ্তাৰ কাকতত দেখিবলৈ পোৱা গৈছে। বিহাৰত কপূৰী ঠাকুৰৰ চৰকাৰ হৈছে, ইয়াৰ পিছতো হৰিজন সকলৰ ওপৰত অত্যাচাৰ হৈছে এই কথা সকলোৱে জানে। এইবিলাক ঘটনা অন্যান্য ৰাজ্যত আজি হৈছে। অৱশ্যেও সমত এই কাম কাজবিলাক সমালোচনাৰ দৃষ্টিভংগীৰে চোৱাৰ কাৰণে আৰু কিছুদিন সময় লাগিব। কাৰণ চৰকাৰে তেওঁলোকৰ কামৰ নীতি বিলাক ঘোষণা কৰিছে। এই বিলাক নীতি কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত কি ব্যৱস্থা লয় সেইবিলাক ব্যৱস্থাৰ ওপৰত সেই কথা বিতং ভাবে জনা যাব। ইতিমধ্যে যিবিলাক ৰাজ্যত জনতা চৰকাৰ চলাইছে বা কেন্দ্ৰত জনতা দলে চৰকাৰ চলাইছে যোৱা এবছৰৰ ভিতৰত তেওঁলোকে কি কৰিছে সেই কথাৰ পৰাই এই কথা কোৱা হৈছে। ৰাজ্যপালৰ ভষাণত যিবিলাক কথা উল্লেখ কৰা হৈছে তাৰ ভিতৰত অধ্যক্ষ মহোদয়, . বৰ দুৰ্ভাগ্যৰ কথা যে, ৰাজ্যপালৰ ভাষণত অসমৰ খাদ্য বস্তুৰ দাম যি ভাবে বাঢ়িছে তাৰ কথা উল্লেখ নাই। আৰু ৰাজ্যপালৰ ভাষণত অসমত বস্তুৰ চৰা দামৰ সমস্যা সম্পৰ্কে কোনো কথা উল্লেখ নথকাটো লক্ষ্য কৰিবলগীয়া কথা কাৰণ অসমৰ মানুহৰ যিটো জীৱন্ত সমস্যাৰ কথা সেইটো ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা হোৱা নাই। সিদিনা যোগান মন্ত্ৰীয়ে কৈছে যে, মচুৰ দাইলৰ যোগান দিব। অসমৰ কিমান মানুহে মচুৰ দাইল খায়? কিন্তু গাঁৱত আজি নিমখ নাই প্ৰতি কিলোই ডেৰ টকা আৰু দুই টকা। কেৰাচিন তেল নাই এই-বিলাক অসমৰ জীৱন্ত সমস্যা। নিত্য প্ৰয়োজনীয় বস্তুৰ দাম বাঢ়ি গৈছে। আজি কেৰাচিন তেল. নিমখৰ অভাব, নিৰ্দ্ধাৰিত মূল্যত পোৱা নাযায়। যত নৌকি লাখ লাখ মানুহ বাস কৰিছে যিবোৰ সমস্যাত আমি জৰ্জৰিত হৈছো সেই সমস্যা বিলাকৰ কথা আমাৰ ৰাজ্যপালৰ ভাষণত নাই। অধ্যক্ষ মহোদয়, কব পাৰে যে ভুল হৈছেনেকি? ইয়াৰ অন্তৰালত কিবা উদ্দেশ্য আছেনেকি? অৱশ্যে উদ্দেশ্য আছেনে নাই সেই কথা নিশ্চিত ভাবে কোৱা টান। অধ্যক্ষ মহোদয়, মই কব পাৰো যে, মই শুনা মতে নিৰ্বাচনৰ সময়ত চেম্বাৰ্চ অব কৰ্মাচে জনতা দলক সন্তুষ্ট কৰিবৰ কাৰণে সহায় কৰিছিল।

শ্ৰীনুৰুল হুদা ঃ— এইকথাটা আমাদের বন্ধুবর মাননীয় সদস্য শ্ৰীপ্রমোদ গগৈ এর মুখে শোভা পায় না ! বিগত ১৪ বৎসর যাবত সমস্ত কুৎসিত কার্যকলাপে তারা কংগ্রেসেকে সমর্থন যুগিয়ে এসেছেন ! আজ তাঁর মুখে এ প্রশ্ন কেন ?

Shri NARENDRA NATH DATTA :- This is nothing but could not ation of the policy pursued by the previous Government backed by C.P.I.

Shri PROMODE GOGOI :-Please do not interrupt.

শ্ৰীনুৰুল হুদা ঃ— অবান্তর কথায়, অপ্রাসঙ্গিক কথায় নিশ্চয়ই বাধা দেব ।

Shri PROMODE GOGOI :-Then we shall also see.

Shri NOORUL HUDA : we accept the challange.

**শ্ৰীপ্ৰমোদ গগৈ ঃ**—মূল্য বৃদ্ধি সম্পৰ্কত অলপো উল্লেখ নথকাত মই বৰ আচৰিত হৈছো । ৰাজ্যপালৰ ভাষণত নিতান্তই বিতৰ্ক হব । এই বিতৰ্কত যদি প্ৰত্যেকেই হস্তক্ষেপ কৰিব বিচাৰে তেন্তে আমিও হস্তক্ষেপ কৰিব বিচাৰো । ৰাজ্যপালৰ ভাষণত খাজনা মাফ দিয়াৰ কথা কোৱা হৈছে ।

Shri Golok Rajbanshi:—On a point of order, Sir. I think there is some procedure laid down in participating in the dabate. Whether that procedure is followed by the Janata Party Members ?

**শ্ৰীপ্ৰমোদ গগৈ ঃ**—ৰাজ্যপালৰ ভাষণত যদিও ১০ বিঘা মাটি পৰ্য্যন্ত খাজনা মাফ দিয়া হৈছে তথাপিও লাখ লাখ মানুহৰ যি বিলাকৰ ভেটি নাই সেই সকলৰ বিষয়ে ভূমি বিতৰণ সম্পৰ্কত ৰাজ্যপালৰ ভাষণত কোনো উল্লেখ নাই ।

ঠিক তেনেকৈ ক্ৰমবৰ্দ্ধমান নিবনুৱা সমস্যা সমাধান কৰা ক্ষেত্ৰত চৰকাৰে কি দৃষ্টিভঙ্গ গ্ৰহণ কৰিব বিচাৰে সেই কথাটো ৰাজ্যপালৰ ভাষণত উল্লেখ কৰাটো নিতান্ত প্ৰয়োজন আছিল । ইতিমধ্যে ২১ তাৰিখৰ অসম ট্ৰিবিউনত এটা সংবাদ পৰিবেশিত হৈছে । তাত লিখিছে যে Oil India asked to slow down crude production আজি অসমত যি ভাবে তেল উৎপাদিত হৈছে, এই তেল উৎপাদন কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে যি নিৰ্দ্দেশ দিছে, এইটো সচাকৈয়ে অসমৰ কাৰণে দুৰ্ভাগ্যৰ কথা । ইতিমধ্যে আমাৰ ৰাজ্যত যিমান তেল উৎপাদন হয় ৰিপোৰ্টিত এই কথা কোৱা হৈছে যে ১৯৮৪ চনৰ ভিতৰত অসমত তেল উৎপাদন হব ৮০ লাখ টন । এতিয়ালৈকে যি প্ৰচেচিং কেপাচিটি সেই মতে ডিগবৈত দুই লাখ টন, গুৱাহাটী শোধনাগাৰত আঠ লাখ টন, বঙাইগাৱত ১০ লাখ টন, বাৰাউনীত ৩০ লাখ টন, সকলোকে ধৰি ৫০ লাখ টন । ১৯৮৪ চনৰ ভিতৰত ৮০ লাখ টন খাৰুৱাতেল উৎপাদন হব । কিন্তু প্ৰচেচিং কৰাৰ কাৰণে এতিয়ালৈকে কোনো ব্যৱস্থা কৰা নাই । ২০ মাৰ্চৰ অসম ট্ৰিবিউনত প্ৰকাশিত হোৱা কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীবহুগুনাৰ ষ্টেটমেণ্ট পঢ়ি দিব বিচাৰো ।

The Minister confirmed that demands for setting up additional refining capacity in Assam has been made. A decision by Government whether to set up additional refinery capacity or secondary processing facilities and if so where will be taken after examining the recommendations of the Study Group appointed by the Government recently

অসমত ১৯৮৪ চনৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰৰ নিজৰ তথ্য মতে ৮০ লাখ টন খাৰুৱা তেল উৎপাদন হব । ১৯৭৪ চনত এই সদনত সৰ্বসম্মতিক্ৰমে এটা প্ৰস্তাব পাচ কৰিছিল যে অসমৰ ক্ৰমবৰ্দ্ধমান খাৰুৱা তেল উৎপাদনৰ কথা বিবেচনা কৰি তেল পথাৰৰ সমীপত এটা পূৰ্ণাঙ্গ ৩য় তেল শোধনাগাৰ স্হাপন কৰিব লাগে । ১৯৭৪ চনৰ ফেব্ৰুৱাৰী মাহত এই সদনত সৰ্বসম্মতিক্ৰমে এই প্ৰস্তাব গ্ৰহণ কৰিছিল । এই প্ৰস্তাব কেন্দ্ৰীয় চৰকাৰলৈ পঠোৱা হৈছে । কেন্দ্ৰীয় তেল মন্ত্ৰীৰ কথামতে দেখা যায় যে তেওঁলোকে এই কথা বিবেচনা কৰিছে যে অসমত যি খিনি অতিৰিক্ত খাৰুৱাতেল উৎপাদন হয় সেই খিনি ইয়াত প্ৰচেচিং নকৰি অসমৰ বাহিৰলৈ নিব পাৰিনেকি এই কথা তেওঁলোকৰ বিবেচনাধীন । আমি শুনা মতে কেন্দ্ৰীয় চৰকাৰৰ ষ্টাদি গ্ৰুপে ৰিকমেণ্ড কৰিছে আৰু প্ৰচেচিং কেপাচিটি বঢ়াব নালাগে। অতিৰিক্ত যি ৩০ লাখ টন খাৰুৱা তেল উৎপাদন হব সেইখিনি অসমৰ বাহিৰলৈ নিয়াৰ কাৰণে ষড়যন্ত্ৰ চলিছে । আমাৰ সদনত সৰ্বসম্মতিক্ৰমে প্ৰস্তাব পাচ হৈছিল আৰু দাবী কৰো যি অতিৰিক্ত খাৰুৱাতেল উৎপাদন হব তাৰ বাবে এটা পূৰ্ণাঙ্গ ৩য় তেল

শোধনাগাৰ তেল পথাৰৰ সমীপত স্হাপন কৰিব লাগে বুলি দাবী কৰো । সৰ্বসম্মতি ক্রমে গ্রহণ কৰা প্রস্তাবটো যাতে কেন্দ্রীয় চৰকাৰে গ্রহণ কৰে তাৰ কাৰণে ৰাজ্যিক চৰকাৰে কেন্দ্রীয় চৰকাৰক টানি ধৰিব লাগে ।

যোগাযোগৰ ক্ষেত্রত যি অসুবিধাৰ কথা সেই বিষয়ত বিতং কি পৰিকল্পনা কৰিব বিচাৰে সেই কথা নাই । আপোনালোকে জানে ভাৰতৰ ভিতৰত অসম এখন ৰাজ্য যত ব্রডগজ ৰেল লাইন মাত্র ২৫ মাইল ।

Mr. SPEAKER : Mr. Gogoi, how much time will you take?

Shri PROMDE GOGOI :-Another fifteen minutes. Shall I continue Sir?

Mr. SPEAKER :- yes.

শ্রীপ্রমোদ গগৈ ঃ—যোগা যোগৰ ক্ষেত্রত এই কথা উল্লেখ কৰিব বিচাৰো যে আমাৰ এই সদনত এটা প্রস্তাব পাচ কৰিছিল তাৰিখটো মোৰ মনত নাই—কেন্দ্রীয় চৰকাৰক এই কথা কৈছিল যে অসমৰ যোগাযোগ ব্যৱস্হাৰ উন্নতিৰ কাৰণে তিনিচুকীয়া পৰ্য্যন্ত ব্রডগজ ৰেল লাইন সম্প্রসাৰিত হব লাগে । অৱশ্যে গুৱাহাটী পৰ্য্যন্ত ব্রডগজ ৰেল লাইন সম্প্রসাৰণ কৰাৰ ব্যৱস্হা কেন্দ্রীয় চৰকাৰে হাতত লৈছে । কিন্তু জনামতে এই লাইন সম্পূর্ণ হোৱাৰ কাৰণে যি নিৰ্দ্ধাৰিত সময় আছিল সেই নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত গুৱাহাটীলৈ ব্রডগজ ৰেল লাইন সম্পূর্ণ হোৱাৰ সম্ভাৱনা নাই ।

Mr. SPEAKER : order, order. The House stand adjour ed for lunch till 2.30 P. M. Mr. Gogoi will continue.

After lunch

*Mr. Speaker :—Order, order. There is an announcement. I called a meeting of the Assam Legislature Parties and Groups at 12-30 p. m. to-day in my Chamber to discuss about the allotment of time amongst the Members of different parties and groups for discussion on the Motion of Thanks on the Governor's Address. The debate on the aforesaid Motion has been fixed for 4 days *i. e.* 22nd, 23rd, 27th and 30th March, 1978. The time availa ble for discussion on the said Motion from 2-30 p. m. to-day upto last day of discussion is 900 minutes approximately excluding the time to be taken by the Chief Minister and other Ministers for reply. It has been unanimously decided that half of the time is allotted to the Ruling Party members and half to the Members of the other Opposition Parties. While the time for each Member of the Ruling Party will be decided by the Leader of the Party concern, the time for each Member belonging to other parties and groups including Independents will be 7 minutes approximately.

I hope this has the approval of the House

(Voices:—Yes, yes)

I would like to add that the suggestions made earlier by various arties recommending the members to speak may be revised accordingly.

There is another announcement. I hereby inform the House that Sarbasree Dileswar Tanti and Dipak Murmoo elected members of the Assam Legislative Assembly belonging to the Indian National Congress have intimated me that they have resigned from the Congress Party and joined the Janata Party. I also inform the House that they have been admitted in the Janata Party.

(applause from the Treasury Benches)

Now Mr. Promode Chandra Gogoi.

শ্ৰীপ্ৰমোদ গগৈ ঃ— অধ্যক্ষ ডাঙৰীয়া, মই সামৰণী মাৰিব' বিচাৰিছোঁ লগতে চৰকাৰৰ ওচৰত আমাৰ পক্ষৰ পৰা এই বিষয় কেইটা আমি দাঙি ধৰিব বিচাৰিছো । যি কেইটা বিষয় আমাৰ ৰাজ্য খনৰ জনসাধাৰণৰ সামগ্ৰীক উন্নতিৰ কাৰণে অতি প্ৰয়োজনীয় । আমি এই দাবী কেইটা কৰিলো । (১) নিত্য প্ৰয়োজনীয় বস্তুৰ মূল্য বৃদ্ধি ৰোধ কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা আৰু এই বস্তু বিলাক যাতে জনসাধাৰণে কম দামত পায় তাৰ ব্যৱস্থা ৰাজ্য চৰকাৰে কৰিব' লাগিব । (২) গাওঁৰ যি বিলাক ভূমিহীন কৃষক সেইসকলৰ সংস্থাপন কৰা আৰু যিসকল ৰায়তক উচ্ছেদ কৰা হৈছে তেওঁলোকৰ পুনৰ সংস্থান কৰাৰ কাৰণে তত্‌কালীন ব্যৱস্থা কৰিব লাগিব । (৩) শ্ৰমিক সকলৰ কাৰণে ট্ৰেডইউনিয়ণ অধিকাৰ আৰু শ্ৰমিক সকলক উদ্যোগ প্ৰতিষ্ঠানৰ ক্ষেত্ৰত অংশ গ্ৰহণৰ ব্যৱস্থা কৰাৰ কাৰণে আমি দাবী কৰিলো । (৪) ছাত্ৰ সকলৰ কাৰণে আমাৰ সকলো লৰা-ছোৱালীকে হাইস্কুল শিক্ষা পৰ্য্যন্ত বিনামূলীয়া শিক্ষা আৰু সুলভ মূল্যত পাঠ্য-পুথি যোগান ধৰাৰ ব্যৱস্থা কৰা । (৫) জনজাতীয়, অনুসূচীত, ধৰ্ম্মীয় আৰু ভাষিক সংখ্যালঘুসকলৰ অধিকাৰ ৰক্ষা কৰা আৰু তেওঁলোকৰ পূৰ্ণ বিকাশৰ কাৰণে সকলো ব্যৱস্থা কৰা । (৬) ৰাজ্যখনৰ সামগ্ৰীক অৰ্থনৈতিক উন্নয়ণৰ ক্ষেত্ৰত আমি দাবী কৰিলো যে বঙ্গাইগাওঁৰ পৰা তিনিচুকীয়ালৈ আৰু যোগীঘোপাৰ পৰা গুৱাহাটীলৈকে ব্ৰডগজ ৰেলৰ সম্প্ৰসাৰণ, ব্ৰহ্মপুত্ৰৰ ওপৰত শিলঘাটত আৰু যোগীঘোপাত দুখন দলং নিৰ্মাণ কৰিব লাগিব। (৭) অসমৰ কেচাঁ মালৰ ভিত্তিত শিল্প স্থাপন, তেল পথাৰৰ সমীপত এটা পূৰ্ণাঙ্গ তৃতীয় তেল শোধনাগাৰ আৰু পেট্ৰৰাসায়নিক উদ্যোগ চক্ৰ স্থাপন। (৮) ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ বান নিয়ন্ত্ৰণ কৰিবলৈ আৱশ্যকীয় আৰ্থিক আৰু কাৰিকৰী সাহায্যৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক দাবী কৰিলো । (৯) ডিগবৈ তেল শোধনাগাৰ, অইল ইণ্ডিয়া আৰু চাহশিল্পত থকা বিদেশী পুঁজি ৰাষ্ট্ৰীয়কৰণৰ দাবী কৰিলো ।

এই কেইটা দাবী আমি অসম চৰকাৰৰ ওচৰত ৰাখিলো যাতে তেওঁলোকে জনসাধাৰণৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে এই দাবী কেইটা কাৰ্য্যকৰী কৰে। অধ্যক্ষ ডাঙৰীয়া, শেষ কৰাৰ আগতে এটা কথা নিবেদন কৰিব' বিচাৰিছো যে এই সদনত বিৰোধী পক্ষৰ অধিকাৰ ৰক্ষাৰ কাৰণে যদি ব্যৱস্থা নকৰে আৰু শাসক দলে যেনেকুৱা আচৰণ দেখুৱাইছে বিৰোধী পক্ষকে তেনে আচৰণ কৰিবলৈ বাধ্য কৰাব । আৰু এইটো কৰিলে সদনৰ কাম চলোৱাত অসুবিধা হব । আপুনি সকলো সদস্যৰ অধিকাৰ ৰক্ষা কৰাৰ কাৰণে যেন উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰে । ধন্যবাদ ।

Shri BANESWAR SAIKIA—Mr.Speaker, Sir, under Rule 13 Sub-Rule (3) of the Rules of Procedure and Conduct of Business in the Assam Legislative Assembly I move the following amendment to the motion of thanks on the Governor's address; that at the end of the motion of thanks moved by Shri Nagen Sarma on the Governor's address the following be added: "But it is regretted that the Governor's Address fails to deal many basic problems and vital issues of the people of the State of Assam".

Now Sir, in this context I just want to deal with only few basic issues. In the Governor's Address firstly we do not find any reference to the change that has been brought about by the last general election to the Assam Legislative Assembly. Nor do we find proper appreiation of the event that has brought palpable change in the mind of the people of the State who fought for restoration of democracy for the first time after 31 years misrule. The people of the State of Assam gave a clear verdict against the misrule of the Congress Party ( applause ) and after this clear verdict of the people this new Janata Government has been installed and our Party (R.C.P.I) has pledged its support to the new Government so long it carries the will of the people But Sir, one thing I find with surprise that there is no reference in the Address regarding any enquiry or measures to be taken into the misdeeds and mischiefs done to the Nation during the long years by the previous Government. That should have been there and an enquiry should be instituted, on the line as has been done in some other States, to go into the misdeeds and mischiefs done by the previous regime, more so, during the emergency. Sir, during the last 31 years the national wealth has been squandered and our forests have been denuded jeopardising the whole people of the State and polluting the entire atmosphere. These mischief makers must be punished. Sir, the people have given the clear verdict in the last poll against the congress rule not that they love us and dislike them, what they want is that the guilty persons should be punished and brought to book, they should not be allowed to go scot-free and if those wrong doers and guilty persons go scot free what our posterity will say? our posterity will not spare us. That is why I am just adding this point that an enquiry must be instituted, so that our posterity cannot blame us and we must take caution in time.

Sir, I now come to certain points in the Governor's address. Sir there is a reference to the question of State Government employees, strike and that they threatened the law and order situation. Sir, I find it suprising. How they created a law and order problem? It is not the Government employees but the Government itself, the ruler themselves, created the problem by shifting from their own words and that did not find place in the Governor's address. Now many employees have been victimised and they have not been restored to their proper position and this they, the Congress leaders have not the guts to admit it. So Sir I am just referring to a few points which have been left out from the Governor's address.

Sir, For the first time that the people have given a clear verdict against the misdeeds of the Congress Government, on 25th February 1978. Everything should be properly examined and they should be tried. You know, Sir, how they have misused the power. In 1975, by using the strong arm of emergency they have thrown out two lady college teachers from employment one is Miss Ranjita Bhattacherjee and other is this Gayotri Ray, they have not been reinstated till today. Nowhere in the country lady teachers of educational institutions were victimised and I think the entire regime of the Congress as been tarnished by such actions of the previous Congress Government. Sir, this ought to have found place in the Governor's address

Now, the other general questions—the general economic situaiono Sir, it is very regrettable that our economy has deteriorated ; it has gone to the dogs. Price is rising like anything. People are not even getting two morsels of food. Large number of people are starving. Last year our crop was not very good and even at the present moment, just in the month of March, you will find large number of people in the villages do not have their food. There is no job for the rural poor population because last year the crop was very bad and no proper measures are enviaged to be taken. Sir, a reference was made that we have spent crores of rupees which was granted by the Centre, I think it was used for political purpose and those who just served the ends of the ruling party, got the benefit and the real sufferers did not get anything. That was what had happend. 10 (ten) thousand tonnes of foodgraine which were sent from Delhi as food for work that was also not properly utilised andt ha was utilised only for political purpose and this should have found some reference. Although financial grant is there and that have been mentioned how this was utilised have not been mentioned.

Now, Sir, another point I would like to emphasise—the food position. What is the latest position of food production that has not found place. That should have been also, there. They have spent crores of rupees on so called agricultural development. What is the result of that spending of millions and millions of rupees from the public encheaquer ? That should have been there. Our State is a deficit State and we have to import food even at this time of the year—March. I think one lakh tonnes of foodgraines are coming from Hariyana to deplete the surplus stock of this S ate, not to replete. They say that we have enough and we have produced enough and we have spent millions for the improvement of agriculture and that is what it is the result of our tremendous agricultural development. Immediately we are to buy one lakh tonnes of foodgraines from Haryana in the month of March, that is what it is. So, there should be a thorough probe. We have also a lot of taxes and every person is paying not less than 50 rupees as tax to the State Government but where the money has gone ? That should also have found place in the Governor's address. This should be examined and a thorough probe should be made. Sir, as my time is very limited I will not go through all the details.

Now, Sir, the question of land revenue. It is good that payment of land revenue of those who are in possession of 10 bighas of land have been exempted. This is a good proposition but at the ame time the main question of land reform also should have been included there. The land reform must be carried on. It cannot be left out neither it can be by-passed. This is a very critical problem. If we want to make improvement of the lot of the common people we must do it first. We admit that our economy is agriculture based economy so without making adequate land reform we cannot improve the economic condition of the people. Sir, the measures taken by the preceeding Government were not good-they have thrown large number of adhiars out of land by announcing the so called implemantation of Adhiars Act or Tenancy Act which protected only the landlords. They made to suffer the real tillers of land and their promise for

giving land to the landless were all false. This is all in papers only and that is why our econemy is staggering. It is still lagging far behind other states. If adequate steps for land reforms were taken our food production could be doubled. I think the Janata Government would take a note of it and must not follow the path of our predcessors. This new Government the Janata Government must not follow the same path and they must make a sharp departure and only then I think they will be able to do good if they have the good intentions. I think this should have been there in the Governor's address. There is no reference of achievement in irrigation. Sir, I do not find any such reference in Governor's address. Though the Government have spent lot of money for irrigation but our agriculturists do not derive any benefits. Sir, if we go to Hojai, then we find Government have spent crores of rupees to provide for the irrigation facilities there. Nearly, 5 to 10 crores have been spent during the last 10 to 12 years. But our people have not derived any benefit. Constructions are there in the fields and in the defferent parts of the districts. The agriculturists are deriving little benefit. Sir, in fact the entire money is wasted. There is no concerted effort for the real progress of irrigation. Therefore, sir, attempts should be made to improve the existing state of affaris. Than, sir, we find that several schemes have been drawn up by the previous Government just to get money from the World Bank. But actually, no improvement has been taken place. Previously our total agricultural production was about 2 million tons. But now hardly it comes to 2·2 million tons. Truly speaking, food-production in our State has gone down considerably. So, is the condition of jute production. Now-a-days we import everything from outside the State. This is the state of affairs of our economy. Then, Sir, regarding the flood control works Govrnment have constructed dykes. But no flood could be resisted. Flood-protections works do not show any tangible result. Now, we find that our soil becomes less fertile than before. Then, sir, I would like to mention a few more point about the forest department. It is mentioed that Forest department is going to plant teak wood. But what about the sal wood ? Sir, there is no reference about the forest scandal in Governor's address. We have heard a lot about it and in this connection many people were transferred by the administration from here to there. Many honest officers were chastised as they did not submit to the illegal directions of the ministers. I would like to know from lhe Government about the whole affairs of this scandal. Those persons who are involved in it, cannot go scot free. These criminals should be brought to book and they should be punished. I think the new Government will definitely take steps to bring them into book. The new Government have spell out their policies regarding the tuition fees of students upto the standard of Class X. Sir, this is good and that a right step. We appreciat it. But, sir, at the sametime I would like to know from the Government what steps they are going to take about the Venture Schools. That is not yet announced. I think the Government should come out with a clear cut policy about those Venture Schools. Sir, about 20 to 25% of School-going population are studing in the venture schools which are private Schools. I want to know what about their fate ? Sir, before making any such announcement of relief, Government should have atleast taken into consideration the programme of compulsory and universal primary education. During the last 30 years of Congress rule, they could not make any progress in this direction. Our Con-

stitution has also enshrined that within 15 years, illiteracy will be removed. But nothing tangible has so far come out in this direction. So, sir, the new Government should take definite step in this direction. If we cannot make the people literate even after thirty years of independence, how can we expect that our country wil l progress faster like western countries. Sir, in our State nearly 30% people are literate and remaining 70% are illiterate. Keeping the majority of the people illiterate, how can you make progress ? Therefore, sir, unless we take steps for compulsory and universal primary education, we shall not be in a position to develop in the real sense. Then, sir, I would like to mention about the industries. In this connection I would like to mention that the new Government should change the attitude in respect of industrial development in the State. Sir, it is good that the Government have decided to give new thoughts in this direction. I think this Government will try to resort to old laissez-faire policy theory. This old theory is still there and it is trying to creep in. Sis, now the evelopment of industries depend upon many things. When the matter of development of industries comes up the question of necessary infrastructure and other things will automatically follow. Then, Sir, it is well-known to us that the enterprising element is lacking in Assam. It is a fact that we do not have the capitalis s like those in Maharashtra, Gujrat and Bengal. But this problem can be solved if the Government takes interest and tries to grip it. Sir, by way of reference I should say that interest of industries and no industries are created in the interest of Railways. Moreover, marketing of finished goods and other things must be channelised. The outsiders did not come here to make Assam industria y develloped but to keep it as coloney. The new Government must take note of it.

**Honourable Speaker**:—Your time is exhausted.

**Shri BANESWAR SAIKIA**:—With a few words Sir, I will resume my seat.

Government has decided to review the cases of victims of emer gency who were forced to leave their jobs. Now, as the em rg ncd is no longer over our head, reinstatement of those victims should be expedited.

Mr. Speaker Sir, time is necessarily not enough for us. In earlier half time was not rationed. They had the previlege to have enongh time. Hope, we will get more time in future and you will give a fair deal to us.

শ্ৰীহেমেন দাস ঃ—মাননীয় অধ্যক্ষ মহোদয়, মই সংশোধনী দিয়াৰ আগতে এটা কথা কব খুজিছো যে আমাৰ দলৰ ফালৰ পৰা জনতা পাৰ্টি আৰু জনতা দলৰ চৰকাৰক সমৰ্থন জনাইছো। লগতে এই কথাও জনাব খোজো যে কাম-কাজৰ ক্ষেত্ৰত আমাৰ দলে সমালোচনা কৰিব আৰু আমাৰ বিৰোধিতা কৰাৰ অধিকাৰো থাকিব।

That at the end of the Motion of thanks moved by Shri Nagen Sarma on the Address of Governor on the 21st March, 1978, the following be added :—

"1. But regrets to not that the Governor has failed to condemn the State of emergency declared on the 26th June, 1975 by Smti. Indira Gandhi's Government and has not deemed it necessary to institute a probe on the excesses committed and atrocities perpetrated on thousands of citizens by the State Government headed by Shri Sarat Sinha during the period of emergency.

2. that the Governor did not mention in his address that lawless laws like MISA and all types of preventive detention Acts should be abolished.

3. that the Governor did not consider it necessary to state that Forty-Second Constitution Amendment Bill should be repealed.

4. that the Governor did not mention that the long standing and pressing demands of the State Government employees would be closely and sympathetically looked into by the new Government and that the new Government would withdraw the victimization resorted to by the previous Government and that the State Government employees dismissed or discharged or terminated during the emergency would be reinstated with immediate effect.

5, that the Governor did not mention with a view to curbing spriraling rise in prices, the State Government would arrange supply and distribution of ten essential commodities like rice, atta, mustard oil, kerosene, dal, cloth, sugar, baby food, essential drugs and papers at reasonable prices.

6. that the Governor did not mention that big foreign and monopoly Indian Firms operating in Assam would be taken over by the State in the interest of working people.

7. that the Governor did not mention that lot of agricultural lobours would be improved and the service condition of Muster Roll labourers, work charged emploees, extra writers and such other casual laborers engaged by the State Government for more than three years would receive the serious attention of the new Government.

8. that the Governor did not mention that loop holes in the ceiling laws would be suitably plugged and ceiling surplus land would be distributed among the genuine landless people gratis,

9. that the Governor did not mention that the question of centre State relations would be looked into afresh in view of the changing political climate in the country and with a view to augmenting the resources of industrially backward Assam State.

10. that the Governor did not state new Government would consider grant of unemployment allowance to the sizeable section of the unemployed youths in our State.

11. that the Governor did not mention that the huge profits earned by big monopoly private concerns in the State would be curbed.

12. that the Governor did not state that arrangement would be made to pump b ck sizeable amount of profit made by big tea estate owners for investmen in the State itself.

13. that the Governor did not metion that daily wage and allowances of tea garden l bourers would be increased and bonus at suitable rates would be paid to them. He also failed to mention that women workers should be given equal wage with the male workers.

14. that the Governor did not mention that the new Government would try to establish at l ast one State Health Centre or State Dispensary with a qualified Doctor and Compounder in G P. area.

15 that the Governor did not mention that during lean se son n the country side the State Government would make efforts to introduce a scheme of food for work for genuinely needy peopl in the vill ges.

16. that the Governor did not mention that the peasants evicted during emergency from land including forest land would be rehabilitated.

17. that the Governor did not mention that all recognized school in the State would be provincialized.

18. that the Governor did not state that steps should be taken to reopen closed industries immediately, if necessary by taking over the same by the Government.

19. that the Governor did no state that all types of contract labour including freelabours in [illegible]

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণটো দুভাগে বিভক্ত বুলি মই অভিহিত কৰিব খুজিছো, কিয়নো যোৱা বছৰৰ অবৈধ চৰকাৰৰ খতিয়ান ইয়াত সন্নিবিষ্ট আছে। মই অবৈধ বুলি এই কাৰণেই কৈছো যে তেওঁলোকে এবছৰ কাল শাসনৰ গাদীত বেছিকৈ আছিল আৰু সেইটো হৈছিল ৪২ তম সংশোধনীৰ ফলত। সেই সংশোধনী গৃহীত হৈছিল জৰুৰীকালীন অৱস্থাত, যেতিয়া ইন্দিৰা গান্ধীয়ে গণতান্ত্রিক অধিকাৰ খৰ্ব কৰি ভাৰতবৰ্ষৰ শাসন ভাৰ মুষ্টিমেয় কেইজনমান লোকৰ হাতত ৰাখিছিল আৰু অন্যান্য ঠাইৰ দৰে আমাৰ ইয়াতো হেংদানৰ ৰাজত্ব চলিছিল। ৰাজ্যপালৰ ভাষণত সেই ছোৱা কালৰ বিৱৰণ থকাটো আমি বিচাৰিছিলো। যদিও প্ৰতিক্ৰীয়াশীল লোকৰ বিৰুদ্ধেহে জৰুৰীকালীন অৱস্থা কৰাৰ কথা কোৱা হৈছিল আচলতে প্ৰতিক্ৰীয়াশীল লোকৰ বিৰুদ্ধে সেই অৱস্থাৰ কোনো ব্যৱস্থাই পৰিচালিত নহল। চৰকাৰী কৰ্মচাৰীয়েই হওক বা কল কাৰখানাৰ কৰ্মীয়েই হওক 'লে অব' ব্যৱস্থাইহে স্থান পাইছিল আৰু ভয়ানক অমানবীয়তা চলিছিল, মানবতাক বধ্বংশ কৰিছিল। মাৰ্কিণ সাম্ৰাজ্যবাদৰ অনুসৰণত মানুহক পশুৰ নিচিনা ব্যৱহাৰ কৰিবলৈকো কুণ্ঠাবোধ কৰা নাছিল। কিন্তু সেই বিলাকৰ বিৰুদ্ধে কোনো প্ৰস্তাৱ নাইবা ইংগিত ৰাজ্যপালৰ ভাষণত নথকাত আমি দুখ পাইছো।

অধ্যক্ষ মহোদয়, জৰুৰীকালীন অৱস্থাৰ দ্বাৰা অসমত কেনে ভাবে ৰাইজৰ ওপৰত অত্যাচাৰ অবিচাৰ কৰা হৈছিল সেই কথা শুনিলে আপোনালোকে আচৰিত হ'ব, আনকি এনেকুৱাও পৰ্যন্ত হৈছিল যে গুৱাহাটী মেডিকেল কলেজৰ পৰা ৰোগীক ঘৰলৈ পঠোৱা

হৈছিল। এ, আই, চি চিৰ সময়ত, এই দৰে আমাৰ গৰীব লোক সকলক চিকিৎসাৰ পৰাও বঞ্চিত কৰা হৈছে, এইদৰে মানবীয় আধকাৰৰ পৰা সাধাৰণ ৰাইজক বঞ্চিত কৰা হৈছে। মই দুখেৰে সৈতে কবলৈ বাধ্য হৈছো যে ৰাজ্যপালৰ ভাষণত এনেধৰণৰ মানবীয় অধিকাৰ খৰ্ব কৰাৰ বিৰুদ্ধে কোনো কথাই উল্লেখ কৰা নাই। অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে জৰুৰীকালীন অৱস্হা প্ৰতিক্ৰিয়াশীল শক্তিৰ বিৰুদ্ধে ব্যৱহাৰ হোৱা নাছিল, ই হৈছিল শ্ৰমিক কৰ্মচাৰী আৰু কৃষক ৰাইজৰ ওপৰত, সেই সময়তে অসমত যি বৃক্ষ্য ৰোপন হল তাৰ দ্বাৰা আজি ৪০ লাখ কৃষক উচ্ছেদ কৰা হল। আজিও তেওঁলোকৰ কোনো ব্যৱস্হা নহল আমাৰ দেশৰ মানুহ, আমাৰ দেশৰ ৰাইজ তেওঁলোকক সেই ঠাইৰ পৰা উচ্ছেদ কৰা হল তাৰোপৰি সেই কাল চোৰতে অসমৰ কৰ্মচাৰী সকলৰ ওপৰত কেনে ধৰণে অন্যায় অবিচাৰ কৰা হৈছিল, তেওঁলোকৰ কি দুৰৱস্হা হৈছিল সেই বিষয়ে নকলেও হব। কৰ্মচাৰী সকলৰ ইউনিয়নৰ মিটিং হলে তাত পুলিচ অফিচাৰ থাকিব লাগিব আৰু মিটিঙৰ প্ৰচিদিঙত পুলিচ অফিচাৰৰ চহী থাকিব লাগিব। আজিৰ আমাৰ এই চৰকাৰৰ শাসনত থকা কেবাজনো সদস্যই সেই সময়ত জেইলত আছিল আৰু সেই সকলে তেতিয়াৰ এই সদনতে যোৱা চৰকাৰৰকাৰ্য্য-কলাপৰ বিৰুদ্ধে দাবী কৰা শুনিবলৈ পাইছিলো কিন্তু আজি তেওঁলেকে এই ক্ষেত্ৰত নিৰৱ হৈ বহি থকাতো অত্যন্ত দুখজনক বিষয়। আনকি জেইলত থকা কালত যদি তেওঁলোকৰ কাৰোবাৰ মাকৰ মৃত্যু ঘটে তথাপিতো তেওঁলোকক জেইলৰ পৰা মাকক চাবলৈ যাব দিয়া হোৱা নাছিল। কিন্তু আজি সেইবিলাক কথাৰ কোনো উল্লেখ ইয়াত নাই আৰু আগৰ চৰকাৰৰ বিৰুদ্ধে কোনো কথাই ৰাজ্যপালৰ ভাষণত নথকাতো দুখ লগা কথা।

অধ্যক্ষ মহোদয়, সেই সময়ৰ কাহিনী মই আন সদস্য সকলতকৈ বেচি জানো। কিয়নো সেই সময়ৰ হেংদাং চৰকাৰে মোক বিচাৰি ফুৰিছিল আৰু মই ১৯ মাহ কাল অসমৰ ইমূৰৰ পৰা সিমুৰলৈ পুলিচৰ চকুত ধূলা দি ঘূৰি ফুৰিছিলো আৰু চৰকাৰে ঢোল কোবাই যিবিলাক প্ৰতিশ্ৰুতি দি ফুৰিছিল সেইবিলাকপৰ্য্যবেক্ষন কৰিছিলো, তেতিয়াই আগৰ চৰকাৰে মাটি দিছো বুলি কৈ ফুৰিছিল কিন্তু ততমুহূৰ্ত্তেতেই যি তেওঁলোকক উচ্ছেদৰ নটিচ দিছিল, এইয়া সেই নটিচৰ কপি মোৰ হাতত এতিয়া আছে, ১৯৭৫ চনৰ ৮ তাৰিখে গ্ৰেপ্তাৰ কৰা ছাত্ৰৰ কেচ আজিও উঠাই লোৱা নাই। আজি তেওঁলোকৰ বিৰুদ্ধে নন বেইলেবেল ওৱাৰেন্ট জাৰি কৰা হৈছিল। অকল সেয়েই নে ? মানুহে হত্যা কৰে তাৰ বিচাৰৰ কোনো ব্যৱস্হা নাই। উমেশ কলিতাক পুলিচে ধৰি নি হত্যা কৰিলে। বলিৰাম কলিতাই সেই মৃত্যুৰ তদন্তৰ কাৰণে যত্ন কৰাৰ কাৰণে তেওঁকো চাচপেনচন ৰখা হ'ল। আন এজনক চাকৰি দিয়া হৈছিল কিন্তু আই, জি, পিয়ে তেওঁক চাকৰি দিলে হেতেন যদিহে তেওঁ কংগ্ৰেছৰ স্বাৰ্থৰ কাৰণে কাম কৰিলেহেতেন কিন্তু আজিলৈকে সেই ল'ৰা জনৰ কোনো চাকৰি নহল। কিয়ানো তেওঁ হয়তো কংগ্ৰেছৰ স্বাৰ্থৰ কাৰণে কাম কৰিবলৈ অমান্তি হল আৰু সেই কাৰনেই তেওঁক হয়তো চাকৰিটো দিয়া নহল। এনেবিলাক কথাৰ বিষয়ে ৰাজ্যপালৰ ভাষণত উল্লেখ থকাটো উচিত আছিল। অকল সেয়ে নহয় আৰু বহুতো অবিচাৰ আৰু অন্যায় অত্যাচাৰ সেই কাল চোৰাৰ ভিতৰত হৈছিল। বিনা অপৰাধতে বহুতো কৰ্মচাৰী বিষয়াক সেই কাল চোৰাৰ ভিতৰত চাকৰীৰ পৰা দিচমিচ কৰা হৈছে। অথচ আনহাতেদি নিজৰ অঙহি-বঙহিক প্ৰমোচন দিছে। ১৯৭৫ চনৰ পৰাই ভবেন্দ্ৰ নাথ তালুকদাৰক চানপেন কৰি থৈছে। আজিও সেই চাচপেন-হোৱা হেডচিপ এলাউন্স ইত্যাদি অধ্যাপকজনক দিয়া হোৱা নাই। এই বিষয়ে শিক্ষা মন্ত্ৰী জনৰ ওচৰ'ল মই নিজেই গৈছিলো কিন্তু তাৰ কোনো বিচাৰ নাই। যোৱা ৩০ বছৰে আমাৰ জনসাধাৰণক অন্ন-বস্ত্ৰ দিব পৰা নাই। গতিকে আজি এই নতুন জনতা চৰকাৰে যাতে আৰম্ভণীতে এই বিলাকৰ প্ৰতি বিশেষ চকু দিয়ে তাৰ বাবে মই আগতীয়াকৈ সকিয়াই থলো। যোৱা ৩০ বছৰে বাণ জলসিঞ্চনৰ নামত চৰকাৰে কি কৰিছে সেই বিষয়ে মই বহলাই কব নোখোজো।

যদি কোনোবা গাঁওলৈ যোৱা মানুহ আছে তেনেহলে, সেই সকলে দেখা পাব যে, জলসিঞ্চনৰ কাৰণে যি বিলাক দোং খন্দা হৈছিল সেইবিলাক আজি ৰাজহুৱা শোচাগাৰত পৰিণত হৈছে। বেছি ভাগ ঠাইতেএইবিলাক হবলৈ পাইছে। এই শোচাগাৰ বিলাক এইকাৰণেই হবলৈ পালে যে, জলসিঞ্চন আঁচনি কাৰ্য্যকৰী কৰিবলৈ যোৱাৰ লগে লগে কৃষক জনসাধাৰণৰ লগত চৰকাৰৰ কোনো ধৰণৰ যোগাযোগ নাই। সৰ্বভোগৰ ওচৰত দোং খন্দাত মই বাধা দিছোঁ। ৰাইজেও বাধা দিছে। এই কাৰণেই বধা দিবলগীয়া হৈছে যে, এই কাৰণে যিবিলাক দোং খন্দাৰ ব্যৱস্হা কৰা হৈছে সেই বিলাক মানুহৰ ঘৰৰ মাজেৰে যায়। অন্ততঃ কম পক্ষেও ১০।১২ ঘৰমানমানুহৰ ঘৰ-বাৰীৰ মাজেদি এই দোংবিলাক যাব। পৰিকল্পনা কৰাৰ আগতেই সেই মানুহবিলাকৰ লগত চৰকাৰ বা আমাৰ ইঞ্জিনিয়াৰ সকলৰ কোনো সম্বন্ধ যোগাযোগ নাই। ক্ষতিপূৰণৰ টকা যে ৰাইজক দিব সেইটো আমাৰ চিন্তাৰ বাহিৰত। অসমৰ কোনো ঠাইতে ক্ষতিপূৰণ আদায় কৰিব পৰা নাই যদিও আমাৰ সৰ্বভোগত আন্দোলনৰ দ্বাৰা আমি এইটো ক্ষতিপূৰণ আদায় কৰি লৈহে দোং-খন্দিবলৈ দিয়া হৈছে।

জনতা চৰকাৰৰ যি কৃষি নীতি লোৱা হৈছে সেই কৃষি নীতিৰ দ্বাৰা অসমৰ ৰাইজৰ সমস্যা সমাধান হব নোৱাৰে। বৰং ই জটিলহে কৰিব আৰু ইয়াৰ দ্বাৰা ওৱাচিংটন আদি দেশহে আনন্দিত হব। যি বিলাক সুযোগ-সুবিধা ৰাইজক কৃষিৰ কাৰণে দিয়াৰ কথা কৈছে সেইবিলাক সুযোগ-সুবিধা গ্ৰহণ কৰিব পৰা কেইজন কৃষক আমাৰ গাঁৱত আছে? কেইজনে আজি সাৰ ব্যৱহাৰ কৰিব পাৰিছে? ১০ বিঘা মাটিৰ মালিক কোনো উন্নত পদ্ধতিত খেতি কৰিব নোৱাৰে। মই নিজেও নোৱাৰোঁ আৰু আনেও নোৱাৰে। এই সমস্যা সমাধান কৰিবলৈ যোৱাৰ লগে লগে গাওঁ অঞ্চলত যি বিলাক শোষণ চলি আছে সেইবিলাক আমি প্ৰথমতে নিৰ্মূল কৰি লব লাগিব। দেশৰ পৰা জমিদাৰ সকলক উচ্ছেদ কৰিবৰ কাৰণে কাৰো সাহস হোৱা নাই। বেছিকৈ কৃষকসকলক উচ্ছেদহে কৰা হৈছে আৰু মাটি বিলাক ক্ৰমান্বয়ে কেন্দ্ৰীভূত হৈ গৈ আছে। এইদৰেকেন্দ্ৰীভূত হোৱাৰ ফলত (উজনী অসমত হোৱা নাই যদিও) কামৰূপ আৰু নগাৱালপাৰা জিলাত দুটা শ্ৰেণীৰ উদ্ভৱ হৈছে। ফলত এই উচ্ছেদিত লোকসকল যিসকলে দিন হাজিৰা শ্ৰেণীত পৰিণত হৈছে আৰু যাক আমি খেতমজুৰী বুলি কৈছো যোৱা বছৰ কামৰূপ আৰু গোৱালপাৰা জিলাৰ এনে এডোখৰ ঠাই নাই যত গৰু মৰা নাই। হাজাৰ হাজাৰ কৃষকৰ আজি গৰু নোহোৱা হৈ আছে। গৰু কিনিবৰ বাবে এই লোক সকলক টকা দিব নোৱাৰে কিন্তু সেই বিলাক লোকেই আকৌ ট্ৰেক্টৰ কেনেকৈ কিনিব পাৰে? কেইজন গাৱলীয়া লোকৰ এই ট্ৰেক্টৰ কিনাৰ সামৰ্থ্য আছে? হয়তো গাঁৱৰ প্ৰতি মাত্ৰ এজনৰহে হয়তো এই ক্ষমতা হব। জনতা চৰকাৰে কৃষি নীতিৰ পৰিবৰ্ত্তন আনিব লাগিব। কৃষকৰ স্বাৰ্থৰ অনুকূলে কৃষি নীতি লব লাগিব। গাঁৱলীয়া অঞ্চলৰ পৰা জমিদাৰী উচ্ছেদ কৰিব লাগিব। কংগ্ৰেছৰ আমোলত যি বিলাক কাম নহল সেইবিলাক আমি বাস্তৱত ৰূপায়িত কৰি তুলিব লাগিব। লাগে লাগ আজি-কালি বিশেষকৈ ডালতে কিনি লোৱা একশ্ৰেণী সুদখোৰৰ জন্ম হৈছে। বিশেষকৈ গোৱালপাৰা জিলাত এইটো হৈছে। এই ধৰণৰ অত্যাচাৰ আৰু শোষণৰ পৰা যদি আমাৰ কৃষকসকলক ৰক্ষা কৰিব নোৱাৰিতেতিয়াহলে, অসমৰ উন্নতিৰ কথা কেৱল কিতাপতহে পঢ়িব পৰা যাব, বাস্তৱত সিসম্ভৱপৰ হৈ নুউঠিবগৈ। তাৰ পিছত উদ্যোগৰ ক্ষেত্ৰত কওঁ যে ইনকাম টেক্সৰ অফিচাৰসকলে কয় যে ব্যৱসায়ীৰ যেনেকৈ এক নম্বৰৰ এখন আৰু দুই নম্বৰৰ এখন খাটা ৰাখি কাম কৰে ঠিক তেনে এটা হিচাবেহে আমাক দিছে যেন অনুমান হৈছে। গুৱাহাটীত চাইকেলফেক্টৰী, গ্লছ ফেক্টৰী, টেক্সটাইল ইন্দাষ্ট্ৰি, হাৰ্ডবৰ্ড আদি যিবিলাক উদ্যোগ আছেসেই বিলাক যিমান দিন চলে তাতকৈ বন্ধ হৈ থাকে বেছি। কি কাৰণে তলবন্ধ হৈ থাকে সেইটোৰ যদি মূলোচ্ছেদ কৰিব নোৱাৰি

তেতিয়াহলে, নতুনকৈ উদ্যোগ গঢ়াৰ প্ৰচেষ্টাটো এটা দুঃস্বপ্নহে হব গতিকে উদ্যোগ গঢ়াৰ আগতে যি কেইটা উদ্যোগ তলাবন্ধ হৈ আছে সেই কেইটা কিয় তলা বন্ধ হব- এৰিয়াৰ পেমেন্ট নকৰাকৈ এতিয়াও পৰি আছে। ইমান টকা কেনেকৈ নিদিয়াকৈ পৰি এৰিয়াৰ পেমেন্ট নকৰাকৈ এতিয়াও পৰি আছে। ইমান টকা কেনেকৈ নিদিয়াকৈ পৰি থাকিব পাৰে? তাৰ বিষয়া বিলাকে কি কৰি থাকে? ভাৰতবৰ্ষৰ একশ্ৰেণী একচেটিয়া পুঁজিবাদীক মতি আনি অসম জননীক লুণ্ঠন কৰিবলৈহে দিয়া হৈছে। মাত্ৰ জকাটোহে এতিয়া আমাৰ কৰণে বাকী আছে। চৰকাৰে 'এচেছতেকৈ লিয়াবিলিটি' বেচিবলৈহে কয়।

তাৰ পিছত দশম মান শ্ৰেণীলৈকে মাচুল মাৰ্ফদিয়াৰ কথাটোত আমি জনতা চৰকাৰক অভিনন্দন জনাইছোঁ। তাৰে পৰি প্ৰত্যেক গাঁৱতে প্ৰাইমেৰী একেখন কৰিম বুলি কোৱা কথাটোতো আমি অভিনন্দন জনাইছোঁ। লগতে মই এটা কথা কওঁ যে, গাওঁ-বিলাকত যিবিলাক প্ৰাণমেৰী স্কুলৰ শিক্ষক ছে সেইবিলাক আৰু মহ নগৰালৰ মাজত খৰউব কমেইহে প্ৰাৰ্থক্য ৰাখিছে। স্বাধীনতাৰ সুদীৰ্ঘ ৩০ বছৰৰ পিছতোতো কংগ্ৰেছ চৰকাৰক শিক্ষাৰ প্ৰতি ইমানেই দৰদ আছে যে, এতিয়াও একেজন শিক্ষকক লৈ এশজন ছাত্ৰ থাকিব লগীয়া প্ৰাইমেৰী স্কুল গাওঁবিলাকত আছে। মোৰ সমষ্টিতে এখন মৌজাৰ তথ্য লৈ জানিব পাৰিছো যে, তাত ১৬ খন স্কুলতে এই ব্যৱস্থা চলি আছে। অহা বছৰৰ পৰা অসমৰ কোনো গাঁৱতেই প্ৰাইমেৰী স্কুল নথকাকৈ নেথাকে। কিন্তু এইটোও চাব লাগিব যাতে সেই স্কুলবিলাকৰ প্ৰত্যেকতে দুজন প্ৰাইমেৰী স্কুলৰ শিক্ষক ব্যৱস্থা কৰে। কংগ্ৰেছ যোৱা ৩০ বছৰে আমাৰ মানুহক নিৰক্ষৰ কৰি ৰাখিছিল। আমি জনতা চৰকাৰক ৰাইজক শিক্ষা দিবৰ কাৰণে কম। আমি আশা কৰিছিলো যে, প্ৰশংসনীয় ক্ষেত্ৰৰ পৰা দুৰ্নীতি আতৰোৱা হব। দুৰ্নীতি আমাৰ সামাজিক জীৱনৰ প্ৰতি ৰন্ধ্ৰে ৰন্ধ্ৰে সোমাইছে। এই দুৰ্নীতি যদি আমাৰ অসম দেশৰ স্বাৰ্থতেই হল হেতেন তেতিয়াহলেও কবলৈ আমাৰ একো নাছিল। কিন্তু এই দুৰ্নীতি এই ৰাজ্যখনক বিষাক্ত কৰাৰ কাৰণে সমৰাজ্যবাদীৰ শক্তিয়ে বৃহৎ ধনীক শ্ৰেণীৰ লোকৰ দ্বাৰা সোমোৱাই দিছে। কেইজনমান চৰকাৰী কৰ্ম্মচাৰীক শাস্তি দিয়েই কাম সমাধা নহব। মূল ধনতান্ত্ৰিক সমাজব্যৱস্থা আজি সাম্ৰাজ্যবাদীৰ ওপৰত নিৰ্ভৰ কৰিয়েই বৰ্ত্তি আছে। আৰু ভূস্বামী সকলক লগত লৈ যি সমাজ ব্যৱস্থা গঢ়ি তুলিবলৈ চেষ্টা কৰিছে তাৰ ৰিৰোধাচৰণ নকৰিলে দুৰ্নীতিপৰায়ণ কেইজনমান চৰকাৰী কৰ্ম্মচাৰীক শাস্তি দিয়েই সমাজৰ পৰা দুৰ্নীতি দূৰ কৰিব নোৱাৰি আৰু যদি কোনোবাই সেইটোৱেই একমাত্ৰ পথ বুলি ভাবিছিল তেতিয়াহলে মই কম সেই পথেই এক-মাত্ৰ পথ নহয় আৰু মূল সমস্যা সমাধানৰ কাৰণে আমি আগবাঢ়ি যোৱা উচিত।

**শ্ৰীঅতুল চন্দ্ৰ গোস্বামী** :— মাননীয় অধ্যক্ষ মহোদয়, জনতা চৰকাৰক মই বাহিৰে ভিতৰে সমৰ্থন দিম বুলি লিখিছো। মই সমৰ্থন দিছো। কিন্তু এই সমৰ্থনৰ অৰ্থ এয়ে নহয় যে তেখেত সকলে যি কব তাকে 'ইয়েচ ইয়েচ' কৰিম। অৰ্গমেন্টৰ জৰিয়তে আলোচনা বিলোচনাৰ জৰিয়তে যি সমৰ্থন তেখেত সকলে লাভ কৰিব সেইটোৰহে মূল্য আছে। সেই উদ্দেশ্য আগত ৰাখিয়েই মই সংশোধন আনিছিলোঁ। কিন্তু বৰ দুখেৰে সৈতে মই কব খুজিছোঁ যে, মই অসমীয়াতে এটা সংশোধনী লিখিছিলো কিন্তু সেইটো বোলে অনুযায়ী নহল। সেই কাৰণেই ইংৰাজীৰ গতত লিখাৰ কাৰণে মই চহী কৰি দিলো। গতিকে দুখেৰে সৈতে তাকেই মই ইংৰাজীত পঢ়ি দিছোঁ।

That at the end of the Motion of Thanks moved by Shri Nagen Sarma on the address of Governor, the following be added-'But regret to note that the Governor has failed to assure the all round Socio-economic development of the State, to mention the time bound schemes taken up for solution of the ever increasing unemployment problem and failed to mention the steps taken to arrest the mounting rise of price of essential commodity and also scheme for industrial development.

অধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ৰ ভাষণখন পঢ়ি মই বহুত সময় হাঁহিমেই নে কান্দিমেই তাকে ভাবিলোঁ। ৩০ বছৰৰ ভিতৰত আমি বহুত কষ্ট স্বীকাৰ কৰিছোঁ। স্বৰ্গীয় বিমলা প্ৰসাদ চালিহাৰ দিনৰে পৰা শ্ৰদ্ধেয় সিংহ ডাঙৰীয়াৰ দিনলৈকে কেইবা-বাৰো জেইললৈ আহিছো। মাৰ খাইছো। এই কাৰণেই ইমান কষ্ট স্বীকাৰ কৰিছিলোঁ যে, দেশত কিবা এটা পৰিবৰ্ত্তন আনিম, দেশত এটা সমাজবাদী চৰকাৰ গঠিত হব। তেওঁলোকৰ দৃষ্টিভংগী বেলেগ হব। কিন্তু "জেইছা ৰাজা ৰামচিং, তেইছা মন্ত্ৰী ভাটিংটিং"। শ্ৰীসিংহ ডাঙৰীয়াই যি সকল বিষয়াৰ দ্বাৰা ৰাজ্যপালৰ ভাষণ লিখাই দিছিল সেইদৰে নতুন জনতা চৰকাৰেও তথা জনতা চৰকাৰৰ মন্ত্ৰীয়ও ৰাজ্যপালৰ ভাষণখন কোনো 'বৰক্ৰেটিকৰ' দ্বাৰা লিখি দিছে। নিজে এই ভাষণ লিখাৰ দায়িত্ব নতুন চৰকাৰে লোৱা নাই আনকি জনতা দলৰ নিৰ্বাচনী ঘোষণা পত্ৰখনো পঢ়িবলৈ দিয়া নাই। আগৰ চৰকাৰৰ দুৰ্নীতি বিলাক জনতা চৰকাৰে সাহসেৰে সৈতে ৰাজ্যপালৰ ভাষণত এই বিধান সভাত জনাব বুলি ভাবিছিলোঁ। কিন্তু শাসনত বহিলেই দুৰ্বলতা আহেনেকি? যোৱা কালি এখন সভা হৈছিল। এইখন পতা হৈছিল জনতা পাৰ্টিৰ সদস্য সকলক সম্বৰ্দ্ধনা জনা-বলৈ কেইবাজনেও তেখেত সকলক সম্বৰ্দ্ধনা জনাব নেলাগে বুলি কৈছে আৰু ৰইজেহে সম্বৰ্ধনাৰ পাত্ৰ বুলি কৈছিল। এজন মন্ত্ৰীয়ে 'টোটেল-ৰিভলিউচনৰ' কথা কৈছিল। কিন্তু এইটো কেৱল মুখেৰে কলেই নহব। কামেৰেও কৰিব লাগিব। কালি যি খন সভা পতা হৈছিল সেইখন আছিল ৰাজনৈতিক সভা। মন্ত্ৰী সকলে নিজৰ নিজৰ পইছা খৰছ কৰি যাব লাগিছিল। কিন্তু তেওঁলোকে চৰকাৰীগাড়ীত ঝণ্ডা উৰাই গৈছে। জনতা চৰকাৰৰ এই বিলাক কথা আমি সমৰ্থন কৰিব নোৱাৰো।

(ভইছ্ :—আপোনালোকে নিজৰটো পাহৰিলে নেকি ?)

মই জনতা চৰকাৰক সমালোচনা কৰি থকাৰ কাৰণে আমাৰ বন্ধু শ্ৰীৰণেন বসুমতাৰী আৰু শ্ৰীমকুট শৰ্ম্মাই ভাবিছে যে, মই সিফালে যাম।

শ্ৰীমকুট শৰ্ম্মা :—ইয়ালৈ আহিব নেলাগে, তাৰ পৰা সমৰ্থন কৰিলেই হব।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :—এইটো আপোনালোকৰ দিবা স্বপ্নহে হব। শ্ৰদ্ধেয় শ্ৰীৰাজবংশী আমাৰ শিক্ষক আছিল আৰু মোক সমাজবাদ তেখেতে প্ৰথমে শিকাইছিল, কিন্তু বৰ্ত্তমান তেখেত দল বগৰা লোক।

(সদনত হাঁহিৰ ৰোল উঠে)

আমি লটি মৰা মানুহ নহয়। জনতাচৰকাৰে ৰাজ্যপালৰ ভাষণত জনতাপাৰ্টিয়ে নিৰ্বাচনী ইস্তাহাৰত তেওঁলোকে দিয়া ঘোষণা পত্ৰৰ কথা উল্লেখ কৰিছিল। কিন্তু ৰাজ্যপালৰ ভাষণত সেই কথা কোৱা নহল। কৃষি উন্নয়নৰ কথা ৰাজ্যপালৰ ভাষণত কোৱা হৈছে। কিন্তু মন্ত্ৰীৰ দপ্তৰ বিতৰণৰ ক্ষেত্ৰত কি হৈছে ? কৃষি আৰু সমবায় এজনক দিছে, জলসিঞ্চন দিছে অন্য এজনক। কৃষিৰ লগত জলসিঞ্চন বিভাগ নেথাকিলে যিটো অৱস্থা হয় সেইটো মোৰ বন্ধু শ্ৰীহেমেন দাসে কৈছেই। কেতিয়াবাই কলিয়াবৰ টিকেলিত জলসিঞ্চন আঁচনিৰ কাম আৰম্ভ হল কিন্তু আজিলৈকে পানীও নাই আৰু ধনো নাই। মাটি কাটি শেষ কৰি দিছে। ২১ শ বিঘা মাটি গল। মাটি যোৱা সকলৰ চাকৰীত থকা লৰাহঁতৰ চাকৰি যায় তিনি মাহৰ মূৰে মূৰে আকৌ হয়তো দিয়ে। পইছা নাই। মাটি যোৱা সকলৰ অৱস্থা নাই। পানী যোগান নাই। চাকৰীৰ স্থায়ীত্ব নাই।

তাৰ পিছত দশম মান শ্ৰেণীলৈকে মাছুল মাফ দিয়াৰ সিদ্ধান্তলৈ আহোঁ। বৰ ভাল কথা হৈছে। পিছে পৰৱৰ্ত্তী সমস্যা সমাধান কেনেকৈ হব সেইটোৰ কোনো উল্লেখ নাই। প্ৰাইমেৰী শিক্ষা কেনেকৈ ভাল হব সেইটোৰো কোনো উল্লেখ নাই। গাঁৱে গাঁৱে স্কুল কৰিলেই নহব। স্কুল এতিয়াও আছে। ৰাষ্ট্ৰীয় পথৰ ওচৰৰ স্কুল বিলাকত টকা পইচা দি ঘৰ-দুৱাৰ সামান্য উন্নতি কৰা হৈছে। কিন্তু তাৰ সিফালৰ ভিতৰুৱা জেগা বিলাকতহলে স্কুলৰ অৱস্থা অত্যন্ত শোক লগা। এজন শিক্ষক আৰু এশ জন ছাত্ৰ থকা অৱস্থা এতিয়াও চলি আছে। এই বিলাকৰো এটা সমাধান পাব লাগিছিল। যোৱা কালি ৰাজ্যপালৰ ভাষণ মাতৃ ভাষাত দিব লাগে বুলি মাননীয় সদস্য শ্ৰীৰাজবংশী আৰু মই কৈছিলো আৰু দাবী কৰিছিলো। কিন্তু জনতা চৰকাৰৰ দিনত মাতৃভাষাতে এই ভাষণ নিদি জনতাৰ প্ৰতি অপমান কৰা হল। ভৱিষ্যতলৈ মই চৰকাৰক সতৰ্ক কৰি দিছোঁ যে, এই ক্ষেত্ৰত যাতে মাতৃ ভাষাকে প্ৰয়োগ কৰা হয়। ইংৰজী ভাৰতৰ মাতৃ ভাষা কেতিয়াও হব নোৱাৰে। বঙালী বা আন ভাষাত ৰাজ্যপালৰ ভাষণ হলে তাক শুনিবলৈ তৈয়াৰী আছোঁ এই কাৰণেই যে, সিও একোটা ভাৰতীয় ভাষা। কিন্তু ইংৰাজী কেতিয়াও আমাৰ মাতৃভাষা হব নোৱাৰে। যিবেৰ কাৰণত পূৰ্ববৰ্ত্তী চৰকাৰৰ পতন হল সেই বিলাক যাতে আমি নকৰো বা কৰিবলগীয়া নহয় সেইটোৰ কাৰণে আমি সতৰ্ক হব লাগিব। ভাবিছিলো যে, ৰাজ্যপালৰ ভাষণত মন্ত্ৰী সকলৰ সা-সম্পত্তি বিলাকৰ হিচাব দুমাহৰ ভিতৰতে ঘোষণা কৰিব লাগিব বুলি উল্লেখ থাকিব কিন্তু তেনে ইঙ্গিত এই ভাষণত নাই। এই ক্ষেত্ৰত বিধায়ক সকলেও সম্পত্তিৰ খতিয়ান দাখিল কৰাৰ দিহা হব লাগে কিন্তু সেইটোহোৱা নাই। ৰাজ্যপালৰ ভাষণত কেৱা হৈছে এই চৰকাৰে কেন্দ্ৰীয় চৰকাৰক সহায় আশা কৰিব পিছে সদায়েই জেলোঙা লৈ আমি কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ পইছা বিছাৰিগৈ থাকিব লাগিব নেকি? যোৱা ত্ৰিশ বছৰেই এইটো হৈয়েই আছে। শ্ৰীসিংহ ডাঙৰীয়াই মাহকেত এইটোৰ কাৰণেই দৰবাৰ দিল্লীলৈ যাব লগীয়া হৈছিল। আমাৰ জনতা চৰকাৰেও যদি এইটোকে কৰিবলগীয়া হয় তেতিয়াহলে, কেনেকৈ হব? সদায়েই বৰঝাৰ-পালাম কৰিয়েই থাকিবনে কি? কিহৰ ভিক্ষা? প্ৰাপ্য সদায়েই পব লাগিব। তাৰ পিছত আমাৰ ফৰেষ্টৰ কথা কৈছোঁ। প্লাইউড্ বুলি কোৱা হৈছে। কিন্তু এই প্লাইউড্ বিৰলাক কিমান চিয়েফটি কিমান দামত দিয়া হৈছে?

ৰাজ্যপালে ফৰেষ্ট বিভাগৰ উন্নতি সাধনৰ কথা কৈছে, প্লাইউদ চেগুন বুলি কো হৈছে কিন্তু পাইউদৰ কাৰণে বিৰলাই কিমান পইচা দি আছে। আজি নাগালেণ্ড, অৰুণাচলে যি কাঠৰ বাবে বিৰলাৰ পৰা কিউবিক ফুটত ১২ টকাকৈ পায় আৰু তাৰ তুলনাত অসমে ৭.৫০ পইচাৰ চুক্তি কৰি দিছে। আমাৰ বনাঞ্চল ধ্বংস হৈ গল। প্লেনটেচনৰ নামত বনাঞ্চল ধ্বংস হৈ আছে। কাজি ৰঙাত নেচেনেল পাৰ্ক হ'ল জীৱজন্ত ৰক্ষণাবেক্ষণ কৰিলে বৰ ভাল কথা কিন্তু তাত খেতি কৰা খেতিয়ক সকলে এতিয়াও ৰাতি টঙি পাতি ৰখি নাথাকিলে খেতি চপাব নোৱাৰে। বাঘটো প্ৰটেকটেড জীৱ। কিন্তু সেই বাঘে মানুহ খাই শেষ কৰিলেও তাৰ খবৰ নাই। মোৰ ওচৰৰে চামগুৰীৰ লাউখোৱা বনাঞ্চলত কাষৰীয়া ৰাইজৰ অবৰ্ণনীয় কষ্ট হৈছে। তেওঁলোকে খেতি কৰে কিন্তু শস্য ৰক্ষাৰ কোনো ব্যৱস্থা নাই। ৰাতি জুই ধৰি টঙি বান্ধি খেতি ৰখিবলগীয়া হয়। গৰীব খেতিয়ক সকলৰ শস্যৰক্ষা কৰা চৰকাৰৰ আঁচনি নাই।

বয়বস্তুৰমূল্য বৃদ্ধি হৈছে বুলি ৰাজ্যপালৰ বাহিৰে সকলোৱে স্বীকাৰ কৰিছে। কিন্তু কেনেকৈ তাৰ নিবাৰণ কৰা হব সেই ইংগিত ৰাজ্যপালৰ ভাষণত নাই। মচুৰ দাইল সস্তীয়া দোকানৰ যোগেদি কম দামত দিলেই ৰাইজৰ কি উপকাৰ হব? কিন্তু দাম কি কাৰণ বাঢ়িছে বা কৃষিজাত উৎপাদনৰ বৃদ্ধি কৰা কথা দানাদাৰ শস্যৰ উন্নত বীজ ব্যৱহাৰ কৰাৰ কথা এই বিলাক কথাৰ উল্লেখ নাই। আলু যেতিয়া ৰুবলাগে কৃষকে সাঁচ তেতিয়া নাপায় তাৰ ৩ মাহৰ পাচতহে পায়। ঘেহুগুটি আহিব লাগে অক্টোবৰত কিন্তু খেতিয়কে গুটি পায় ডিচেম্বৰতহে। এইবিলাক কাৰনতে আমাৰ উৎপাদন বৃদ্ধি নহয়।

ভূমি সংস্কাৰৰ ক্ষেত্ৰত ১০ বিঘালৈ মাটিৰ খাজনা মাফ দিয়াত আমি সন্তুষ্ট হৈছো। আমিটো বাটে ঘাটে কৈ ফুৰিছিলো মাটিৰ খাজনা ২০ বিঘালৈ মাফ হব লাগে, এতিয়া ১০ বিঘালৈ হোৱাটোও গোটেই বেয়া হোৱা নাই। তাত কৈ ডাঙৰ কথা হৈছে ৩০-৩৫ বছৰ ধৰি অসমৰ বিভিন্ন অঞ্চলত এতিয়াও খেতিয়ক সকলে তৌজি খাজনা দি মাটি খাই আছে। এই তৌজি খাজনা দিয়া দুখীয়া খেতিয়ক সকলে বেংকৰ ঋণ পঞ্চায়ত আদিৰ পৰা অন্যান্য কোনো সুবিধা নাপায়। ম্যাদি পট্টা নহলে বেংকে বা আনকি গাঁও পঞ্চায়তেও কোনো সুবিধা খেতিয়কক নিদিয়ে। এই ডাঙৰ সমস্যাটো সমাধানৰ কাৰণে ৰাজ্যপালৰ ভাষণত কোনো ইঙ্গিত নাই। মই আশাকৰো জনতা চৰকাৰে যি সকল খিলঞ্জিয়া খেতিয়কে ৩০-৩৫ বছৰধৰি তৌজি খাজনা দি আছে তৎক্ষনাত তেওঁলোকক ম্যাদি পট্টা দিয়াৰ ব্যৱস্হা কৰিব লাগে যাতে তেওঁলোকে বেংকৰ পৰা সকলোধৰণৰ সাসুবিধা পায়।

উদ্যোগৰ ক্ষেত্ৰত দেখা গৈছে যিবিলাক ক্ষুদ্ৰ উদ্যোগ কৰা হল সেই সকলোবিলাকৰ অৱস্হা শোকলগা। অসমত শিলঘাটত যিটো একমাত্ৰ সমবায় জুটমিল আছে তাত মৰাপাট কিনিব পৰা নাই তাত অৰ্থনৈতিক সহায় নকৰাৰ কাৰণে এই বছৰত ৩০ লক্ষ্য টকা লোকচান ভৰিবলগীয়া হৈছে। এই জুটমিলটো ৰক্ষা কৰিব নোৱাৰিলে বেয়া হব। এই খিনিতে মই আমাৰ মন্ত্ৰী জগন্নাথ সিংহ আৰু শ্ৰীসোনেশ্বৰ বৰাক অনুৰোধ কৰিছো যাতে এই মিলটোৰ এটা বিশেষ ব্যৱস্হা কৰে। কাৰণ এইটো ৰাইজৰ আশা আকাংখ্যাৰ থল। আৰু প্ৰায় ১২০০ থলুৱা লৰাই ইয়াত কাম কৰে। উদ্যোগ বিকাশ কৰিব নোৱাৰিলে নিবনুৱা সমস্যা সমাধান নহয়। আমি এইবাৰ ভাবিছিলো যে নতুন চৰকাৰে এই নিবনুৱা সকলক চাকৰী দিব নোৱাৰিলে বেকাৰ ভাট্টা দিয়াৰ ব্যৱস্হা কৰিব আৰু তাক আমি ৰাজ্যপালৰ ভাষণত দেখিম। কিন্তু সেইটো নহ'ল। যদি চাকৰি দিব পৰা নাযায় তেনেহলে বেকাৰ ভাট্টা দিয়াৰ ব্যৱস্হা কৰিব লাগে।

হাইস্কুলবিলাক চৰকাৰীকৰণ কৰা হ'ল নিৰ্বাচনৰ আগমুহুৰ্ত্তত। শিক্ষক সকলৰ স্কুলৰ প্ৰভিদেণ্ট ফাণ্ডখিনি লৈ অহা হ'ল কিন্তু ঘৰবিলাকৰ ব্যৱস্হা উন্নত কৰা নহল। আনহাতে স্কুলবিলাকত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়ি যোৱাৰ ফলত অতিৰিক্ত চেকচন খোলা হল তাত কিছুমান গ্ৰেজুৱেটে ৮০-৭০ টকাত ৫-১০ বছৰ ধৰি খাতি আছে-তেওঁলোকৰ চেকচনটোৰ পাৰ্মিচনো দিয়া হৈছে কিন্তু পোষ্টবিলাক হলে আজিলৈ চেংচন হোৱা নাই। ফলত এই শিক্ষক সকলে দুৰ্যোগ ভুগিছে। গতিকে জনতা চৰকাৰক এই সমস্যাটো সমাধানৰ কাৰণে বিশেষভাবে অনুৰোধ কৰিলো। চৰকাৰী কৰ্ম্মচাৰী সকলেও ধৰ্ম্মঘট কৰা বুলি ৰাজ্যপালৰ ভাষণত কৈছে। শিলচৰ মেডিকেল কলেজৰ ৰেগিং হোৱাৰ ফলত অশান্তি হৈছে বুলি ৰাজ্যপালৰ ভাষণত উল্লেখ কৰিছে কিন্তু এইবিলাক সমস্যা সমাধানৰ স্পষ্টৰূপ ভাষণত দিয়া নাই। গতিকে এই সমস্যা সমূহ সমাধান কৰিবলৈ নতুন চৰকাৰে অতি গভীৰ-ভাবে চিন্তা কৰিব লাগে।

নিৰ্বাচনী ঘোষণাপত্ৰত জনতা পাৰ্টিয়ে যিবিলাক কথা দিছিল তাৰ ভিতৰত একে-বাৰে শেষৰ ফালে নিবনুৱা সমস্যা সমাধান, সাম্প্ৰদায়িকতা দূৰীকৰণ এই বিলাক কথাৰ আশ্বাস দি নিৰ্বাচনত জয়লাভ কৰি আহিছে। সেইবিলাক যাতে সুকলমে কাৰ্য্যকৰী কৰিব পাৰি আৰু তাৰ দ্বাৰা যাতে ৰাইজৰ আস্হা ঘূৰাই আনিব পাৰি তাৰ কাৰণে চেষ্টা কৰিব লাগে। আগৰ কংগ্ৰেছৰ মন্ত্ৰী সকলৰদৰে ৰঙা লাইট জ্বলাই মটৰ গাড়ী বৰকৈ ঘূৰাই নথকাই ভাল। আৰু বৰকৈ ফিটা কাতি ফুৰাটোতো মন্ত্ৰী সকলে বাদ দিব লাগে। মন্ত্ৰী সকলে বিধান সভাৰ সদস্য সকলৰ কথাও যাতে চিন্তা কৰে।

আমি যাতে কোনো এটা উপযুক্ত চাকৰিৰ কাৰণে ডি, পি, আই অফিচলৈ গৈ এম, এল, এ, বুলি পৰিচয় দি বহিবলৈ দিয়ক বুলি পৰিচয় দিব লগা নহয় তাৰ ব্যৱস্থা কৰা হয়। চৰকাৰে নিজৰ কাম আৰু কথাৰ মাজত যাতে পাৰ্থক্য নাৰাখে তাৰ প্ৰতি লক্ষ্য ৰখা উচিত। মন্ত্ৰী সকলে তেওঁলোকৰ নিজৰ আচৰণৰ দ্বাৰা জনসাধাৰণক তেওঁলোকৰ সততা বুজিবলৈ দিব লাগিব। জনতা পাৰ্টি আৰু চৰকাৰৰ ওচৰত ৰাইজৰ আশা-আকাংখ্যা বহুখিনি আছে, সেইখিনি তেওঁলোকে পূৰণ কৰিব লাগিব তেওঁলোকৰ নিজৰ কাৰ্য্যৰ দ্বাৰা। ৰৰ দোৰা-দোৰী হোৱাৰ কাৰণে তেওঁলোকে হয়তো ৰাজ্যপালৰ ভাষণ ইচ্ছামতে সম্পাদন কৰাব নোৱাৰিলে। আমি আশা ৰাখিছো জনতা পাৰ্টিৰ যি নিৰ্ব্বাচনী ইস্তাহাৰ তাক অফিচাৰ সকলক নিজে পঢ়ি চাবলৈ বাধ্য কৰা হয়।

মই আশা ৰাখিছো জনতা পাৰ্টিয়ে ৰাইজক যি আশ্বাস দিছিল সেই আশ্বাস আখৰে আখৰে পালন কৰিব, নিৰক্ষৰতা দূৰীকৰণ কৰিব। গাঁৱৰ মানুহে খোৱা পানীৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে যি ৪০ কোটি টকাৰ আঁচনি লৈছে সেইদৰে অসমতো যত অনু- সূচীত আৰু জনজাতীয় সম্প্ৰদায়ৰ লোক আছে তেওঁলোকক বিশুদ্ধ পানীৰ যোগান দিয়ে। ফাগুণ-চ'ত মহীয়া এই সম্প্ৰদায়ৰ ৬০ বছৰীয়া বুদ্ধাই আৰু ১৫ বছেৰীয়া গাভৰুৱে কাক বাহৰ চুঙালে আধা মাইল, এক মাইল দূৰৰ পৰা পানী আনি খাব লগা হয়। মোৰ সমষ্টিৰ দুটা মৌজা দোৱাৰ বাৰ্গাৰি আৰু দোৱাৰ চালনা এই দুখন মৌজাৰ মানুহে ফাগুণ-চ'ত মহীয়া এইদৰেই কাক বাহৰ চুঙাত পানী খাব লগা হয়। জনতা চৰকাৰে এবছৰৰ ভিতৰতে পিচপৰা অঞ্চলৰ পানী যোগান আঁচনি অতি শীঘ্ৰে হাতত লব। এই খিনি কৈয়েই মই মোৰ আশন গ্ৰহণ কৰিছো।

**শ্ৰীদেৱান জয়নাল আবেদিন** :—মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই এম, এল, এ শ্ৰীনগেন শৰ্ম্মাই ৰাজ্যপালৰ ভাষণৰ ওপৰত যিটো ধন্যবাদ সূচক প্ৰস্তাৱ আনিছে তাৰ ওপৰত মই যি সংশোধনী আনিব খুজিছো সেইটো পঢ়ি দিছো

Government policy regarding the burning issue of the socio-economic life of Assam like industrialisation, creation of avenues for appointment distribution of land to the landless, flood control measures, mechanisation of agriculture etc., were not spelt out properly in the Address.

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত যিটো ধন্যবাদসূচক প্ৰস্তাৱ অনা হৈছে তাৰ ওপৰত সংশোধনী আনি দুটামান কথা এই সদনৰ আগত উল্লেখ কৰিব খুজিছো। আজি ইমান দিনে কংগ্ৰেছ চৰকাৰে যি নীতি অনুসৰণ কৰি আহিছে সেই নীতি চৰকাৰ পৰিবৰ্ত্তন হোৱাৰ লগে লগে পৰিবৰ্ত্তন হব বুলি ৰাইজে আশা কৰিছিল। কিন্তু ৰাজ্যপালৰ ভাষণ দেখি আমি হতাশ হৈছো যে স্বাভাৱিকতে ৰাইজে যি পৰিবৰ্ত্তন হব বুলি আশা কৰিছিল সেই পৰিবৰ্ত্তনৰ ইয়াত কোনো উল্লেখ নাই। এটা কথা আমি ধৰি লোৱা ঠিক নহব যে চৰকাৰৰ পৰিবৰ্ত্তন মানে প্ৰশাসন যন্ত্ৰৰ পৰিবৰ্ত্তন আৰু আমোলা সকলৰো পৰিবৰ্ত্তন। আজি ইমান দিনে কংগ্ৰেছ চৰকাৰে যিজন বিৰোধী নীতি পালন কৰি আহিছিল সেই নীতিৰ পৰিবৰ্ত্তন স্বাভাৱিকতে ৰাইজে আশা কৰিছিল, কিন্তু তাৰ কোনো আভাস এই ভাষণত আমি দেখা পোৱা নাই। কাৰণ আমি জানো যে কেন্দ্ৰত আৰু ৰাজ্যত যি গণতান্ত্ৰিক আন্দোলন গঢ়ি উঠি- ছিল সেই আন্দোলন সমৰ্থন কৰিয়েই জনতা দলে জনপ্ৰিয়তা অৰ্জন কৰিছিল আৰু মূলত তাৰ বাবেই ৰাইজে জনতা চৰকাৰক কেন্দ্ৰ আৰু ৰাজ্যৰ গাদীত বহুৱালে। সেই কাৰণে আমি আশা ৰাখিছো আৰু লগতে শাসক দলক সতৰ্ক কৰি দিছোঁ যে গাদীত বহাৰ লগে লগেই যাতে এই চৰকাৰে জনসাধাৰণৰ ন্যায়সংগত আন্দোলনৰ প্ৰতি সহানুভূতিশীল দৃষ্টিভংগী লবলৈ পাহৰি নাযায়। কিন্তু

ৰাজ্যপালৰ ভাষণ দেখি আমি দুখ পাইছো যে আগৰ কংগ্ৰেছ চৰকাৰে শোষিত জনতাৰ প্ৰতি যি দমণ নীতি অনুসৰণ কৰিছিল দেশত গণতান্ত্ৰিক ন্যায় সঙ্গত আন্দোলন দমণ কৰাৰ যি নীতি অনুসৰণ কৰি আহিছিল সেই নীতিৰে এটা প্ৰতিফলন আমি ইয়াত দেখা পাইছোঁ। উদাহৰণ স্বৰূপে উল্লেখ কৰিব পাৰি যে স্কুল কলেজৰ ছাত্ৰ-শিক্ষক ট্ৰেড ইউনিয়ন সমূহে আৰু কৰ্মচাৰী সংস্থাবোৰে যি আন্দোলন গঢ়ি তুলিছিল সেই সম্পৰ্কে ইয়াত কোৱা হৈছে—

There were series of agitations by students, Service Associations and Trade Unions in the course of the year which posed gr ve prob-lems, but these could be effectively contained over a pe iod of time. The students agitation centred round various issues both academic and non-academic, political as well as local. Old issues were sometimes brought up as fresh demands.

তাৰ মানে ইয়াত কৰ খোজা হৈছে যে বিভিন্ন চাৰ্ভিছ এচ'চিয়েচন ট্ৰেড ইউনিয়ন, ছাত্ৰ আৰু শিক্ষক সংগঠনৰ নেতৃত্বত যিবোৰ আন্দোলন গঢ়ি উঠিছিল—সেই আন্দোলন সমূহ বিগত কংগ্ৰেছ চৰকাৰে যি ধৰণে নিষ্ঠুৰ ভাবে দমন কৰিছিল তাৰ বাবে ইয়াত কৃতিত্ব দাবী কৰা হৈছে। শিক্ষক আন্দোলনৰ ভুক্ত-ভোগী ৰঞ্জিত ভট্টাচাৰ্য্য গায়ত্ৰী ৰয় আদিক আজিও কামত পুনৰ নিয়োগ কৰা হোৱা নাই। লামডিং কলেজৰ পৰীক্ষা বৰ্জন আন্দোলনত বহিস্কাৰ কৰা ৫ জন ছাত্ৰক আজিও কলেজত যোগ দিব দিয়া হোৱা নাই। আজি জনসাধাৰণে স্বাভাবিকতে আশা কৰে সেই চৰকাৰে গদীত বহি যাতে তেনেধৰণৰ সমালোচনাৰ সুযোগ নিদি এইবোৰ শিক্ষক কৰ্মচাৰীক কামত পুনৰ নিয়োগ কৰে আৰু বহিস্কাৰ কৰা ছাত্ৰ সকলক পুনৰ কলেজত যোগ দিবলৈ অনুমতি দিয়া হয়।

তাৰ পিচত চৰকাৰী কৰ্মচাৰী সকলৰ আন্দোলনৰ সম্পৰ্কত এটা কথা কোৱা হৈছে—

However, before any consensus could be reached in definite strike was resorted to.

আলোচনা-বিলোচনা চলাই থকা অৱস্থাতে কৰ্মচাৰী সকলে অনিৰ্দ্দিষ্ট কাললৈ ধৰ্মঘট কৰিবলগা হল আৰু তাৰ কাৰণে তেওঁলোকক জগৰীয়া কৰা হৈছে। অথচ আমি জনাত তেওঁলোকক এই ধৰ্মঘট কৰিবলৈ বাধ্য কৰোৱা হৈছিল। আৰু এতিয়া লৈকে তেওঁলোকৰ ন্যায় সংগত দাবী সমূহ পূৰণ কৰা হোৱা নাই। মই আশা কৰিছো তেওঁলোকৰ দাবী সমূহ জনতা চৰকাৰে সহানুভূতিৰে বিবেচনা কৰি ততকালে পূৰণ কৰাৰ ব্যৱস্থা কৰিব।

এটা কথা ইয়াত কোৱা হৈছে মাটিৰ খাজনা আৰু কৃষি সম্পৰ্কত। এই সম্পৰ্কত কবলৈ গৈ চৰ অঞ্চলৰ সমস্যা সম্পৰ্কত কিছু কথা কৈছে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ এক বিস্তৃৰ্ণ অঞ্চল চৰ অঞ্চল। এই চৰ অঞ্চলবিলাক ঘন বসতিপূৰ্ণ। এই অঞ্চলত অসমৰ লাখ লাখ উৎকৃষ্ঠ কৃষিজীৱি সকলে বাস কৰে। তেওঁলোকৰ কাৰণে ইমান দিনে কংগ্ৰেছী চৰকাৰে গভীৰ ভাবে একো চিন্তা নকৰিলে। তেওঁলোকৰ মঙ্গলৰ কাৰণে এই চৰকাৰে ইমান দিনে চকু দিয়া নাই। মই আশা কৰিছো বৰ্ত্তমান চৰকাৰে এই চৰ অঞ্চলৰ বস-বাসকাৰী জনসাধাৰণৰ প্ৰতি উপযুক্ত নজৰ দিব। ইয়াত কোৱা হৈছে—

Special measures will be initiated to undertake comprehensive study on the problems of agriculturists in the Char areas of Assam and to removed the basic problems of these areas sp edily.

তেওঁলোকৰ বৈচিকৈ (মৌলিক) সমস্যা বোৰ অধ্যয়ন কৰা হব আৰু তাক দূৰ কৰিবলৈ ব্যৱস্থা হাতত লোৱা হব। এইবিলাক হৈছে গতানুগতিক কিছুমান কথা। এইবিলাক আমি বহুত দিন ধৰি শুনি আহিছো। মই যি সমষ্টিৰ পৰা আহিছো দক্ষিণ শালমৰা সমষ্টি এই সমষ্টিটো এটা চৰ প্ৰধান সমষ্টি। ৭৭ টা কেন্দ্ৰৰ ভিতৰত ৫০ টাই হৈছে চৰ অঞ্চলত। মই চৰ অঞ্চলৰ মানুহৰ সমস্যাসম্পৰ্কে কিছু কথা জানো। এই অঞ্চলত কোনো ৰাস্তা-ঘাট কৰা সহজ নহয়। অথচ এই সমষ্টিত ডেৰ লাখ মানুহে বসবাস কৰে। ইয়াত কোনো বাণ নিয়ন্ত্ৰণ আচনিৰ ফল মানুহে ভোগ কৰিবলৈ পোৱা নাই। লাখ লাখ মানুহক নদীৰ গৰাখহনীয়াই বছৰি বছৰি উচ্ছেদ কৰি আছে। হাজাৰ হাজাৰ মানুহ গৰা খহনীয়াৰ কোপত পৰি গৃহহীন হৈছে। তেওঁলোকৰ কাৰণে চৰকাৰে যি ৰিলিফ দিয়ে সেই ৰিলিফ আচলতে যিবিলাক মানুহে পাব লাগে সেইবিলাক মানুহে নাপায়গৈ। মই জনাত নিলোখিয়া নামৰ এখন গাওঁৰ দুশ ঘৰ মানুহৰ কাৰণে যি ৰিলিফৰ পইচা গৈছিল সেইবিলাক কোনোবাই মাজবাটতে খাই পেলালে। আচল ক্ষতিগ্ৰস্ত মানুহে পইচা নাপালে। আমটেকা ৰিজাৰ্ভত বাসকৰা মানুহ বিলাক নদীয়ে উচ্ছেদ কৰা মানুহ। কিছুবছৰৰ পৰা তেওঁলোক তাত বসবাস কৰি আছিল। কিন্তু কংগ্ৰেছ চৰকাৰে বাৰে বাৰে পুলিচ মিলিটাৰী লগাই জুলুম কৰি ঘৰ দুৱাৰ ভাঙি দিলে। চৰকাৰে ভোটৰ সময়ত এই নদীভঙ্গ মানুহবোৰৰ ওচৰলৈ কেৱল ভোট বিচাৰি যায়। তেওঁলোকক যেন বেলেগে দিবলৈ একোৱেই নাই। কোনো ৰাস্তা-ঘাট দিয়া নহয়। তেওঁলোকেও কোনো পকি ৰাস্তা-ঘাট নিবিচাৰে, বিজুলি চাকি নিবিচাৰে। চৰকাৰে এই মানুহ খিনিৰ কি কৰিছে? এই মানুহ বিলাকে নদীভঙ্গ হৈ কৰবাত থাকিবলৈ ঠাই বিচাৰিলে তেওঁলোকক পুনৰ্বাসন কৰাতো নহয়েই; বৰং তেওঁলোকে কৰবাত খাচ মাটি উলিয়াই বহিলে চৰকাৰী পুলিচ মিলিটাৰীয়ে তেওঁলোকক মাৰি-পিটি তাৰ পৰা উচ্ছেদ কৰা হয়।

মই আশা কৰো জনতা চৰকাৰে এই দুৰ্ভগীয়া মানুহখিনিৰ প্ৰতি যথোচিত নজৰ দিব আৰু নদীয়ে উচ্ছেদ কৰা মানুহ বিলাকে যি ৰিজাৰ্ভত বসতি কৰিছে তাৰ পৰা যাতে উচ্ছেদ কৰা নহয় তাৰ বাবে মই নতুন চৰকাৰক অনুৰোধ কৰিছো। এই চৰ অঞ্চলত বাস কৰা মানুহ বিলাকে খেতি কৰে, খেতিও কোনো কোনো অঞ্চলত ভাল হয়। সেই কাৰণে চৰকাৰে খেতি কৰাৰ সুবিধা কৰি দিব পাৰে। বাৰিষা এই অঞ্চলত বানপানীৰ ফলত মানুহ উঠি ভাহি যায়, মানুহ থাকিবলৈ ঠাই নাইকিয়া হয় আনহাতে খৰালি মানুহে পানীৰ কাৰণে হাহকাৰ কৰিবলগীয়া হয়। আনকি খৰালি ১০ মাইলৰ ভিতৰতো এটা টিউবৱেল নাই যাৰ পৰা মানুহে খোৱা পানী আনিব পাৰে। আমাৰ জনতা চৰকাৰে মোৰ বোধেৰে দুটা কাম কৰিব পাৰে। এটা হৈছে যথেষ্ট পৰিমাণে টিউবৱেলৰ ব্যৱস্থা কৰি খোৱা পানী আৰু খেতিৰ পানী যোগানৰ ব্যৱস্থা কৰিব পাৰে। এনে খোৱা পানীৰ কাৰণে গাৱে গাৱে টিউবৱেল দিব লাগে। আৰু দ্বিতীয় কথাটো হৈছে সেই অঞ্চল সমূহত শিক্ষা বিস্তাৰৰ কাৰণে চৰকাৰে প্ৰচেষ্টা লোৱা উচিত। যিবিলাক স্কুল আছে সেইবিলাক ভালদৰে চলাব কাৰণে নজৰ দিয়া উচিত। আৰু যিবিলাক গাওঁত স্কুল নাই সেইবিলাক গাওঁৰ সৰু সৰু লৰা-ছোৱালী নদী পাৰ হৈ বেলেগ স্কুলত গৈ পঢ়াটো সম্ভৱ নহয়। সেইকাৰণে গাৱে গাৱে স্কুল দিয়াৰ ব্যৱস্থা কৰিব লাগে। জলেশ্বৰ আৰু দক্ষিণ শালমৰা এই দুটা সমষ্টিৰ আঢ়ৈ লাখ তিনি লাখ মানুহৰ মাজত এটা হস্পিতালটো এখনো বিছনা নাই। স্বাধীনতাৰ আগতে দক্ষিণ শালমৰাত এটা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আছিল। এই হস্পিতাল খনত মাজতে ৬ খন বিছনা আছিল। এইবিলাক এতিয়া কিয় নোহোৱা হল। কোনেও নেজানো। বাইজে কয় জৰুৰী অৱস্থাৰ সময়ত তাত যথেষ্ট সংখ্যক বন্ধ্যাকৰণ নোহোৱাত চৰকাৰে হেনো গুপ্ত ভাৱে নোটিচ দি বন্ধ কৰি দিছে। এই সম্পৰ্কত এটা তদন্ত কৰি চৰকাৰক যথোপযুক্ত ব্যৱস্থা লবলৈ আৰু হস্পিতালত আসনৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰিলো।

অধ্যক্ষ মহোদয়, আৰু দুটামান কথা কৈ মোৰ বক্তব্য শেষ কৰিম। মাটিৰ খাজনা ১০ বিঘালৈকে মাপ দিয়া হৈছে। কিন্তু ইয়াৰ লগত এটা গুৰুত্বপূৰ্ণ কথা জৰিত হৈ আছে। যদি মাটিৰ নামজাৰি বাটোৱাৰা নহয় তেনেহলে এই নীতিৰে দুখীয়া ৰাইজৰ উপকাৰ সাধিব নোৱাৰে। মই জনাত ১৮।২০ বছৰ পয্যন্ত নামজাৰি নোহোৱা মাটি আছে। চাৰ্কোল অফিচাৰক পইচা নিদিলে নামজাৰি নহয়। কিন্তু নামজাৰি বাটোৱা নহলে দহ বিঘালৈকে মাটিৰ খাজনা মাফ কৰাৰ কোনো উপকাৰ দুখীয়া খেতিয়ক ৰাইজে পাব' নোৱাৰে। এটা পৰিয়ালত ৫।৬ জন ককাই ভাই আছে। এই ৫।৬ জন ককাই ভাইৰ মাজত ৩০ বিঘা মাটি আছে। ইয়াৰে কিন্তু এই মাটি খিনি একেলগে থকাৰ কাৰণে খাজনাৰ পৰা তেওঁলোকে ৰেহাই নাপায়। আচলতে কম মাটি থকা মানুহখিনি যাতে উপকৃত হয় তাৰ বাবে ততকালিন ভাৱে মাটিৰ নামজাৰি হয় তাৰ কাৰণে কড়া নিৰ্দ্দেশ দিব লাগে।

সদৌ শেষত মই আশা কৰিছো যে বৰ্ত্তমান চৰকাৰে সাৰ্মাগ্ৰিক ভাবে দেশৰ গণতান্ত্ৰিক পৰিৱেশ পুনৰ উদ্ধাৰ কৰিবৰ কাৰণে আৰু তেওঁলোকৰ নিৰ্বাচনী প্ৰতিশ্ৰুতি সমূহ পূৰণ কৰিবলৈ আত্ম নিয়োগ কৰিব। যদি তেওঁলোকৰ পৰা ৰাইজে যিটো আশা কৰিছে সেইটো পৰিপূৰ্ণ কৰিব পাৰে তেনেহলে ৰাইজৰ তেওঁলোকৰ ওপৰত আস্হা বাঢ়িব। আৰু চৰকাৰে ৰাইজৰ মৰম আৰু বেঁছিকৈ পাব। যদি তেওঁলোকে এই কামবোৰ ঠিকমতে কৰিব' নোৱাৰে, এই গণতান্ত্ৰিক পৰিবেশ উদ্ধাৰ সংৰক্ষণ আৰু সম্প্ৰসাৰণ কৰিব নোৱাৰে ; তেওঁলোকৰ নিৰ্বাচনী সমূহ পূৰণ কৰিব নোৱাৰে, তেনেহলে এই জনসাধাৰণে যি ধৰণে কংগ্ৰেছ চৰকাৰক বৰদাস্ত কৰা নাই, ঠিক তেনেধৰণে এই চৰকাৰকো বৰদাস্ত নকৰিব। এইখিনিকে কৈ মই মোৰ বক্তব্য সাৰ্মাৰিলোঁ।

**শ্ৰীগোলোক কাৰ্কতি** ঃ—মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ আগতেও জনতা দলৰ পৰা ৰাজ্য পালৰ ভাষণৰ ওপৰত যথেষ্ট আলোচনা কৰা হৈছে। এই ভাষণৰ পৰা আমি দুটা দিশ গ্ৰহণ কৰিছো। দলৰ তৰফৰ পৰা আৰু বিৰোধী দলৰ পৰা যিখিনি কথা কোৱা হৈছে সেইখিনি কথাৰ সকলোখিনিৰ লগতে সমভাগি বুলি কৈছো। যোৱা ৩০ বছৰে আমাৰ যি কংগ্ৰেছ চৰকাৰ আছিল এই কংগ্ৰেছ চৰকাৰৰ দিনত আমাৰ ৰাইজে যি ৰাজ্যপালৰ ভাষণ পাইছিল তাত বহুতো ডাঙৰ ডাঙৰ কথা শুনিছো। কিন্তু জনতা চৰকাৰৰ পৰা আগতে যি প্ৰতিশ্ৰুতি ৰাইজক দিয়া হৈছে এই প্ৰতিশ্ৰুতিৰ পৰা আতৰি এই ভাষণ হৈছে বুলি মই নাভাবো। যিমান ডাঙৰ কথা থাকক বা নাথাকক এই ভাষণে আচলতে চৰকাৰৰ আচল ৰূপ দাঙি ধৰিব নোৱাৰে। আমাৰ পিচৰ কাৰ্য্যসূচীয়ে নিশ্চয় আমাৰ কৰ্ত্তব্য পূৰণ কৰিব বুলি আমি ভাবো। অৱশ্যে এইটো ঠিক যে, জৰুৰী অৱস্হাৰ সময়ত আমি এইখন দেশৰ যিটো এটা কলা শাসন চলিছিল, যি শাসনৰ কবলত আমাৰ দেশৰ জনসাধাৰণ জীয়াই থকাৰ নিম্নতম দাবীৰ পৰাও বঞ্চিত হৈছিল সেই অত্যাচাৰ আজি শেষ হৈছে। আমাৰ এই ভাষণত অন্যান্য কথাৰ আভাষ থাকিলেও আমি নিশ্চয় ভাল পালোহেতেন যে কংগ্ৰেছ চৰকাৰৰ যি কু-কৰ্ম্ম, সেইবিলাক আতৰ কৰিবৰ কাৰণে অৱশ্যে আমি বিৰোধী পক্ষত থাকোতেও কৈছিলো যে আমি যদি এইবিলাক আমি প্ৰতিফলিত কৰিব পাৰো তেহে কাম হব। বৰ্ত্তমান এই চৰকাৰৰ জৰিয়তে কমিচন বহুৱা হব, তদন্ত বহিব আৰু কুকৰ্মী লোকসকলক ৰাইজৰ আদালতৰ আগলৈ আনিব। এই প্ৰসংগত মই আমাৰ চৰকাৰী কৰ্মচাৰী সকলৰ যি আন্দোলন হৈ গল সেই আন্দোলনত আমাৰ কৰ্ম্মচাৰী সকলক যি ভাবে অত্যাচাৰ কৰা হল, সেই অত্যাচাৰৰ কথা মই মনলৈ আনি এই কথা নিশ্চয় কম যে আমাৰ ইয়াত ৰেফাৰেন্স দিয়া হৈছে আৰু বিৰোধী দলৰ তৰফৰ পৰা সহানুভূতি পৰ্দশন কৰা হৈছিল। জনতা চৰকাৰে সেইটো কথা সম্যক ভাবে বিবেচনা কৰিব'। আৰু যি অন্যায় হৈছে সেই অন্যায় দূৰ কৰিবলৈ আৱশ্যকীয় ব্যৱস্হা

গ্ৰহণ কৰিব। বৰ্ত্তমান মই গোটেই কথাবিলাক দীঘলীয়া নকৰো। মোৰ সমষ্টিৰ কেইটামান কথা কবলৈ বিচাৰিছো। আমাৰ দেশৰ জনতা চৰকাৰে দেশৰ জনসাধাৰণৰ আশা আকাংখ্যা মনত ৰাখি জনসাধাৰণৰ বিশ্বাস বহুকত বান্ধি, যি চৰকাৰ গঠন কৰিবলৈ আহিছে সেই সময়ত আমি এটা কথাই মনত ৰাখিম যে জনতা পাৰ্টিয়ে মহাত্মা গান্ধীৰ আদৰ্শৰ প্ৰতি শ্ৰদ্ধা ৰাখি দেশ শাসন কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হৈছে। মহাত্মা গান্ধীয়ে ভাৰতবৰ্ষ স্বাধীন কৰিবলৈ দেশৰ জনসাধাৰণৰ আগত বহুতো কথাই দাঙি ধৰিছিল। বিভিন্ন সমস্যাৰ ভিতৰত তেখেতে ৰাইজক কৈছিল মই এই দেশ স্বাধীন কৰিবলৈ বিচাৰিছো দেশৰ গৰীব জনসাধাৰণৰ কাৰণে দেশৰ মাটিৰ কাৰণে দেশৰ মানুহৰ কাৰণে। আৰু এই সমস্যা সমাধান কৰিবৰ কাৰণে দেশৰ পৰা বৃটিছ চৰকাৰ যাব লাগিব। বৃটিছ চৰকাৰৰ ঠাইত আমাৰ দেশৰ জাতীয় চৰকাৰ নিজৰ চৰকাৰ প্ৰতিষ্ঠা কৰিব লাগিব। তেখেতে ভাত কাপোৰ, শিক্ষা, চিকিৎসা আদি মূল সমস্যাৰ কথা ৰাইজৰ আগত উতথাপন কৰিছিল। যোৱা ৩০ বছৰে মহাত্মা গান্ধীৰ নাম লৈ মহাত্মা গান্ধীৰ ফটো বিক্ৰি কৰি আমাৰ কংগ্ৰেছ চৰকাৰে কি কৰিলে? স্পষ্ট ভাবে কব লাগিব যে মহাত্মা গান্ধীয়ে এই কংগ্ৰেছ শাসনৰ আৰম্ভনীতে মৃত্যু বৰণ কৰিবলগা হল। তেখেতৰ পিচত আমাৰ জনতা চৰকাৰে তেখেতৰ আদৰ্শ পুনৰ জীৱিত কৰিবলৈ প্ৰতিজ্ঞা কৰিছে। গতিকে আমি এই দৰিদ্ৰ জনসাধাৰণৰ কথা মনত ৰাখিব লাগিব। আমি যি পৰিকল্পনা কৰাৰ কথা কৈছো সেই পৰিকল্পনাৰ জৰিয়তে আমি মহাত্মা গান্ধীৰ আদৰ্শ নিশ্চয় মনত ৰাখি কামত আগবাঢ়ি যাব পাৰিম।

অধ্যক্ষ মহোদয়, কৃষি কাৰ্য্যৰ ওপৰত যি ব্যৱস্থা লোৱা হৈছে তাৰ ভিতৰত খাদ্য সমস্যাই প্ৰধান। আমাৰ অসমত উৰ্ব্বৰা মাটি আছে খেতিৰ পথাৰ আছে। আৰু আছে বহুত বল থকা বহুত প্ৰেৰণা থকা খেতিয়ক সকল। গতিকে সেই মাটিত ভাল ধৰণে খেতি কৰিলে ৰাইজ উপকৃত হব। যোৱা ৩০ বছৰ কালত ৰাইজে কৃষিৰ ক্ষেত্ৰত চৰকাৰৰ পৰা কোনো ৰকমৰ সহযোগিতা পোৱা নাই। কৃষিৰ নামত লাখ লাখ টকা ব্যয় হৈছে। কৃষি কাৰ্য্যৰ বাবে আমাৰ যিবিলাক অনুষ্ঠান আছে সেই বিলাকত গবেষণা কৰোতে শতকৰা ৯৯ ভাগ টকা ব্যয় হৈছে। গতিকে গৰীব ৰাইজে খেতিৰ বাবে টকা-পইচাৰ সহায় নাপায়। আজি আমাৰ নিত্য-প্ৰয়োজনীয় খাদ্য বস্তুৰ মূল্য বৃদ্ধি হৈছে। কিন্তু মূল্য প্ৰতিৰোধ হোৱা নাই। খাদ্যৰ বস্তুৰ দাম কমাবলৈ হলে অধিক শস্য উৎপাদন হব লাগিব উৎপাদিত দ্ৰব্যৰ সম বিতৰণ হব লাগিব আৰু দেশত আমদানি আৰু ৰপ্তানি নীতি জনসাধাৰণৰ কল্যাণৰ বাবে গঢ়ি তুলিব লাগিব। যোৱা ৩০ বছৰে আমাৰ দেশৰ পৰা চৰকাৰে বিদেশলৈ বস্তু ৰপ্তানি কৰিলে কিন্তু দেশৰ জনতাই ভোকত ভুগিলে আমাৰ দেশৰ গৰীব জনসাধাৰণৰ আশা আকাংখ্যা চৰকাৰে পূৰণ কৰিব পৰা নহল। আজি জনতা চৰকাৰ হোৱাৰ পাছত আমাৰ দেশত দাইলৰ দাম, তেলৰ দাম, বাঢ়িল বুলি অভি-যোগ উঠিছে। যাৰ বাবে দেশবাসী ৰাইজে যথেষ্ট কষ্ট ভোগ কৰিব লগীয়া হৈছে। ইয়াৰ প্ৰতি কাৰৰ বাবে আমাৰ দেশলৈ কেন্দ্ৰৰ পৰা যথেষ্ট অৰ্থ-সাহায্য আহিছে অথচ আমাৰ জনসাধাৰণ ৰাইজে মাহ, তেলৰ কাৰণে জীয়াত ভূগিব লগা হৈছে। অসমত প্ৰচুৰ মাটি আছে। সেই মাটিত খৰালি খেতি কৰিব পাৰিলে যথেষ্ট উপকৃত হব। খেতি কৰিবৰ কাৰণে চৰকাৰৰ পৰা বহুতো সাহায্য পোৱা হৈছে। এই সম্পৰ্কত বিৰোধী দলৰ সদস্য সকলেও কৈছে।

যোৱা বানপানীৰ পিচত যি বিলাক মানুহে বানত সৰ্বস্ব হেৰুৱালে সেই চাম মানুহে আহুখেতি কৰিবৰ কাৰণে, সৰিয়হ খেতি কৰিবৰ কাৰণে, মাহৰ খেতি কৰিবৰ কাৰণে জনতা চৰকাৰে দিয়া সাহায্যৰ ফুটা কড়িও নাপালে। কোৱা হৈছিল জন-সাধাৰণক সাহায্য দিয়া হৈছিল। লাখ লাখ টকাৰ সাহায্য আহিছিল। আমি ঘূৰি পকি দেখা পাইছো যেতিয়া অসমত জনতা চৰকাৰ প্ৰতিষ্ঠা হোৱা নাছিল সেই সময়ত লোক সকলক বিতৰণ কৰিব লগা বস্ত বিলাকৰ পৰা বঞ্চিত কৰিছিল। বহু ঠাইৰ জনসাধাৰণৰ

পৰা আপত্তি আহিছিল। এনেকৈ কোৱা হৈছিল এজন মানুহক তিনি সাজৰ বস্ত্ৰ দিয়া হৈছে। প্ৰতিজনে সপ্তাহটো খাই বৈ জীয়াই থাকিবৰ কাৰণে বস্ত্ৰ দিয়া হৈছিল বুলি কৈছিল। আমি অভিযোগ পাইছো সেইখিনি বস্ত্ৰ দিয়া হোৱা নাই। গতিকে এই প্ৰসংগত কম যে যোৱা বানপানীৰ সময়ত গাঁৱে গাঁৱে যি সাহায্য বিতৰণ কৰিছিল, এই সাহায্য আচলতে দুৰ্গত লোকে পাইছে নে নাই তদন্ত হোৱাটো নিতান্ত প্ৰয়োজন। মাহ, সাঁৰিয়হ আদি খেতি কৰিবৰ বাবে যি সাহায্য দিয়া হৈছিল বুলি কৈছিল সেই সাহায্য স্বৰূপতে ৰাইজে পোৱা নাই। তাৰো তদন্ত নিশ্চয় হোৱা উচিত।

যোৱা চৰকাৰে আমাৰ দেশত জলসিঞ্চনৰ নামত বহুত ব্যৱস্থা লৈছিল আৰু গাঁৱে গাঁৱে সভা-সমিতি পাতি ৰাইজক উৎসাহ যোগাইছিল। ইয়াৰ কাৰণে কিমান নলা খন্দা হৈছিল? মোৰ বন্ধু শ্ৰীঅতুল গোস্বামীয়ে কোৱা কথাহে দোহাৰো যে আমাৰ তেজপুৰ মহকুমাত চতিয়া সমষ্টিত খেতিৰ কাৰণে যথেষ্ট উৰ্বৰ মাটি আছে। সেই বিলাকত যত প্ৰচুৰ ধান হয় সেই মাটি নষ্ট কৰা হৈছে জলসিঞ্চন আঁচনিৰ জৰিয়তে। মাটিৰ মাজেৰে ডাঙৰ ডাঙৰ খাল খান্দি নলা বন্ধা হৈছে। তেনে মাটিৰ মূল্য দিয়া হোৱা নাই। মই নিশ্চয় চৰকাৰক অনুৰোধ কৰিম যাতে আমাৰ খেতিয়ক সকলে মাটিৰ ওপৰত কোৰৰ চাব মৰাৰ আগতে মাটিৰ মূল্য পায়। জীয়াই থকাৰ নিম্নতম সম্বল তেওঁলোকে পাব লাগিব। লগতে মই আৰু এটা অনুৰোধ কৰিম যে আমাৰ চৰকাৰৰ নীতি অনুসৰি আমাৰ দেশৰ খেতিয়ক সকলে হাড় ভাঙি তেজক পানী কৰি উপাৰ্জন কৰা ধানৰ মূল্য পায়। যোৱা কংগ্ৰেছ শাসনত নিকপ কপিয়া কণ্টল ব্যৱস্থাৰে ধান বেপাৰ চলাইছিল। ধানৰ বিক্ৰি মুকলি হোৱাৰ ফলত খেতিয়ক সকলে ধানৰ দাম পাব পাৰিছে। ইয়াৰ লগতে এটা ডাঙৰ সমস্যাই দেখা দিছে। বৰ্ত্তমান বজাৰত ধানৰ দাম বাঢ়িছে লগে লগে চাউলৰ দামো বাঢ়িছে। দেশৰ গৰীব সকলক চাউল দিবৰ কাৰণে যাতে ব্যৱস্থা হয়। গাঁৱে গাঁৱে লাইচেন্স লোৱা মানুহ বিলাকে ধানৰ ব্যৱসায় কৰি চৰকাৰক ধান দিয়াৰ প্ৰতিশ্ৰুতি দিছে। সেই ধান যাতে প্ৰতিশ্ৰুতি দিয়া মতে সংগৃহীত হয় আৰু সেই অঞ্চলৰ পৰা বাহিৰলৈ নাযায় তাৰ ব্যৱস্থা কৰিব লাগে। সেই অঞ্চলত কিনি খোৱা গৰীব ৰাইজৰ বাবে উলৰ বিতৰণ হোৱাৰ ব্যৱস্থা হোৱা উচিত। আমাৰ নিৰ্ব্বাচনী ইস্তাহাৰৰ কথা এই ভাষণত সন্নিবিষ্ট হোৱা নাই যদিও নিৰ্ব্বাচনী ইস্তাহাৰত দিয়া প্ৰতিশ্ৰুতি অনুসৰিয়েই চলিব, তাৰ আশা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীশান্তি রঞ্জন দাশগুপ্ত:—মাননীয় চ্যায়ারম্যান মহোদয়, আমি সংক্ষেপে কয়েকটি বিষয়ের উপর আমার বক্তব্য রেখে আমার বক্তব্য শেষ করবো। মাননীয় সদস্য নগেন শর্ম্মা মহোদয় যে সংশোধনী প্রস্তাব পেশ করেছেন আমি তাকে সমর্থন করছি এবং সমর্থন করে আমাদের রাজ্যপাল মহোদয় যে বক্তব্য পেশ করেছেন তা থেকে মাননীয় সদস্যদের দৃষ্টি আকর্ষণ করছি। বিশেষ করে রাজ্যপাল মহোদয় অর্থনীতি সম্মর্কে বক্তব্য পেশ করেছেন সে কথার উল্লেখ করছি।

গত বৎসর ২২ শে মার্চ ১৯৭৭ তারিখে এই সদনে রাজ্যপাল মহোদয় ভাষণ দিয়েছিলেন এবং প্রাক্তন মুখ্যমন্ত্রী শরৎ চন্দ্র মহাশয় জনতা পার্টি সম্মর্কে ভাবাবেগে পরিচালিত হয়ে ধৈর্য্য হাড়িয়েছিলেন। আমি সে বিষয়ে বলতে গিয়ে গতবারের বন্যাপ্রীড়িত আসাম সম্পর্কে কেন্দ্রীয় সরকারের ধারণা কি ছিল তার উল্লেখ করছি। অতীতে ৩০ বত্সর কেন্দ্রে ও রাজ্যে কংগ্রেসী সরকার প্রতিষ্ঠিত ছিল। বন্যাপ্রীড়িতদের জন্য তত্কালীন কংগ্রেসী সরকার কিন্তু সে সময় অর্থ নিয়ে আগু বেড়ে আসেনি অন্ততঃ গত বত্সর রাজ্যপালের ভাষণে তা দেখা যায় নি। আমি গত বত্সরের রাজ্যপালের ভাষণের একটি অংশ পড়ে শোনাচ্ছি।

'Apart from the extensive relief and rehabilitation operations, in which the Co-operative Societies played a notable part, work has been undertaken to raise and strengthen, according to the necessity . . ."

তার বদলে রাজ্যপালের ভাষণে দেখা যায় যে আসামে সমবায় সমিতিগুলি অত্যন্ত প্রশংসনীয় কাজ করেছে। কেন্দ্রীয় সরকার যে সাহায্য করেছিলেন তার কোন উল্লেখ সেখানে নেই।

কিন্তু গত জুন মাসের বন্যার সময় কেন্দ্রে জনতা সরকার এবং আসামে কংগ্রেস সরকার প্রতিষ্ঠিত থাকা সত্বেও আসামের তত্কালীন বিরোধী জনতা বিধায়নী দল কর্তৃক আসামে ক্ষমতাষী কংগ্রেস সরকারের বিরুদ্ধে কেন্দ্রের কাছে একটি মেমোরেণ্ডাম দেওয়া সত্ত্বেও গত বন্যায় ক্ষতিগ্রস্তদের ত্রাণকল্পে ১২ কোটী টাকা সর্ব্ব সাকুল্যে কেন্দ্রের জনতা সরকার আসাম সরকারকে দিয়াছিলেন। ৪০ হাজার টন গম কেন্দ্রীয় সরকার কর্ত্তৃক আসামে দেওয়া হয়। এর মধ্যে ১০ হাজার টন গম ছিল অনুদান হিসেবে এবং বাকী ৩০ হাজার টন গম ছিল ফুড্ ফর ওয়ার্ক হিসেবে। অথচ এই ৩০ হাজার টন আসাম সরকার কেন্দ্রীয় সরকার থেকে নেওয়ার কোনো ব্যবস্থা করেনি। সেজন্য আমি মাননীয় মুখ্যমন্ত্রী মহোদয়কে অনুরোধ করি তিনি যেন গত নভেম্বর মাসে তত্কালীন বিরোধী দলনেতা শ্রীগৌরীশংকর ভট্টাচার্য্য কর্ত্তৃক তানীত প্রশ্নের উত্তরে তত্কালীন কৃষিমন্ত্রী মোহম্মদ উমরুদ্দিনের বক্তব্য বিধানসভার কার্যবিবরনী পরীক্ষা করে দেখেন। সেসময় তিনি বলেন যে আসাম সরকার মাত্র ১০ কোটী টাকা ত্রাণ হিসাবে কেন্দ্রের কাছে চেয়েছিল। অথচ তত্কালীন জনতা সরকার কর্ত্তৃক প্রায় ১২ কোটী টকা তত্কালীন কংগ্রেস মুখ্যমন্ত্রী শ্রীশরৎ চন্দ্র সিংহের হাতে তুলে দেওয়া হয়েছিল। সে জন্য আমি বলতে চাই যে কেন্দ্রীয় জনতা সরকার, সেদিন রাজ্যে মন্ত্রীসভা কংগ্রেসের ছিল কিনা অথবা বিরোধী জনতা বিধায়নী দল কংগ্রেসের বিরুদ্ধে মেমোরেণ্ডাম দিয়েছিল কি না তা বিবেচনার বিষয় হিসাবে গ্রহণ না করে দুঃস্থ বন্যাপীড়িতদের ত্রাণের জন্য এগিয়ে এসেছিলেন।

মহোদয়, আর একটি কথা আমি বলতে চাই যে অনেক সদস্যগণই জনতা সরকারকে ধন্যবাদ দিয়েছেন ১০ বিঘা পর্য্যন্ত জমির মালিককে খাজনা রেহাই ওেয়ার জন্য, দশম শ্রেণী পর্য্যন্ত শিক্ষার মাশুল তুলে দেওয়ার জন্য। সেজন্য জনতা সরকার নিঃসন্দেহে ধন্যবাদের পাত্র। বিগত ৩০ বছরেও কংগ্রেস সরকার এই রকম দুঃসাহসিক কাজে হাত দিতে পারেনি। এই রকম সাধরণ একটা দাবী তৎকালীন সংবিধান প্রণেতাগণ সংবিধান প্রনেতাগণ Constitutions এ incorporate করিছিলেন। তাতে বলা হয়েছিল যে প্রাথমিক শিক্ষা যাতে আগামী ১০ বৎসরের মধ্যে বাধ্যতামূলক করা হয় এবং বিনা মাশুলে সমস্ত গ্রামে তা দেওয়া হয়। কিন্তু ৩০ বত্সর কংগ্রেসের শাসনকালে ভারতবর্ষের ছোট ছোট ছেলে মেয়েরা এই ধরণের প্রতিশ্রুতি সত্ত্বেও শিক্ষার ক্ষেত্রে এই সুবিধাটুকু পায়নি।

মাননীয় সদস্য শ্রীশরৎ চন্দ্র সিংহ মহাশয় ভূমি নীতি ও সংস্কার সম্পর্কে একটা কথ বালছেন। গত বছরের রাজ্যপাল বক্তৃতা থেকে আমি এ সম্বন্ধে একটা পড়ে শোনাচ্ছি।

Governor's address in 1976.... ... over 16 lakhs bighas of land have been acquired as against the preliminary estimated surplus of 11 lakhs bigas of land .....of these more than 7 lakh bighas of land have been distributed to approximately 2 lakhs landless families.

এই কথা বলেছিলেন রাজ্যপাল যখন আমাদের রাজ্যর মুখ্যমন্ত্রী ছিলেন বর্ত্তমান বিরোধী দলপতি শ্রীশরৎ চন্দ্র সিংহ মহাশয়, তখন বলা হয়েছিল ১৬ লক্ষ বিঘা জমি

উদ্ধার করে প্রায় ২ লক্ষ পরিবারের মধ্যে জমি বিতরণ করা হয়েছে। কিন্তু কি রকম লোককে তখন বিতরণ করা হয়েছিল তার নমুনা আমি এখানে পেশ করতে চাই। এ সম্পর্কে তত্‌কালীন ৫০ জন কংগ্রেসী সদস্য লিখিতভাবে ২৭ জানুয়ারী ১৯৭৭ ইং তারিখে একজন কংগ্রেসী বিধানসভা সদস্যের বিরুদ্ধে তত্‌কালীন প্রধান মন্ত্রীর কাছে আবেদন করেছিল। কপি দেওয়া হয়েছিল,—

১। শ্রীসঞ্জয় গান্ধী।
২। শ্রীদেবকান্ত বরুয়া, প্রেসিডেন্ট, এ, আই, সি, সি।
৩। মুখ্যমন্ত্রী, আসাম।
৪। শ্রীবি, সি, ভাগবতী, এম. পি, প্রেসিডেন্ট আই, এন, টি, ইউ, সি।
৫। প্রেসিডেন্ট, ডি, সি, সি, নগাও।
৬। শ্রীরবীন কাকতি, এম, পি, । প্রেসিডেন্ট, এ, এস্, আর, ওয়ার্কাস্ ইউনিয়ন গোহাটী।
৭। প্রেসিডেন্ট/সাধারণ সম্পাদক, এ, পি, সি, সি।
৮। প্রেসিডেন্ট, জেলা কংগ্রেস, নগাও।
৯। সেক্রেটারী, নগাও জেলা গ্রামীন শ্রমিক সংস্থা।

শ্রীনুরুল হুদা ঃ—আমি জানতে চাই সঞ্জয় গান্ধীকে কোন পদাধিকারে বলে এর কপি দেওয়া হয়েছিল?

শ্রীশান্তি রঞ্জন দাশগুপ্ত ঃ—একজন কংগ্রেসী সদস্য হিসাবে এবং যুব কংগ্রেসের নেতা হিসাবে তার কাছে এই ৫০ জন সদস্য এই কংগ্রেস বিধায়কের বিরুদ্ধে মেমোরেন্ডামের কপি পাঠিয়েছিল। যাই হোক, সেই কংগ্রেসী বিধায়ক মহাশয় তার পরিবারের প্রায় ১৪ জনের ভিতর সেই জমি বন্টন করেন। এই হলো কংগ্রেসী আমলের ভূমি সংস্কার আর ভূমিহীনদেরে জমি বন্টনের নমুনা। কত জমি তিনি দখল করেছেন শুনুন—

| | |
|---|---|
| ১। মৌজা যোগীজান কিসমত নাম ডবকা রাজআলী — | ৭২ বিঘা-রেজিঃ |
| | ১২ বিঃ সরকারী |
| ২। মৌজা যোগীজান আশীনগর কিসমত | — ২৫ বিঃ রেজিঃ |
| ৩। মৌজা হোজাই কিসমত রাইকাটা | ৪৮ বিঃ সরকারী |
| ৪। মৌজা নোয়ামাটী লালপাথার কৃষি পাম | ৩৫ বিঃ কোঃ অপারেটিপ্। |
| ৫। মৌজা মৌড়ঙ্গা ফার্মিং পোর্রেশন | ১৮ বিঘা ছেলের নামে। |
| ৬। মৌজা নোয়ামটী কিস্মত মোবারক বস্তী — | ১ বিঘা বাড়ী। |
| মোট— | ২১১ বিঘা |

এই মোট ২১১ বিঘা বিতরণ করা হলো সেই প্রাক্তন এম, এল, এর পরিবারের মধ্যে। আমাদের প্রাক্তন মুখ্যমন্ত্রী মহাশয় ফার্মিং কর্পোরেশন করে ভূমিহীনদের ভূমি দেওয়ার বৈপ্লবিক ভূমি সংস্কার নীতির এই নমুনা রেখে গেছেন। এই ভাবে এই এম, এল, এ মহাশয় ৪০২ বিঘা জমির মালিক হয়েছিলেন। এই ৫০ জন স্বাক্ষরকারী প্রধান-মন্ত্রী শ্রীমোরারজী দেশাইকে এ বিষয়ে তদন্ত করার জন্যও অনুরোধ করেন। চেয়ারম্যান মহোদয়, তাই আমি এই কাগজ সদনের অবগতির জন্য আপনার হাতে তুলে দিলাম।

**শ্ৰীচামচন্দ্ৰ হুদা ঃ**—মাননীয় চেয়াৰমেন মহোদয়, মাননীয় সদস্য শ্ৰীশান্তিৰঞ্জন দাসগুপ্ত ডাঙৰীয়াই যিখন দলিলৰ কথা সদনত আলোচনা কৰিলে—সেইখন আলোচনা হোৱাৰ পাছত সদনৰ প্ৰপাৰটি হৈ গল—গতিকে আপোনাৰ জৰিয়তে আশা কৰিব পাৰো নে যেন সেইখনৰ একোখন কপি আমি প্ৰতিজন সদস্যই পোৱাৰ ব্যৱস্থা কৰি দিবনে ?

**মাননীয় চেয়াৰমেন ঃ**—সেই ব্যৱস্হা কৰি দিয়া হব।

**শ্ৰীশান্তিরঞ্জন দাসগুপ্ত ঃ**—মাননীয় চেয়ারম্যান মহোদয়, আমি ১৯৭২ ইংরাজীতে লামডিং সমষ্টি থেকে নির্বাচিত হয়েছিলাম। সে সমষ্টিতে কাকি মৌজায় প্রায় ১৫ হাজার লোককে উচ্ছেদ করা হয়েছিল। জমি ন্যায় ভাবে বন্টনের জন্য সরকার একটি কমিটি করে কিছু লোককে পত্তন দিয়েছিলেন। আমাকে এই কমিটী থেকে বাদ দেওয়া হয়। কিন্তু এইসব জমির বন্টনের সুবিধা নিয়ে নগাওঁ শহরের এক অংশে তত্কালীন এক কংগ্রেছ বিধায়ক বিরাট আর, সি, সি বাড়ী নির্ম্মাণ করছেন নিজের জন্য। এর মধ্যে একজন তদানীন্তন সি, পি, আই সদস্যও আছেন। এই হলো আমাদের প্রাক্তন মুখ্য-মন্ত্রী এবং বর্তমান বিরোধী দলনেতা শ্রীশরৎ চন্দ্র সিংহ মহাশয়ের বৈপ্লবিক ভূমিনীতির নমুনা। তাই আমি আমাদের মুখ্যমন্ত্রী মহোদয়ের বিশেষ দৃষ্টি আকর্ষণ করে বলতে চাই ভবিষ্যতে এদিকে যেন দৃষ্টি দেন যাতে কোন বিধায়ক যেন এ ধরনের অভিযোগে অভিযুক্ত না হ'ন।

**শ্ৰীযোগেন গগৈ ঃ**—চেয়াৰমেন মহোদয়, ভূমি সংস্কাৰ কমিটিক ভূমিহীনৰ নাম সংগ্ৰহকৰাৰ ক্ষমতা দিয়া হৈছিল—মাটি বিতৰণৰ কাৰণে দিয়া হোৱা নাছিল।

**শ্ৰীশান্তি রঞ্জন দাশগুপ্ত ঃ**—চেয়ারম্যান মহোদয়, আমি ভূমিনীতি সম্পর্কে বলছি। ভূমি সংস্কার সম্বন্ধে নয়।

মহোদয়; কৃষি সম্পর্কে এখানে অনেক কথা বলা হয়েছে। কয়েকজন অভিযোগ করেছেন যে কৃষি এবং জলসিঞ্চন এই দুই বিভাগ দুইজন মন্ত্রীর কাছে দেওয়ায় অনেক অসুবিধার সৃষ্টি হবে। একজন মন্ত্রীর কাছে থাকা উচিত। নতুবা কৃষির উন্নতিতে বিস্তর বাধার সৃষ্টি হবে। এ বিষয়ে আমিও একমত। কারণ এ যাবত্ জলসিঞ্চনের অভাবে বহু জমিতে কৃষিকার্য্য ব্যহত হচ্ছে। হোজাই অঞ্চলে মিডিয়াম যমুনা জলসিঞ্চন প্রকল্প বক্রগলীয়া থেকে আরম্ভ হয়েছে। কিন্ত এ সমস্ত কথা কাগজে পত্রেই আছে সুতরাং এসব বাস্তবায়িত করতে গতির প্রয়োজন। তা নাহলে কাজ কখনো হবেনা। আমি এবার যে সমষ্টি থেকে এসেছি তা আসামের শষ্যাধার বলে পরিচিত। অথচ সেখানে অনেক জমি অল্প একটু জলসিঞ্চনের অভাবে পড়ে আছে। একটু জলসিঞ্চনের ব্যবস্হা করলে প্রায় ১৫ হাজার বিঘা জমিতে ২ বার ৩ বার শষ্য ফলার ব্যবস্হা হতে পারে। একটু বিদ্যুতের ব্যবস্হা করলে বালিরাম পাথার অঞ্চলে রবিশষ্য ফলানোর ব্যবস্হা হতে পারে। এরকম আরো অনেক জমি আছে। সেগুলিতে শুধুমাত্র জলসিঞ্চনের ব্যবস্হা করলে কৃষির অনেক উন্নতি হয়। জলের অভাব নাই। যমুনা নদীতে ও জল আছে, কপিলিতেও জল আছে। নেই কেবল বিদ্যুৎ। তাই আমি বিদ্যুৎ মন্ত্রী মহোদয়কে এবং মুখ্যমন্ত্রী মহোদয়কে অনুরোধ জানাই তারা যেন এই সমস্ত অঞ্চলে বিদ্যুতের ব্যবস্হা করে জমিতে জলসিঞ্চন ব্যবস্হা তরান্বিত করেণ। এতে রবিশষ্য এবং বরোধান যথেষ্ট ফলবে ও কৃষকদের দুরাবস্হা লাঘব হবে।

আর একটা কথা বলে আমি আমার বক্তব্য শেষ করবো। যদিও লামডিং আমার সমষ্টি নয় তবুও বলছি যে বিগত ১৯৬৪ ইং 'তে এই অঞ্চলে পূর্বপাকিস্তান থেকে প্রায় ৮০০০ জনজাতি এবং কিছু বাঙ্গালী উদ্বাস্তু এসেছিল। এরা প্রায় ১৪০০ পরিবার ভূক্তছিল। দেরাপাথারে এরা অত্যন্ত দুরাবস্থার মধ্যে বসবাস করছে। তাদেরে 'টেষ্ট রিলিফ' উর টাকাও অনেক দেওয়া হয়েছিল। সুতরাং এ বিষয়ে আমার বক্তব্য হলো যে 'কাকী' বনাঞ্চল থেকে যে ১৪ হাজার পরিবারকে উচ্ছেদ করা হয়েছে—সেই অঞ্চলে এদেরে যেন পুনর্বাসন করা হয়। এ বিষয়ে আমি মুখ্যমন্ত্রীর দৃষ্টি আকর্ষণ করছি। এ বিষয়ে আমি সরকারের কাছে প্রয়োজনীয় কাগজ-পত্র নগাঁও জেলার রাজস্ব বিভাগের মাধ্যমে পাঠিয়েছি।

মহোদয়, আমার শেষ কথা হলো এই জনতা সরকারের বয়স আজ মাত্র ১০ দিন হয়েছে। আশা করি এই সরকার সমস্ত প্রতিশ্রুতি কার্য্য প্রয়োগ করতে সচেষ্ট হবেন এবং সরকারী সমস্ত বিভাগকে এ বিষয়ে যথাযথ নির্দেশ দেবার ব্যবস্থা করবেন। এই আমি আমার বক্তব্য শেষ করছি।

শ্রীএ-এন-আক্রাম হুচেইন ঃ—মাননীয় অধ্যক্ষ মহোদয়, আজি ৰাজ্যপালৰ ভাষণৰ ওপৰত বহুতো কথাই ইতিমধ্যে আলোচনা-সমালোচনা হৈ গল গতিকে মই আকৌ সেই একে কথাকেই আৰম্ভ কৰিব খোজা নাই। আমি নতুন জনতা চৰকাৰ কাৰ্য্যক্ষম হওক এই আশা কৰিছিলো কিন্তু ৰাজ্যপালৰ ভাষণত যিটো ছবি আমি দেখিবলৈ পাইছো তাৰ বাবে আমি দুখ পাইছো। অৱশ্যে এইটো কথাও ঠিক যে নতুন চৰকাৰে কাৰ্য্যক্ৰম আদি বুজিবলৈও অলপ সময় লব। ৰাজহৰ ক্ষেত্ৰত দহ বিঘা মাটি থকা সকলক মাটিৰ খাজনা মাফ দিয়াৰ কথা ঘোষণা কৰিছে এইটো সুখৰ কথা কিন্তু তাকে কৰিবলৈ যাওতে আন এটা কথা লক্ষ্য কৰিব লাগিব যে দহ বিঘা মাটিৰ খাজনা মাফ দিয়াৰ পৰা মাটি থকা লোকসকলহে উপকৃত হব কিন্তু যিসকললোকৰ মাটি নাই সেই সকল এই ব্যৱস্থাৰ দ্বাৰা কোনো ৰকমে উপকৃত হব পৰা নাই। এই মাটিহীন আৰু এতিয়াও মথাউৰিৰ ওপৰত আশ্ৰয় লৈ থকা দুৰ্ভগীয়া লোকসকলৰ কথাও ৰাজ্যপালৰ ভাষণত উল্লেখ থাকিলে আমি সুখী হলোহেতেন।

জলসিঞ্চনৰ ক্ষেত্ৰত ভালেকেইজন মাননীয় সদস্যই ইতিমধ্যে কৈ গৈছে। জলসিঞ্চনৰ কাৰণে দোং আদি ক'ৰবাত ক'ৰবাত খণ্ডাহৈছে কিন্তু তাত পানী নাই আৰু যি ঠাইত পানী আছে তাত আকৌ দোং খণ্ডা হোৱা নাই। আমাৰ শতকৰা আশী ভাগ খেতিয়কৰে জনমূৰি আয় নিচেই কম। কিন্তু জলসিঞ্চনৰ বৰ্ত্তমান ব্যৱস্থাত দিবলগীয়া কৰ আদিৰ কাৰণে দুখীয়া খেতিয়কৰ মাটি চন পৰি থাকিব লাগিব। কিয়নো তেনে কৰ নিদিলে পানী যোগান দিয়া নহয়। ফলত ধনী খেতিয়কে কৰ দি নিজৰ খেতি পথাৰত নদন বদন শস্য তৈয়াৰ কৰিব আৰু আনহাতে পানীৰ অভাৱত দুখীয়া খেতিয়কৰ মাটি-তভাল শস্যৰ উৎপাদন নহব আৰু চন পৰি থাকিব। অৰ্থাত একেখন পথাৰতে দুটা দৃশ্যে আমি দেখিবলৈ পাম। সেই কাৰণে মই প্ৰস্তাৱ কৰো যেন দুখীয়া খেতিয়ক সকলক অন্ততঃ দহ বছৰলৈ পানীৰ খাজনা মাফ দিয়া হয়। অসমৰ নিবনুৱা সমস্যা আন ঠাইৰ তুলনাত কোনো গুণেই কম নহয় কিন্তু ৰাজ্যপালৰ ভাষণত নিবনুৱা সমস্যাক কোনো প্ৰাধান্য দিয়া হোৱা নাই আৰু কোনো উল্লেখ কৰা হোৱা নাই। পঞ্জাৱ, পশ্চিম বঙ্গ আদি ৰাজ্যৰ নিচিনা আমাৰ ইয়াতো নিবনুৱা সমস্যাৰ ওপৰত গুৰুত্ব দিয়াৰ সময় হৈছে। বহু বছৰ ধৰি শিক্ষিত ডেকা ল'ৰাই অফিচে অফিচে চাকৰি বিচাৰি নাপাই হতাশাত ভুগিছে। নিবনুৱা সমস্যাই অসমৰ প্ৰত্যেক পৰিয়ালৰ বোজা হৈ পৰিছে। গতিকে মই প্ৰস্তাৱ কৰো যেন অন্ততঃ

তিনি বছৰলৈকে অসমৰ নিয়োগ বিনিময় কেন্দ্রত নাম লিপিবদ্ধ কৰা সকলো বিলাক নিবনুৱা যুৱককে কম পক্ষেও আশী টকাকৈ মাহিলী নিবনুৱা ভাত্তা দিয়াৰ ব্যৱস্থা কৰিব লাগে। যেতিয়ালৈকে সংস্থান নহয় তেতিয়ালৈকে এই ব্যৱস্থা বাহাল ৰাখিব লাগে।

অধ্যক্ষ মহোদয়, যি কোনো চৰকাৰেই নহওক লাগিলে সেই চৰকাৰকে আমি জনকল্যাণমূলক চৰকাৰ বুলি কও, গতিকেই মই এই নতুন চৰকাৰক নিবেদন কৰিব খুজিছোঁ এই যি সকল নিবনুৱা ডেকা আছে তেওঁলোকে চাকৰি নোপোৱা পৰ্য্যন্ত যাতে তেওঁলোকক ৮০ টকাকৈ মাহে নিবনুৱা ভাট্টা দিয়া হয় তাৰ ব্যৱস্থা কৰিব লাগে। শিক্ষাৰ বিষয়ে কওঁ, মুখ্যমন্ত্রী মহোদয়ে দশম মান শ্রেণীলৈকে মাচুল ৰেহাই দিয়াৰ কাৰণে যিটো প্রস্তাৱ ঘোষণা কৰিছে সেইটো ভাল কথা হৈছে কিন্তু মই তেখেতক এই ক্ষেত্রত অভিনন্দন জনাব নোৱাৰি দুখ পাইছোঁ কিয়নো আমাৰ দুখীয়া কৃষক ৰাইজে তেওঁলোকৰ লৰা-ছোৱালী বিলাকক এল, পি, স্কুললৈকে পঠাব নোৱাৰে, কিতাপ-পত্র তেওঁলোকে কৰ পৰাদিব ?, দুটকা খৰচ কৰি তেওঁলোকে লৰা-ছোৱলীক কিতাপ-পত্র কিনি দিবলৈ সামৰ্থ্য নাই, সেই টকা দুটাৰে তেওঁলোকে দুখাজ খাব পাৰিব নহলে তেওঁলোকে লঘোনে থাকিব লগীয়া হয়। খাবলৈ এমুঠি আহাৰ পিন্ধিবলৈ এজোৰ কাপোৰ যি খেতিয়কে দিব নোৱাৰে তেওঁলোকে লৰা-ছোৱালীক কিতাপ-পত্র কৰ পৰা দিব ? গতিকে তেনে ক্ষেত্রত দশম মান শ্রেণীলৈ তেওঁলোকে লৰা-ছোৱালীক কিতাপ কিনি দিয়াটো তেওঁলোকৰ কাৰণে দিববা স্বপ্ন। গতিকেই মই কও এই ক্ষেত্রত চৰকাৰে যাতে এটা বাস্তৱ আকাৰে চাই তাৰ বাবে নিবেদন জনালো। এল, পি, স্কুলৰ লৰা-ছোৱালীক চৰকাৰে বিনামূল্যে কিতাপ-পত্র দিয়াৰ উপৰিও দুপৰীয়াৰ আহাৰ খিনি দিব লাগে। দশম মান শ্রেণীলৈ মাচুল ৰেহাই দিয়াৰ উপৰিও তেওঁলোকক বিনামূল্যে কিতাপ-পত্র খিনি দিব পাৰিলে লৰা-ছোৱালীৰ মঙ্গল সাধন কৰা হব। আগৰ মন্ত্রী জনে কৈছিল যে ৩০০ টকাৰ তলৰ কৰ্ম্মচাৰীৰ যিসকল লৰা-ছোৱালী আছিল তেওঁলোকক দশম মান শ্রেণীলৈ মাচুল ৰেহাই দিয়া হব কিন্তু সেইটো হৈ নুউঠিল, গতিকে এতিয়া তেওঁলোকক মাচুল ৰেহাই দিয়াৰ উপৰিও কিতাপ খিনি যোগান দিব পৰিলে আচল উদ্দেশ্য সাধিত হব।

(ভইচ ঃ— আগৰ চৰকাৰৰ ২০ দফীয়া আঁচনিত এই বিষয়টো আছিল কিন্তু সেইটো কাৰ্য্যকৰী নহ'ল ।)

অসমত আজি বান নিয়ন্ত্রণৰ কথাটো অতিকৈ প্রয়োজনীয় বিষয় হৈ পৰিছে, কিন্তু ৰাজ্যপালৰ ভাষণত ব্রহ্মপুত্রৰ বান-নিয়ন্ত্রণ আৰু বৰাক নিয়ন্ত্রণৰ কোনো কথাই উল্লেখ নাই, ৰাজ্যপালৰ ভাষণত থকা মতে অসমত কেইটামান মথাউৰী দিলেই যে অসম বানপানীৰ পৰা ৰক্ষা পাব সেইটো কথা নহয়। এই ক্ষেত্রত দিল্লীৰ কথা কোৱা হৈছে, অৰশ্যে থিকেই এই বিৰাট বানপানী সমস্যাটো আজি অসমত ৰাজ্যিক চৰকাৰে অকলে কৰা কথা নহয় আৰু ই কোনো প্রকাৰেই সম্ভৱপৰ নহয় কেন্দ্রীয় চৰকাৰে ইয়াত হাত উজান নিদিলে এই কাম কোনো প্রকাৰে হৈ নুউঠিব। ব্রহ্মপুত্র বান নিয়ন্ত্রণ কথাটো আজি আন্তৰাষ্ট্রিয় সমস্যা হৈ পৰিছে কিয়নো এই নদী আন এখন দেশৰ পৰা বৈ আহি আমাৰ ৰাজ্যৰে বৈ গৈছে গতিকে আন কেইখন ৰাজ্যৰ লগত আমাৰ দেশখনৰ এটা বুজাপৰা সম্পৰ্কগঢ় তোলাতো বাঞ্চনীয় আৰু সেই ক্ষেত্রত চৰকাৰে বহু খিনি আগবাঢ়িব লাগিব। ইউ, এন, অ'ৰ মাধ্যমেৰে এই ব্রহ্মপুত্র বান নিয়ন্ত্রণৰ ব্যৱস্থা নতুন চৰকাৰে কৰিবলৈ লোৱাৰ বাবে চেষ্টা কৰা উচিত ।

মই অলপতে কাছাৰলৈ যাওতে তাত অৰুণাচল নামৰ এটা এলেকাত এটা বিৰাট অগ্নিকাণ্ডৰ ধ্বংসলীলা দেখিবলৈ পালো, সেই এলেকাটো আমাৰ বৰ্ত্তমান মন্ত্ৰী সভাৰে মন্ত্ৰী ওচমানী চাহাবৰ সমষ্টিত পৰে, তাত কিছুমান আটক ধুনীয়া দোকান আছিল সেইবিলাক পুৰি চাই হৈ গৈছে কিন্তু আজি সেই অগ্নিকাণ্ড হোৱা আজি ৭।৮ দিন হ'লহি কিন্তু আজিলৈকে তালৈ উপায়ুক্তই পৰিদৰ্শণ কৰিবলৈ যোৱা নাই, সেই দোকান বিলাকত বিজুলি বাতিৰো ব্যৱস্থা আছিল সেই বিলাকো নষ্ট হৈ গৈছে, কিন্তু আজিলৈকে সেই ঠাইত কোনো সাহায্য আগবঢ়োৱা হোৱা নাই, গতিকেই এই বিলাক কাৰণতে মোৰ এনেহেন ধাৰণা হৈছে যে আমাৰ ৰাজ্যখনত চৰকাৰ আছে নে নাই, শাসন ব্যৱস্থা আছে নে নাই? উপায়ুক্তৰ বঙলাৰ পৰা জুই জলা ঠাইলৈ হয়তো খুব বেচি ৩।৪ কিলোমিটাৰ হব কিন্তু সেই জুই জলা ঠাইলৈ উপায়ুক্তই আজিলৈকে যোৱা নাই।

## ADJOURNMENT

**Mr. Speaker** : The Hon'ble Member may continue tomorrow. Now the House stands adjourned till tomorrow (10 a.m

The House rose at 5 P.M. and stood adjourned till 10 A.M. on Thursday, the 23rd March, 1978.

P. D. BARUA,
Secretary,
Assam Legislative Assembly.

Dated Dispur
22-3-78

GAUHATI—Printed and Published by the Supdt. i/c., Assam Gauhati Printing Press (Gazette) No. 63—1200—9-8-1978.

GP. (L.A) 449/78 1100—7-8-78